● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

www.dainikagradoot.in

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

### দিগ্‌দৰ্শন

সঁচা শিল্পী আৰু কবিসকল স্বৈৰাচাৰী ৰাষ্ট্ৰৰ প্ৰতিয়ে নহয়, সংগঠিত অপশক্তি, প্ৰতিষ্ঠানত আবদ্ধ ধৰ্মবিশ্বাস আদিৰ প্ৰতিও ভাবুকিস্বৰূপ।

নাজিম হিকমত
*তুৰস্কৰ কবি*



৫ ইউক্ৰেইনক অস্ত্ৰ যোগান ধৰিলে প্ৰত্যুত্তৰ দিব পুটিনে
১৫ চেম্পিয়নছ লীগত ভিল্লাৰিয়ালৰ বিৰুদ্ধে লিভাৰপুলৰ জয়
৪ শাসক-শাসিতৰ দ্বন্দ্ব আৰু জন্মান্তৰবাদৰ সফল ব্যৱহাৰ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৯৮তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১৫ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ২৯ এপ্ৰিল ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 29 April 2022 মূল্য ঃ ৯.০০ টকা

■ ব'হাগ মাথোঁ এটি ঋতু নহয় ঃ সুধাকণ্ঠৰ গীতেৰে বিহুৰ ওলগ জনাই উৎসৱৰ আনন্দত চামিল হ'ল মোদী ■ উদ্বোধন সাতখন কৰ্কট চিকিৎসালয় ■ সাতখন চিকিৎসালয়ৰ আধাৰশিলা স্থাপন

# কৰ্কট ৰোগৰ চিকিৎসাত অগ্ৰণী অসম



■ অসমৰ ইতিহাসত আজি এক গুৰুত্বপূৰ্ণ দিন ■ মুখ্যমন্ত্ৰী শৰ্মাৰ দূৰদৰ্শিতাক প্ৰশংসা ■ এই চিকিৎসালয়ে বৈপ্লৱিক পৰিৱৰ্তন আনিব

## কৰ্কট ধনী মানুহৰ ৰোগ নহয় ঃ উদ্বোধনী অনুষ্ঠানত ৰতন টাটা

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৮ এপ্ৰিল ঃ** আজি অসমৰ ইতিহাসৰ এক উল্লেখযোগ্য দিন। ৰাজ্যত পূৰ্বতে নথকা কৰ্কট ৰোগৰ চিকিৎসাৰ উন্নত পৰ্যায়ৰ স্বাস্থ্য সেৱাৰ সুবিধা অনা হৈছে। ১৭খন কৰ্কট চিকিৎসালয়ে অঞ্চলটোলৈ বৈপ্লৱিক পৰিৱৰ্তন আনিব। ৰাজ্যত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সাতখন কৰ্কট চিকিৎসালয় মুকলি আৰু সাতখন নতুন কৰ্কট চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰা অনুষ্ঠানত এইদৰে কয় টাটা ট্ৰাষ্টৰ অধ্যক্ষ ৰতন টাটাই। তেওঁ কয় যে অসমত ১৭খন কৰ্কট চিকিৎসা কেন্দ্ৰৰ নেটৱৰ্কে সকলোলৈ এই ৰোগৰ চিকিৎসা সুলভ কৰি তুলিব। কৰ্কট ধনী মানুহৰ ৰোগ নহয় বুলি লগতে মন্তব্য কৰে টাটাই। তেওঁ কয় যে অসমে এতিয়া ভাৰতৰ এখন সৰু ৰাজ্য হৈও এই কথা ক'ব পাৰিব যে বিশ্বমানৰ কৰ্কট চিকিৎসাৰ সা-সুবিধাৰে ই সমৃদ্ধ। উল্লেখ্য যে আজি প্ৰধানমন্ত্ৰী মোদীয়ে ১৩ পৃষ্ঠাত চাওক

■ দৰিদ্ৰ সন্তানেও যাতে চিকিৎসক হ'ব পাৰে মাতৃভাষাত চিকিৎসা শিক্ষাদানৰ চেষ্টা কেন্দ্ৰৰ



**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৮ এপ্ৰিল ঃ** অসমৰ বুকুত থিয় হৈ আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ বাবে উৎসৰ্গা কৰিলে সাতখন নৱনিৰ্মিত কৰ্কট চিকিৎসালয়। তদুপৰি তেওঁ একে সময়তে সাতখন নতুন কৰ্কট চিকিৎসালয়ৰ শিলান্যাসো কৰে। স্বাস্থ্যখণ্ডৰ অভূতপূৰ্ব উন্নয়ন সাধন কৰি অসমত একেলগে সাতখনকৈ কৰ্কট চিকিৎসালয় উদ্বোধন কৰা প্ৰধানমন্ত্ৰীয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এটি গীতৰ কলি আওৰাই অসমৰ জনসাধাৰণক ৰঙালী বিহুৰ শুভেচ্ছা জনায়। তেওঁ কয়, 'প্ৰথমতে মই ৰঙালী বিহু আৰু অসমীয়া নৱবৰ্ষৰ শুভেচ্ছা জনাইছো।' উৎসৱৰ এই বতৰত অসমৰ বিকাশৰ ধাৰাত অধিক গতি ১০ পৃষ্ঠাত চাওক

■ লোকে লোকাৰণ্য কাৰ্বি ভূমিৰ লৰিংথেপি ■ শান্তি একতা আৰু উন্নয়ন সমাৰোহত মোদীৰ একাধিক প্ৰকল্পৰ আধাৰশিলা স্থাপন ■ উত্তৰ-পূৰ্বৰ সমস্যা হ্ৰাস পাইছে, উন্নয়ন সাধন হৈছে

## আঠ বছৰত ৭৫ শতাংশ হিংসা হ্ৰাস পাইছে



**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/ডংকামকাম, ২৮ এপ্ৰিল ঃ** 'যেতিয়াই আপোনালোকৰ মাজলৈ অহাৰ সুবিধা পাইছো তেতিয়াই আপোনালোকৰ ভৰপূৰ প্ৰেম আৰু আত্মীয়তা দেখি এনে লাগে যে ঈশ্বৰৰ আশীৰ্বাদ লাভ কৰিলো। আজিও আপোনালোক ইমান বৃহৎ সংখ্যাত ইয়ালৈ আহিছে, দূৰ-দূৰণিৰ পৰা মোক আশীৰ্বাদ দিবলৈ আহিছে আৰু আনন্দ উল্লাসত উৎসৱৰ মেজাজেৰে ৰং-বিৰঙী আপোনালোকৰ ১৩ পৃষ্ঠাত চাওক

### পাৰ্শ্বজ্যোতি

**বিহু নাচ**

**ডিব্ৰুগড়ৰ** সভাখনত প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে কে'বাশ বিহুৱা-বিহুৱতীয়ে বিহু নৃত্য প্ৰদৰ্শন কৰে। মঞ্চৰ পৰা হাত চপৰিয়াই বিহু উপভোগ কৰে প্ৰধানমন্ত্ৰী মোদী, ৰাজ্যপাল জগদীশ মুখী, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বাকীসকলে কেৱল চপৰিয়াই যদিও মুখ্যমন্ত্ৰী শৰ্মাই চপৰিওৱাৰ লগতে হালিজালি নচাৰো অংগীভংগী দিয়ে। মুখ্যমন্ত্ৰীয়ে নচাৰ উপক্ৰম হোৱা দেখি একাংশ দৰ্শকেও নাচিবলৈ সাজু হয়। অৱশ্যে সাজু হয় মানে বিহুৰো সামৰণি পৰে।

**দৰ্শকৰ জৌশ**

**কাৰ্বি আংলং** আৰু ডিব্ৰুগড়ৰ দুয়োখন সভাত যথেষ্ট লোকৰ সমাগম হয়। মানুহৰ সমাৱেশ হ'লেই নহ'ব, তেওঁলোকৰ উৎসাহ বৰ্তাই ৰখাও এক ডাঙৰ প্ৰত্যাহ্বান। ডিফুৰ সভাখনত সেয়েহে মন্ত্ৰী পীযুষ হাজৰিকাই একাধিকবাৰ মানুহৰ উৎসাহ পৰীক্ষা কৰে। মাইক্ৰ'ফোনৰ আগত থিয় হৈ হাজৰিকাই 'ভাৰত মাতা কি' ধ্বনি দিয়ে। দৰ্শকেও তাৰ ১০ পৃষ্ঠাত চাওক

■ প্ৰেমিকৰূপী জ্যোতিষীয়ে হত্যা কৰাৰ অভিযোগ পৰিয়ালৰ

■ বন্ধুৰ সহযোগত গোপনে মৃতদেহ নিছিল ব্যক্তিগত নাৰ্ছিংহোমলৈ

## মহানগৰীৰ বিলাসী এপাৰ্টমেণ্টত জ্যোতিষীৰ ঘৰত যুৱতীৰ মৃতদেহ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ এপ্ৰিল ঃ** দিছপুৰৰ লাষ্টগেটস্থিত দুৰ্গা ৰেছিডেন্সীত বিলাসী জীৱন যাপন কৰা এজন জ্যোতিষীৰ ঘৰত মৃতদেহ উদ্ধাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আনৰ জীৱনৰ ভৱিষ্যৎ দ্ৰষ্টাৰূপে জ্যোতিষ শাস্ত্ৰক ব্যৱহাৰ কৰা আৰু সম্প্ৰতি গুৰুতৰ অভিযোগত অভিযুক্ত হোৱা জ্যোতিষীজন হৈছে লীলা মাধৱ শইকীয়া। আৰক্ষীয়ে জনোৱা মতে, স্বয়ম্ভূ জ্যোতিষ সম্ৰাট লীলা মাধৱৰ ঘৰতেই যোৱা নিশা প্ৰায় ১০ বজাত তেওঁৰেই প্ৰেমিকা তথা কৰ্মচাৰী ৩৫ বছৰীয়া পম্পী ঘোষে আত্মহত্যা কৰা বুলি সদৰী কৰিছে যদিও পৰিয়ালৰ সূত্ৰই এয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি দাবী কৰিছে। ঘটনা সন্দৰ্ভত দিছপুৰ আৰক্ষীয়ে কয় যে দিছপুৰ লাষ্টগেটস্থিত দুৰ্গা ৰেছিডেন্সীৰ পঞ্চম মহলাত ১০ পৃষ্ঠাত চাওক

### চিকিৎসা বাণিজ্য

**দেশ-কাল-সমাজ**
**ড° দীনেশ বৈশ্য**



মানুহ দেখিছো আমি/ বহুত মানুহ/ কথাৰ সিন্ধু মথি/ অমৃত শুহি খোৱা ভণ্ড।

সূৰ্য দাসৰ এই গানটোৱে আজি বৰকৈ মনত পৰিছে। আজিৰ দিনটোত শাসক-প্ৰশাসকসকলে মানুহ বিচাৰি ঘূৰি ফুৰিছে। তেওঁলোকক মানুহ লাগে। বহুত মানুহ। এশ, দুশ, এহেজাৰ, দুহেজাৰ নহয়, লাখ লাখ মানুহ লাগে। কথা শুনিবলৈ মানুহ লাগে। মন্ত্ৰী-বিষয়াসকলে মানুহ বিচাৰি চলাথ কৰিছে। ১০ পৃষ্ঠাত চাওক

পৃথক ঘটনাত নৈত কিশোৰী ছাত্ৰীৰ মৃতদেহ

## ৰাজগড়ত পুখুৰীৰ পানীত ডুবি মৃত্যু তিনি ভ্ৰাতৃৰ

**অগ্ৰদূত বাৰ্তা**
**ৰাজগড়/টিংখাং, ২৮ এপ্ৰিল ঃ** ডিব্ৰুগড় জিলাৰ টিংখাঙৰ ৰাজগড়ত আজি দুটাকৈ হৃদয়বিদাৰক ঘটনা সংঘটিত হয়। ৰাজগড় আৰক্ষী চকীৰ অন্তৰ্গত ৰঙাবননি আৰু লংৰৈজনাত পৃথকে তিনি কিশোৰ ভ্ৰাতৃ আৰু এটি শিশু কন্যাৰ সলিল সমাধি ঘটাত সমগ্ৰ অঞ্চলতে পুৱাৰে ১০ পৃষ্ঠাত চাওক

বৈদ্যুতিক লাইনত উভালি পৰিল প্ৰকাণ্ড গছ

## নগাঁও চহৰত নিশাৰ ধুমুহাত বিস্তৰ ক্ষতি, দুদিনে ব্যাহত বিদ্যুৎ সৰবৰাহ

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৮ এপ্ৰিল ঃ** নগাঁও চহৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত যোৱা নিশা অহা এজাক প্ৰবল ধুমুহা-বৰষুণৰ ফলত বিস্তৰ ক্ষতিসাধন হয়। নিশা প্ৰায় ন বজাত আৰম্ভ হোৱা ধুমুহা-বৰষুণৰ লগতে হোৱা ১০ পৃষ্ঠাত চাওক

### মাহে ৰমজান

**ইফটাৰ**
আজি আবেলি ঃ ৫.৫৪ বজা
**ছেহেৰী**
কাইলৈ পুৱা ঃ ৩.২৪ বজা
* *গুৱাহাটীৰ সময়*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২° | ২৩° |
| ডিব্ৰুগড় | ৩১° | ২১° |
| দিল্লী | ৪৩° | ২৯° |
| কলকাতা | ৩৭° | ২৭° |
| মুম্বাই | ৩৪° | ২৯° |
| চেন্নাই | ৩৫° | ২৮° |
| বাংগালুৰু | ৩৪° | ২২° |
| শ্বিলং | ২৩° | ১৭° |

*২৮ এপ্ৰিল, ২০২২*

### চেঙা তেল



*বাপু, চৌদিশৰ কথালৈ কাণ দিলে ৰসাতলে যাবা! এইবোৰ এৰি নিজৰ কামত মন দিয়া!*

■ মেৱানীৰ মুক্তিৰ দাবীত ৰাজ্যজুৰি প্ৰতিবাদ

## ৰাজীৱ ভৱনত বহি থাকিলে কংগ্ৰেছ শাসনলৈ ঘূৰি আহিব নোৱাৰে ঃ বৰকটকী



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ এপ্ৰিল ঃ** গুজৰাটৰ বিধায়ক তথা দলিত নেতা জিগনেশ মেৱানীক বেআইনীভাৱে গ্ৰেপ্তাৰৰ অভিযোগ তুলি ইয়াৰ প্ৰতিবাদ তথা তেওঁৰ মুক্তিৰ দাবীত আজি প্ৰদেশ কংগ্ৰেছে গুৱাহাটীকে ধৰি ৰাজ্যৰ প্ৰায়বোৰ জিলা সদৰত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। মহানগৰীৰ ৰাজীৱ ভৱনত আজি দিনৰ ১২ বজাৰ পৰাই প্ৰদেশ ১০ পৃষ্ঠাত চাওক

ছয়গাঁও উদ্যোগিক বিকাশ কেন্দ্ৰত অঘটন

## ধেমালিতে প্ৰহাৰ কৰোতে প্ৰাণ গ'ল শ্ৰমিক বন্ধুৰ

**অগ্ৰদূত বাৰ্তা**
**বকো, ২৮ এপ্ৰিল ঃ** ছয়গাঁও সমষ্টিৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত ছয়গাঁও ঔদ্যোগিক বিকাশ কেন্দ্ৰত আজি বিয়লি এক হত্যাকাণ্ড সংঘটিত হয়। উদ্যোগটোত এজন শ্ৰমিকৰ প্ৰহাৰত আন এজন শ্ৰমিকৰ মৃত্যু হয়। উল্লেখ্য যে নৰ্থ ইষ্ট গ্ৰেণিউলেটৰছ নামৰ বস্তা তৈয়াৰ কৰা উদ্যোগটোত কৰ্মৰত দুই শ্ৰমিক ৰত্নেশ্বৰ দাস আৰু মোহন দাসে বিয়লি বাহনত সামগ্ৰী উঠোৱা কামত ব্যস্ত হৈ আছিল। প্ৰথমতে পৰস্পৰে ১৩ পৃষ্ঠাত চাওক

প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ দিনাই আপৰ প্ৰতিবাদ

## বিজেপিক নাকী লগাব নোৱাৰিলে মূল্যবৃদ্ধি ৰোধ সম্ভৱ নহ'ব

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ দিনাই গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অত্যাৱশ্যকীয় সামগ্ৰীৰ অবাধ মূল্যবৃদ্ধিৰ বিৰুদ্ধে আম আদমী পাৰ্টিৰ ৰাজ্যিক কমিটীয়ে আজি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে মূল্যবৃদ্ধিৰ বিৰুদ্ধে লিখা বিভিন্ন শ্ল'গান সম্বলিত বেনাৰ, প'ষ্টাৰ আৰু খালী চিলিণ্ডাৰ হাতে হাতে লৈ কেন্দ্ৰ তথা ৰাজ্য চৰকাৰৰ বিৰুদ্ধে, বিশেষকৈ প্ৰধানমন্ত্ৰী মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে ধ্বনি ১০ পৃষ্ঠাত চাওক



*মূল্যবৃদ্ধিৰ বিৰুদ্ধে আম আদমী পাৰ্টিৰ প্ৰতিবাদ, মহানগৰীত বৃহস্পতিবাৰে।*

■ আনচাৰুল্ল অল বাংলা টীমত চামিল হৈছে অসমৰ ভিন ভিন বয়সৰ লোকে

## বৰপেটাত জেহাদীৰ ঘাটি পাতিবলৈ তৎপৰতা, ভ্ৰমণ কৰিলে মধ্যপ্ৰদেশৰ নেতাই

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ এপ্ৰিল ঃ** পাকিস্তানক ভাৰতে দুভাগ কৰিছিল আৰু তাৰ প্ৰতিশোধ ল'বলৈ জেহাদত চামিল হৈছে অসমৰ ভিন ভিন বয়সৰ বহু লোক। শেহতীয়াকৈ অসম আৰক্ষীয়ে বৰপেটাত গ্ৰেপ্তাৰ কৰা আনচাৰুল্ল অল বাংলা টীম (এবিটি) নামৰ বাংলাদেশত ঘাটি থকা সংগঠনটোৰ কে'বাজনো সদস্যৰ পৰা এই তথ্য উদ্ধাৰ হৈছে। সমগ্ৰ ১০ পৃষ্ঠাত চাওক

■ সৰ্বকালৰ উষ্ণতম গ্ৰীষ্মৰ সাক্ষী হ'ল দেশবাসী ■ আগন্তুক সাত দিনত ৫০ ডিগ্ৰীৰ সীমা অতিক্ৰম হোৱাৰ সাৱধানবাণী বতৰ বিভাগৰ ■ একাধিক ৰাজ্যত শিক্ষানুষ্ঠান বন্ধৰ নিৰ্দেশ

## তাপমাত্ৰা বৃদ্ধি ৪৫ ডিগ্ৰী চেলছিয়াছলৈ

■ মে'ৰ প্ৰথম সপ্তাহৰ পৰাহে বৰষুণে কিছু সকাহ দিয়াৰ সম্ভাৱনা ■ প্ৰচণ্ড উত্তাপৰ সমান্তৰালকৈ বহু ৰাজ্যত বিদ্যুতৰ ঘাটিয়েও দহিছে জনসাধাৰণক



**■ মানস বন্দোপাধ্যায়**
**নতুন দিল্লী, ২৮ এপ্ৰিল ঃ** ইতিমধ্যে ১২২ বছৰৰ ভিতৰত উষ্ণতম মাৰ্চ দেখা পাইছিল ভাৰতে। এইবাৰ সাক্ষী হ'ল দেশৰ সৰ্বকালৰ উষ্ণতম গ্ৰীষ্মৰ। বতৰ বিজ্ঞান বিভাগে জনোৱা মতে, আজি পাঁচখন ৰাজ্যৰ তাপমাত্ৰাই ৪৫ ডিগ্ৰী চেলছিয়াছৰ সীমা স্পৰ্শ কৰে। আগন্তুক সাতটা দিনত এই তাপমাত্ৰাই ৫০ ডিগ্ৰী চেলছিয়াছৰ সীমাও অতিক্ৰম কৰিব পাৰে। বতৰ বিজ্ঞান বিভাগৰ পূৰ্বাভাস অনুসৰি, দিল্লী ১০ পৃষ্ঠাত চাওক

জখলাবন্ধা-সোণাপুৰত বাহনসহ কে'বাজনো ধৃত

## পৃথক স্থানত জব্দ চোৰাংকৈ সৰবৰাহ কৰা ৫১টা গৰু

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ/সোণাপুৰ, ২৮ এপ্ৰিল ঃ** বিগত ২৪ ঘণ্টাত ৰাজ্যৰ পৃথক স্থানৰ পৰা আৰক্ষীয়ে জব্দ কৰিলে চোৰাংকৈ সৰবৰাহ কৰা মুঠ ৫১টা গৰু। লগতে আৰক্ষীয়ে অভিযান চলাই মুঠ পাঁচজন চোৰাং সৰবৰাহকাৰীক আটক কৰে কলিয়াবৰ ১০ পৃষ্ঠাত চাওক

■ ৰাস্তাত দলিয়াই দিয়া হ'ল পদ্মশ্ৰী বঁটাৰ মানপত্ৰ ■ লীজৰ ম্যাদ ওকলাৰ পাছতেই উচ্ছেদ ■ ৰাজ্যনৈতিক অভিসন্ধিৰ অভিযোগ

## ৯১ বছৰীয়া প্ৰখ্যাত নৃত্যশিল্পীৰ বাসস্থান উচ্ছেদ কৰিলে চৰকাৰে



**■ নিউজব্যুৰ'**
**নতুন দিল্লী, ২৮ এপ্ৰিল ঃ** উচ্ছেদৰ নামত কেন্দ্ৰীয় চৰকাৰে ৰাস্তালৈ দলিয়াই পেলালে দেশৰ চতুৰ্থ শীৰ্ষ অসামৰিক সন্মান পদ্মশ্ৰী বঁটাৰ মানপত্ৰ। ৰাষ্ট্ৰপতিৰ স্বাক্ষৰ সম্বলিত এই মানপত্ৰ ৰাস্তাত পৰি থকা ফটো সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ লগে লগে দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিশেষকৈ পদ্মশ্ৰী সন্মানপ্ৰাপ্ত প্ৰখ্যাত ওডিছি নৃত্যশিল্পী মায়াধৰ ৰাউটৰ দিল্লীস্থ বাসস্থান ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৯ এপ্ৰিল, ২০২২ শুকুৰবাৰ পৃষ্ঠা তিনি

# যোৰহাট কৰ্কট চিকিৎসালয় উদ্বোধন

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২৮ এপ্ৰিল ঃ** যোৰহাটবাসীৰ বহু আকংক্ষিত কৰ্কট চিকিৎসালয় আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল পদ্ধতিৰে ডিব্ৰুগড়ৰ পৰা উদ্বোধন কৰে। ডিব্ৰুগড়ত ডিব্ৰুগড় কৰ্কট চিকিৎসালয় উদ্বোধন কৰাৰ পাছতে তেওঁ ৰিম'ট কন্ট্ৰোলৰ দ্বাৰা যোৰহাট কৰ্কট চিকিৎসালয়খন উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত যোৰহাট জিলাৰ আটাইকেইজন বিধায়ক, উপায়ুক্তৰ লগতে কে'বা শতাধিক লোক উপস্থিত থাকে। উল্লেখ্য যে আছাম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছন আৰু টাটা ট্ৰাষ্টে নিৰ্মাণ কৰিছে সাতখনকৈ কৰ্কট কেন্দ্ৰ। যোৰহাটতো চিকিৎসা মহাবিদ্যালয় চৌহদত প্ৰতিষ্ঠা কৰা হয় কৰ্কট চিকিৎসালয়খন। অতি অত্যাধুনিক যন্ত্ৰ-পাতিৰে যোৰহাট কৰ্কট কেন্দ্ৰত অতি ছয় পৃষ্ঠাত চাওক

# শোণিতপুৰত জলজীৱন মিছনৰ পথ খন্দাত বিপদত পৰিছে ৰাইজ

**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ২৮ এপ্ৰিল ঃ** ৰাজ্যত ২০১৯ৰ পৰা আৰম্ভ হোৱা জলজীৱন আঁচনিৰ অধীনত ৰাজ্যখনৰ গ্ৰাম্য অঞ্চলত ঘৰে ঘৰে পানীযোগানৰ যি লক্ষ্য গ্ৰহণ কৰা হৈছিল ইয়াৰে ভিতৰত ২০২০-২১ ত শোণিতপুৰত ১৮ শতাংশহে সম্পূৰ্ণ হৈছিল। সম্প্ৰতি জিলাখনত জলজীৱন আঁচনিৰ কাম চলি থকাৰ বিপৰীতে বিভাগীয়ভাৱে প্ৰদৰ্শন কৰা অৱহেলাৰ বাবে শোণিতপুৰত এনে আঁচনিৰ ঠিকাদাৰ একাংশ বিপাঙত পৰাৰ সমান্তৰালভাৱে বিহগুৰি, ৰঙাপৰা আদিত অতি নিম্নমানৰ কাম হোৱা বুলিও অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে ৰঙাপৰাৰ মহুতবস্তি অঞ্চলত সম্প্ৰতি নিৰ্মীয়মাণ এক আঁচনিৰ বাবে স্থানীয় ৰাইজে জীয়াতু ভুগিবলগীয়া হৈছে। উত্থাপিত অভিযোগ মতে, ইয়াৰ গণেশমন্দিৰৰ সমীপৰ পৰা প্ৰণৱ দত্তৰ বাসগৃহৰ সমীপলৈকে পানীৰ পাইপ বহুৱাবলৈ জধে-মধে খান্দি পেলোৱাত ৰাইজ সমস্যাৰ সন্মুখীন ছয় পৃষ্ঠাত চাওক

## ঘৰৰ টিনপাত উৰুৱাই নিলে, নামঘৰৰ ক্ষতি

# প্ৰচণ্ড ধুমুহাত বিধ্বস্ত মৰিগাঁৱৰ দক্ষিণ-পশ্চিম অঞ্চল

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২৮ এপ্ৰিল ঃ** যোৱা নিশা মৰিগাঁও জিলাৰ দক্ষিণ-পশ্চিম অঞ্চলত বলা এজাক প্ৰচণ্ড ধুমুহাই বৃহত্তৰ অঞ্চলটোত বিস্তৰ ক্ষতিসাধন কৰে। মধ্য অসমৰ অনুসূচিত জাতি-জনগোষ্ঠীৰ বসতিপূৰ্ণ অঞ্চলৰ বৰদল, জুৰগাঁও, হাতীহুলং, গড়কটাবৰি, পদুমনি, পদুম পুখুৰী, মিকিৰগাঁও, জাগী জ্যোতি নগৰ, মেৰুৱাগাঁৱকে ধৰি বহু অঞ্চলৰ ঘৰৰ টিনপাত ধুমুহাই উৰুৱাই নিয়াৰ লগতে ৰংগমঞ্চ, নামঘৰ আৰু ১৫০ বছৰীয়া গছ শিপাসহ উঘালি পৰে। এজাৰবাৰী পঞ্চায়তৰ অন্তৰ্গত অঞ্চলসমূহত প্ৰচণ্ড ছয় পৃষ্ঠাত চাওক

# নগাঁও কৰ্কট হাস্পতালৰ আধাৰশিলা স্থাপন কৰিলে প্ৰধানমন্ত্ৰী মোদীয়ে

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৮ এপ্ৰিল ঃ** বহু প্ৰত্যাশিত নগাঁও কৰ্কট হাস্পতালৰ আধাৰশিলা আজি স্থাপন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ডিব্ৰুগড়ত অনুষ্ঠিত এক অনুষ্ঠানত ভাৰ্চুৱেল পদ্ধতিৰে এই হাস্পতালৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত আয়োজিত এক অনুষ্ঠানত নগাঁও জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ বিষয়াৰ লগতে সাংসদ, বিধায়ক আদিয়ে অংশগ্ৰহণ কৰে। ভাৰ্চুৱেল পদ্ধতিৰে প্ৰধানমন্ত্ৰীয়ে নগাঁও কৰ্কট হাস্পতালৰ আধাৰশিলা স্থাপন কৰা অনুষ্ঠান সকলোৱে উপভোগ কৰে। অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, নগাঁও সদৰ, বঢ়মপুৰ, ৰহা সমষ্টিৰ বিধায়ক ক্ৰমে ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাসৰ লগতে জিলা উপায়ুক্ত নিসৰ্গ হিভৰে, প্ৰাক্তন উপায়ুক্ত কবিতা পদ্মনাভন আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে চিকিৎসালয়খনৰ চৌহদত সাংসদ বৈশ্যই গছপুলি ৰোপণ কৰে। নগাঁও কৰ্কট হাস্পতালৰ আধাৰশিলা স্থাপন হোৱা অনুষ্ঠানত অংশগ্ৰহণ কৰা সকলোৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰে।

# প্ৰধানমন্ত্ৰী মোদীৰ দ্বাৰা ভাৰ্চুৱেল পদ্ধতিৰে শিৱসাগৰৰ প্ৰস্তাৱিত কৰ্কট কেন্দ্ৰৰ আধাৰশিলা স্থাপন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৮ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ডিব্ৰুগড়ৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে শিৱসাগৰৰ প্ৰস্তাৱিত কৰ্কট কেন্দ্ৰটোৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে ডিমৌৰ ইকৰাণী বৰহোলাত আয়োজিত অনুষ্ঠানত অসম চৰকাৰৰ শিক্ষামন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লোৱা লোকসকলে মঞ্চত সংস্থাপন কৰা পৰ্দাত প্ৰধানমন্ত্ৰী মোদীৰ দ্বাৰা কৰ্কট কেন্দ্ৰৰ আধাৰশিলা স্থাপনকে ধৰি তেওঁৰ ডিব্ৰুগড়ৰ সকলো কাৰ্যসূচী প্ৰত্যক্ষ কৰে। অনুষ্ঠানত ভাষণ ৰাখি মন্ত্ৰী ডাঃ পেগুৱে অসম ছয় পৃষ্ঠাত চাওক

## ৰাজ্যৰ স্বাস্থ্য আন্তঃগাঁথনি বিকাশ নতুন গতিৰে ধাৱমান হৈছে ঃ সাংসদ তাছা

# গোলাঘাটৰ কৰ্কট কেন্দ্ৰৰ আধাৰশিলা স্থাপন

**বিশেষ সংবাদদাতা**

**গোলাঘাট, ২৮ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ডিব্ৰুগড়ৰ পৰা ভাৰ্চুৱেল পদ্ধতিৰে গোলাঘাটৰ প্ৰস্তাৱিত কৰ্কট কেন্দ্ৰটোৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে গোলাঘাটৰ বগৰীজেং পুলিচ প্লে-গ্ৰাউণ্ডত আয়োজিত অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লোৱা লোকসকলে মঞ্চত সংস্থাপন কৰা পৰ্দাত প্ৰধানমন্ত্ৰী মোদীৰ দ্বাৰা কৰ্কট কেন্দ্ৰৰ আধাৰশিলা স্থাপনকে ধৰি তেওঁৰ ডিব্ৰুগড়ৰ সকলো কাৰ্যসূচী প্ৰত্যক্ষ কৰে। অনুষ্ঠানত ভাষণ দি ৰাজ্যসভাৰ সাংসদ তাছাই অসম চৰকাৰ আৰু টাটা ট্ৰাষ্টৰ যৌথ সংস্থা অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছনক এই মহৎ কৰ্মৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে এতিয়া আৰু কৰ্কট ৰোগ মানেই মৃত্যু নহয়। কিয়নো এই ৰোগ প্ৰাৰম্ভিক অৱস্থাতে ধৰা পেলাই ছয় পৃষ্ঠাত চাওক

# লাউপাৰাত পথ দুৰ্ঘটনাত নিহত শিশু

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৮ এপ্ৰিল ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত টেবিটোলাত আজি আবেলি এখন তীব্ৰ বেগী ডাম্পাৰে এগৰাকী আঠ বছৰীয়া কন্যা শিশুক মহটিয়াই নিয়াত ঠাইতে নিহত হয় শিশুটি। নিহত শিশুটি উত্তৰ গুৱাহাটীৰ প্ৰেম ছয় পৃষ্ঠাত চাওক

# মিছামাৰীৰ খনাজানত পুত্ৰৰ হাতত প্ৰাণ গ'ল মাতৃৰ

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২৮ এপ্ৰিল ঃ** শোণিতপুৰৰ মিছামাৰীত আজি এক নৃশংস হত্যাকাণ্ড সংঘটিত হয়। ঘটনাটোৱে সমগ্ৰ অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। পুৱা প্ৰায় সাত বজাত মিছামাৰীৰ বেলিশিৰি আৰক্ষী চকীৰ অন্তৰ্গত খনাজান গাঁৱৰ নিৱাসী প্ৰদীপ ব্ৰহ্মৰ দ্বিতীয় পুত্ৰ মাদাও ব্ৰহ্ম (২৪)ৰ স'তে মাতৃ গালি ব্ৰহ্মৰ প্ৰথমতে তৰ্কবিতৰ্কত লিপ্ত হয়। তেনে সময়তে খঙত অগ্নিশৰ্মা হৈ মাদাওয়ে মাতৃয়ে পাকঘৰত ভাত ৰান্ধি থকা অৱস্থাত এখন কুঠাৰৰে মূৰত প্ৰচণ্ড জোৰে আক্ৰমণ কৰাত পাকঘৰতে ঢলি পৰে। পাছত মাতৃগৰাকীক পাকঘৰৰ ভিতৰৰ পৰা চোতাললৈ চোঁচৰাই লৈ আহে আৰু চোতালত কুঠাৰখনেৰে প্ৰহাৰ কৰে। ঘটনাটো প্ৰত্যক্ষ কৰাৰ লগে লগে পত্নীক পুত্ৰৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ স্বামী প্ৰদীপ ব্ৰহ্ম আগবাঢ়ি আহিছিল যদিও কুঠাৰখন লৈ আগবাঢ়ি অহাত তেওঁ নিজকে প্ৰাণ ৰক্ষাৰ বাবে ঘটনাস্থলীৰ পৰা নিৰাপদ স্থানলৈ আঁতৰি যায়। পাছত বেলিশিৰি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই অতি কৌশলেৰে ৰুদ্ৰমূৰ্তি ধাৰণ কৰি থকা আজি মাদাওক ছয় পৃষ্ঠাত চাওক

## সভাৰ মাজতে দুবাৰকৈ ব্যাহত হ'ল বিদ্যুৎ সৰবৰাহ

# বৰপেটাত কৰ্কট চিকিৎসা কেন্দ্ৰ উদ্বোধন

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৮ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ডিব্ৰুগড়ত উপস্থিত হৈ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত অৱস্থিত ডিব্ৰুগড় কৰ্কট চিকিৎসা কেন্দ্ৰ উদ্বোধন কৰাৰ লগতে, বৰপেটা, তেজপুৰ, যোৰহাট, দৰং, কোকৰাঝাৰ আৰু লখিমপুৰৰ কৰ্কট চিকিৎসা কেন্দ্ৰকেইটাও উদ্বোধন কৰে। অসম চৰকাৰ আৰু টাটা ট্ৰাষ্টৰ যৌথ উদ্যোগত স্থাপিত হোৱা বৰপেটা কৰ্কট চিকিৎসা কেন্দ্ৰ উদ্বোধন উপলক্ষে আজি বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত এক উদ্বোধনী অনুষ্ঠান আয়োজিত হয়। কে'বা সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনত বৰপেটাৰ অভিভাৱক তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপৰি বৰপেটাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূছাল, বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ ৰমেন তালুকদাৰকে আদি কৰি ভালেমান বিষয়া আৰু কৰ্কট চিকিৎসা কেন্দ্ৰৰ বিষয়া উপস্থিত ছয় পৃষ্ঠাত চাওক

# জয়পুৰত চোৰাং কাঠ ব্যৱসায়ীক আটক



**নামৰূপ, ২৮ এপ্ৰিল ঃ** একাংশ বন বিষয়াৰ বন মাফিয়াৰ স'তে থকা মিতিৰালিৰ বাবেই ৰাজ্যৰ নৱতম ৰাষ্ট্ৰীয় উদ্যান দিহিং পাটকাই এতিয়া তহিলং হোৱাৰ উপক্ৰম ঘটিছে। কেৱল নামত ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰি পৰৱৰ্তী পৰ্যায়ত অৰণ্যখনৰ সুৰক্ষাৰ বাবে কুটাগছো সম্পন্ন নকৰা দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ জয়পুৰ বনাঞ্চলিক অঞ্চলৰ ভিতৰত চলিছে এতিয়া নিৰ্বিবাদ বন ধ্বংস যজ্ঞ। উল্লেখ্য যে বিগত ২২ এপ্ৰিলত জয়পুৰ বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত কঠালগুৰি খণ্ডৰ হুগৰীপথাৰ অঞ্চলত ৩৫ জোপাকৈ মূল্যবান গছ দুষ্কৃতিকাৰীয়ে কাটি নিঃশেষ কৰাৰ তথ্য পোহৰলৈ অহাৰ পাছত তথা ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰত বন মাফিয়াই বিনাবাধাই গছ কাটি থকাৰ বিষয়ে সংবাদ মাধ্যমত বাতৰি পৰিৱেশন হৈ থকাৰ সময়তে আজি কঠালগুৰিৰ ডাংচকটা অঞ্চলৰ পৰা গছ কটাত জড়িত এটা দুৰ্বৃত্তক হাতে-লোটে আটক কৰে। উল্লেখ্য যে হাজিৰা ভিত্তিত বন মাফিয়াৰ হৈ গছ কটাত জড়িত এই দুৰ্বৃত্তটো হৈছে অভয়পুৰ অঞ্চলৰ জিকিৰ উৰাং। লক্ষ্যণীয় যে ছয় পৃষ্ঠাত চাওক

## ধুবুৰীত উপস্থিত থাকে মন্ত্ৰী ব্ৰহ্ম-সাংসদ কলিতা

# ধুবুৰীত ভাৰ্চুৱেল পদ্ধতিৰে কৰ্কট কেন্দ্ৰৰ আধাৰশিলা স্থাপন প্ৰধানমন্ত্ৰীৰ

**অগ্ৰদূত বাৰ্তা**

**গৌৰীপুৰ, ২৮ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰ্চুৱেল পদ্ধতিৰে ৰাজ্যৰ আন ছখন জিলাৰ লগতে ধুবুৰীতো এটা কৰ্কট কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে ডিব্ৰুগড়ত অনুষ্ঠিত এক অনুষ্ঠানত ৰিম'টৰ বুটাম টিপি নৱনিৰ্মিত ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ সমীপতে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছনৰ উদ্যোগত নিৰ্মাণ হ'বলগীয়া কৰ্কট কেন্দ্ৰটোৰ



আধাৰশিলা স্থাপন কৰে। নৱনিৰ্মিত ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল চৌহদত এই উপলক্ষে আয়োজিত ছয় পৃষ্ঠাত চাওক

# চাপৰত শিক্ষকৰ কামনাৰ বলি যুৱতী ঃ গোচৰ

**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ২৮ এপ্ৰিল ঃ** চাপৰৰ এজন শিক্ষকে জঘন্য কাণ্ড সংঘটিত কৰাৰ তথ্য সম্প্ৰতি পোহৰলৈ আহিছে। চাপৰ চহৰৰ পাঁচ নম্বৰ ৱাৰ্ড (নাগ পট্টি)ৰ বাসিন্দা তথা ধুবুৰীৰ মিছন ৰোডস্থিত বিবেকানন্দ বিদ্যাপীঠ এম ই স্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক উত্তম মণ্ডলে একেটা অঞ্চলৰে ২৬ বছৰীয়া এগৰাকী যুৱতীক অসৎ কামনা চৰিতাৰ্থ কৰি অন্তঃসত্তা কৰা ঘটনা সংঘটিত হৈছে। উল্লেখ্য যে বিবাহিত শিক্ষকজনে ইয়াৰ পূৰ্বেও এগৰাকী বন কৰা কিশোৰীক যৌন নিৰ্যাতন চলাই ধৰা পৰি সামাজিক বিচাৰত জৰিমনা ছয় পৃষ্ঠাত চাওক

# বিধায়ক জিগনেশ মেৱানীৰ মুক্তিৰ দাবীত লখিমপুৰ-তেজপুৰত প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ/তেজপুৰ, ২৮ এপ্ৰিল ঃ** গুজৰাটৰ বাদগাম সমষ্টিৰ বিধায়ক তথা দলিত নেতা জিগনেশ মেৱানীক গ্ৰেপ্তাৰৰ প্ৰতিবাদত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ দিনটোতে ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে লখিমপুৰতো জিলা কংগ্ৰেছ কমিটীয়ে জিলা কংগ্ৰেছ কাৰ্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট পালন কৰি প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে বিৰূপ মন্তব্য কৰাৰ অভিযোগত কোকৰাঝাৰ আৰক্ষী থানাত ৰুজু হোৱা গোচৰটোৰ পৰা জামিন লাভৰ পাছত পুনৰ পাঁচ ছয় পৃষ্ঠাত চাওক

# কাছসহ হাতে-লোটে গ্ৰেপ্তাৰ চোৰাংচিকাৰী

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২৮ এপ্ৰিল ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ কাহিতামা বীটৰ অন্তৰ্গত কাঠপুৰাৰ পৰা মানাহৰ বাঁহবাৰী ৰেঞ্জৰ বনকৰ্মীৰ দলে এজন চোৰাংচিকাৰীক গ্ৰেপ্তাৰ কৰে। আটকাধীন চোৰাংচিকাৰীজনৰ নাম নিৰন বৰ্মন। চোৰাংচিকাৰীজনৰ জিম্মাৰ পৰা বনকৰ্মীৰ দলটোৱে এটা কাছ উদ্ধাৰ কৰে। ঘটনা সন্দৰ্ভত মানাহৰ বাঁহবাৰী ৰেঞ্জৰ বন বিষয়া বাবুল ব্ৰহ্মই সদৰী কৰা মতে, যোৱা ২৬ এপ্ৰিলৰ নিশাৰ ভাগত মানাহৰ কাহিতামা ছয় পৃষ্ঠাত চাওক

# ঘাইপথত অচেতন অৱস্থাত উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৮ এপ্ৰিল ঃ** নিশা বাছ আস্থানত থকা ব্যক্তিগত বাণিজ্যিক বাহন ভাড়া লোৱা অথবা বাহনত অকলে ভ্ৰমণ কৰাটো এতিয়া যে নিৰাপদ নহয় সেই কথা বৃহত্তৰ ডিমৰীয়াত বিগত এমাহত ঘটি যোৱা কেইটিমান বিক্ষিপ্ত ঘটনাই পোহৰলৈ আনিছে। ক্ষেত্ৰী আৰক্ষীয়ে ৩৭ নম্বৰ ঘাইপথৰ দাঁতিৰ পৰা আজি দুজনকৈ সংজ্ঞাহীন লোকক উদ্ধাৰ কৰে। উল্লেখ্য যে ক্ষেত্ৰী আৰক্ষীৰ এটা তহলদাৰী দলে যোৱা নিশা বজাত তেতেলীয়াৰ ৩৭ নম্বৰ ঘাইপথৰ দাঁতিৰ পৰা মুমূৰ্ষু অৱস্থাত এজন যুৱকক উদ্ধাৰ কৰে। আৰক্ষীয়ে পাছত ছয় পৃষ্ঠাত চাওক

# বিশ্ব স্বাস্থ্য সংস্থাৰ প্ৰতিনিধি দলৰ বৰপেটা পৰ্যবেক্ষণ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৮ এপ্ৰিল ঃ** বিশ্ব স্বাস্থ্য সংস্থাৰ এক উচ্চস্তৰীয় প্ৰতিনিধি দলে বৰপেটা জিলা স্বাস্থ্য সমিতিৰ অধীনস্থ চৰকাৰী স্বাস্থ্য খণ্ডৰ পাঁচখন চিকিৎসা প্ৰতিষ্ঠানৰ চৰজমিন পৰ্যবেক্ষণ কৰে। দুদিনীয়া পৰ্যবেক্ষণ কালত বিশ্ব সময়ছোৱাত ৰাষ্ট্ৰীয় পৰ্যায়ৰ তিনিজন, ৰাজ্যিক পৰ্যায়ৰ এজন আৰু জিলা পৰ্যায়ৰ এজনী প্ৰতিনিধিৰ লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, বৰপেটাৰ সহযোগত ২৬ এপ্ৰিলৰ প্ৰথমদিনা মন্দিয়া খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ দুৰ্গম চৰ অঞ্চলৰ হাপাচৰ স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰত উপস্থিত হৈ সূক্ষ্ম পৰ্যবেক্ষণ কৰাৰ লগতে কল্যাণ কেন্দ্ৰত নিয়োজিত স্বাস্থ্য কৰ্মীৰ উপৰি স্থানীয় ৰাইজৰ লগত মত বিনিময় কৰে। মত বিনিময়ত মূলতঃ দুৰ্গম অঞ্চলৰ সৰ্বসাধাৰণৰ স্বাস্থ্য খণ্ডত প্ৰত্যাহ্বান আৰু তাৰ প্ৰতিকাৰ কিদৰে কৰিব পৰা যায় তাৰে এক আভাস লয়। সেইদিনাই দলটিয়ে বৰপেটা জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তীৰ্থ নাথ শৰ্মা আৰু মুখ্য চিকিৎসা বিষয়া ডাঃ পৰেশ কলিতাৰ লগত মত বিনিময় কৰাৰ উপৰি বৰপেটা জিলা উপায়ুক্ত তথা জিলা স্বাস্থ্য সমিতিৰ সভাপতি তেজ প্ৰসাদ ভুষালৰ লগতো মত বিনিময় কৰে। ২৭ এপ্ৰিলত বৰপেটা চিকিৎসা ছয় পৃষ্ঠাত চাওক

# সাহিত্যিক, শিক্ষা বিষয়া দণ্ডেশ্বৰ শইকীয়াৰ বিয়োগ



**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ২৮ এপ্ৰিল ঃ** সুলেখক তথা সাহিত্যিক, কেন্দ্ৰীয় চৰকাৰৰ মাধ্যমিক শিক্ষা পৰিষদৰ অৱসৰপ্ৰাপ্ত সঞ্চালক, প্ৰকাশক আৰু একাধিক উল্লেখ্য গ্ৰন্থৰ প্ৰণেতা দণ্ডেশ্বৰ শইকীয়া (৯৪)ৰ আজি বিয়লি ৪.৩০ বজাত তেজপুৰ নেমকেয়াৰ হাস্পতালত মৃত্যু হয়। উল্লেখ্য যে যোৰহাটৰ ঢেকিয়াজুলি বাগিচাৰ সমীপৰ ছয় পৃষ্ঠাত চাওক




## গভীৰ সংকটত শ্ৰীৰামপুৰ মহাত্মা গান্ধী ৰাষ্ট্ৰভাষা হিন্দী এম ই বিদ্যালয় ঃ ১০৩ খন স্কুলৰ ক্ষতিসাধন

# ধুমুহাত বিধ্বস্ত বিদ্যালয়ত পাঠদানত ব্যাঘাত



**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ২৮ এপ্ৰিল ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰ মহাত্মা গান্ধী হিন্দী এম ই স্কুলৰ শ্ৰেণীকোঠাসমূহ ধুমুহাই তচনচ কৰাৰ পাছত বিগত এপষেক ধৰি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সংকটত পৰিছে। উল্লেখ্য যে যোৱা ১৪ এপ্ৰিলৰ নিশা তীব্ৰবেগী এজাক ধুমুহাই শ্ৰীৰামপুৰ অঞ্চলৰ লগতে মহাত্মা গান্ধী ৰাষ্ট্ৰভাষা এল পি স্কুল গৃহৰ টিনৰ চালি উৰুৱাই নিয়ে। ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ১৫ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ২৯ এপ্ৰিল ২০২২

# বিকল্প আছে কি?

প্ৰাগঐতিহাসিক যুগত মানুহৰ সংখ্যা কম আছিল যদিও হেজাৰ হেজাৰ সৰু-বৰ জনগোষ্ঠীৰ ভাষাসমূহ জীয়াই আছিল; কিন্তু উদ্যোগ বিপ্লৱ তথা ঔদ্যোগীকৰণ আৰু বিশেষকৈ ঔপনিৱেশিক শাসন তথা বিশ্বায়নৰ ফলত ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠী বা জনজাতিসমূহ নিঃশেষ হ'বলৈ ধৰিছে। সাম্ৰাজ্যবাদী ঔপনিৱেশিক শাসনে দেশসমূহৰ চুকে-কোণে জীয়াই থকা ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনজাতিসমূহৰ ভাষাসমূহৰ বিকাশত সহায় কৰাৰ পৰিৱৰ্তে সেই ক্ষুদ্ৰ ভাষাসমূহক ধ্বংসৰ গৰাহলৈ ঠেলি দিলে। উপনিৱেশৰ প্ৰজাবৰ্গক সাম্ৰাজ্যবাদীসকলৰ ভাষাসমূহৰ প্ৰচলনৰ স্বাৰ্থত সেই ভাষাসমূহ জাপি দিয়া হয়। ব্ৰিটিছ সাম্ৰাজ্যবাদীসকলে বিশ্বৰ ইমূৰৰ পৰা সিমূৰলৈ বিস্তৃত হৈ থকা শাসনাধীন দেশসমূহত ইংৰাজী ভাষাৰ প্ৰচলন কৰে। স্পেইনৰ শাসকসকলে লেটিন আমেৰিকা আৰু আফ্ৰিকাৰ দেশসমূহত উপনিৱেশ স্থাপন কৰি স্পেনিছ ভাষাৰ প্ৰচলন কৰে। আজি এই দেশসমূহত ইংৰাজ তথা স্পেনিছসকলৰ শাসন নাই যদিও ইংৰাজী আৰু স্পেনিছ ভাষাৰ প্ৰাধান্য তথা প্ৰচলন হৈ থাকিল। অৱশ্যে ঔপনিৱেশিক শাসনৰ অৱসান ঘটিল যদিও এই দেশসমূহত ঔপনিৱেশিক শাসনে সৃষ্টি কৰি থৈ যোৱা প্ৰশাসন ব্যৱস্থা শাসকীয় শ্ৰেণীসমূহৰ প্ৰতিপত্তি, প্ৰভুত্ব আৰু ক্ষমতা বৰ্তি থাকিল। এই সম্পদশালী, ক্ষমতাশালী, শাসকীয় শ্ৰেণীসমূহৰ হাততেই থাকিল দেশ শাসনৰ চাবি-কাঠি। তেওঁলোকে পূৰ্বৰ ঔপনিৱেশিক শাসকসকলৰ পৰা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা ভাষাসমূহ চৰকাৰী ভাষা হিচাপে প্ৰচলন কৰি ৰাখিলে। আনকি ভাষাৰ লগতে সাহিত্য-সংস্কৃতিও শাসিত প্ৰজাসকলৰ বাবে প্ৰদান কৰি থৈ গ'ল। সেয়ে ভাৰত আদি একালৰ ইংৰাজ উপনিৱেশসমূহত ইংৰাজী ভাষাৰ লগতে সাহিত্য-সংস্কৃতি আজিও প্ৰচলিত তথা প্ৰভাৱশালী হৈ থাকিল। লেটিন আমেৰিকা, আফ্ৰিকাৰ বহু দেশত স্পেনিছ ভাষা-সাহিত্যৰ প্ৰভাৱ আৰু প্ৰভুত্ব আজিও অব্যাহত থাকিল। ইয়াৰ ফলত, বিশেষকৈ উচ্চ শিক্ষাৰ ক্ষেত্ৰত এই পশ্চিমীয়া ভাষাসমূহ মাধ্যম হৈ থকাত সকলোৱে সেই ভাষাত অধ্যয়ন নাইবা শিক্ষা লাভ কৰিবলৈ বাধ্য হয়। বিশেষকৈ ঔপনিৱেশিক শাসনৰ অৱসান ঘটিল যদিও আৰু শাসকসকল নিজ দেশলৈ ঘূৰি গ'ল যদিও বিশ্ব বাণিজ্য একালৰ সাম্ৰাজ্যবাদী দেশসমূহৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰিচালিত হৈ থাকিল। যিসকলৰ হাতত বিশ্ব-বাণিজ্যৰ নিয়ন্ত্ৰণ থাকিল, সেইসকলৰ ভাষাও সমগ্ৰ বিশ্বতে প্ৰভাৱশালী আৰু প্ৰচলিত হৈ থাকিল। সমগ্ৰ বিশ্বতে এক ধৰণৰ বাণিজ্যিক উপনিৱেশ সৃষ্টি হোৱা দেখা গ'ল।

ইতিমধ্যে অসম তথা উত্তৰ-পূবৰ আঞ্চলিক অথবা মাতৃভাষাসমূহৰ ভৱিষ্যতক লৈ অঞ্চলটোৰ সচেতন সমাজ চিন্তিত হৈ পৰিছে। ভাষা বিজ্ঞানী তথা ৰাষ্ট্ৰসংঘৰ সতৰ্কবাণীয়ে অসম তথা উত্তৰ-পূবৰ জনসাধাৰণৰ মনত হতাশা আৰু শংকাৰ জন্ম দিব পাৰে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত কে'বাশ ক্ষুদ্ৰ ক্ষুদ্ৰ ভাষা আছে। ভাষা বিজ্ঞানীসকলৰ মতে যদিহে কোনো এটা ভাষা কোৱা লোকৰ সংখ্যা ১০ লাখৰ অধিক, তেন্তে সেই ভাষা জীয়াই থকাৰ সম্ভাৱনা আছে; কিন্তু যদিহে সেই ভাষা-ভাষী লোকৰ সংখ্যা ১০ লাখতকৈ কম, তেন্তে সেই ভাষাৰ ভৱিষ্যৎ অন্ধকাৰ। অসম তথা উত্তৰ-পূবত এনে বহু মাতৃভাষা আছে, যিবিলাক ভাষা কোৱা লোকৰ সংখ্যা ১০ লাখতকৈ কম। কিছুমান ভাষা কোৱা লোকৰ সংখ্যা মাত্ৰ হেজাৰ নাইবা কে'বাশৰ ভিতৰত সীমিত। অৰুণাচল প্ৰদেশৰ কিছুমান ভাষা কোৱা লোকৰ সংখ্যা তিনি-চাৰিশ নাইবা তাতকৈ কম। অসম, অৰুণাচল প্ৰদেশ, নগালেণ্ড আদিত এনে বহু ভাষা আছে, যিবিলাক ভাষা কোৱা লোকৰ সংখ্যা অতি কম। এইসমূহ ভাষা কিদৰে জীয়াই ৰাখিব পাৰি, সেইটো চিন্তাৰ বিষয়। চৰকাৰে বিদ্যালয়সমূহত প্ৰাথমিক তথা মাধ্যমিক পৰ্যায়ত মাতৃভাষা বা আঞ্চলিক ভাষা বাধ্যতামূলক কৰিলে ক্ষুদ্ৰ ক্ষুদ্ৰ ভাষাসমূহ জীয়াই থকাৰ সম্ভাৱনা আছে। বিদ্যালয় পৰ্যায়ত মাতৃভাষা বা আঞ্চলিক ভাষা বাধ্যতামূলক কৰিলে মাতৃভাষাসমূহ জীয়াই ৰখাৰ ক্ষেত্ৰত সহায় হ'ব বুলি আশা কৰিব পাৰি। নতুন শিক্ষা নীতিত এই সম্পৰ্কত কেতবোৰ প্ৰস্তাৱ ৰখা হৈছে যদিও কাৰ্যক্ষেত্ৰত সেইবোৰ কেনেদৰে ৰূপায়ণ কৰা হয়, তাৰ ওপৰতে সকলো নিৰ্ভৰশীল। উচ্চ শিক্ষাৰ মাধ্যম ইংৰাজী হ'লেও চিন্তাৰ কাৰণ নাই। যিহেতু বিশ্বায়নৰ প্ৰভাৱক নস্যাৎ কৰিব পৰা নাযাব। জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ কাৰণেই আন্তঃৰাষ্ট্ৰীয় ভাষা নৱ প্ৰজন্মৰ বাবে প্ৰয়োজন; কিন্তু বিদ্যালয় পৰ্যায়ত মাতৃভাষা বাধ্যতামূলক কৰাৰ বাহিৰে আন কোনো বিকল্প নাই।

## খোলা মঞ্চ

# ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**সাম্প্ৰতিক** সময়ত দেশ তথা ৰাজ্যৰ সকলোফালেই ভ্ৰষ্টাচাৰেৰে ভৰি পৰিছে। এনেকুৱা সন্ধিক্ষণত আমাৰ বাবে ৰাজনৈতিক সৎ নেতাৰ নেতৃত্ব খুবেই প্ৰয়োজন। কিন্তু নেতাৰূপে নেতৃত্ব বহন কৰি বৰ্তমানে জনপ্ৰতিনিধি হোৱা সকলে তেওঁলোকৰ নেতৃত্বৰ সময়ছোৱাত কেনে ধৰণৰ কৰ্ম-কাণ্ড কৰিছে তাক প্ৰত্যেকগৰাকী প্ৰত্যক্ষদৰ্শী সচেতন ৰাইজেই নেদেখাকৈ বা নুশুনাকৈ থকা নাই। জনপ্ৰতিনিধিৰ বৃহৎ সংখ্যকে মৰ্যাদাহীন লঘু কথা-বাৰ্তাৰে ৰাইজৰ আগত প্ৰায়ে নিজৰ ভ্ৰষ্টাচাৰী স্বৰূপটোকহে উদঙাই আহিছে। কেৱল কিছুমান উদ্দেশ্য প্ৰণোদিত মিছা প্ৰতিশ্ৰুতিৰে জনসাধাৰণক আভুৱা ভাৰিছে। একেদৰে একাংশ বিবেচনাহীন জনসাধাৰণেও পৰিস্থিতি বা বিষয়বস্তুক অনুধাৱন কৰিব নোৱাৰি তেনেকুৱা প্ৰকৃতিৰ নেতাকেই ক্ষুদ্ৰস্বাৰ্থ পূৰণৰ বাবে সমৰ্থন কৰি আহিছে। নৈতিকতা, দক্ষতা একোৱেই পাৰ্থক্য ধৰিব নোৱাৰি আত্মস্বাৰ্থপৰ নেতাৰ ছলাহী কথাত ভোল গৈ সামাজিক স্বাৰ্থৰ কথা নাভাবি, নিজৰ ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ উদ্দেশ্যে অদক্ষ প্ৰাৰ্থী গৰাকীকেই ভোটদানৰ জৰিয়তে নিৰ্বাচন কৰি আহিছে। অধিকসংখ্যক সাধাৰণ জনতাৰ সিদ্ধান্তৰ ফলস্বৰূপে বাৰে বাৰে অনুপযুক্ত প্ৰতিনিধিগৰাকীয়েই জয়যুক্ত হৈ জনপ্ৰতিনিধি ৰূপে নিৰ্বাচিত হৈ ৰাজ্যখনৰ ৰাজহুৱা স্বাৰ্থত পদাঘাত কৰি আহিছে। সেই বাবে বৰ্তমান চৌদিশে ক্ষোভৰ অগণি জ্বলি ৰাইজৰ মাজত খোৱা-কামোৰা লাগিছে। যেতিয়ালৈকে জনগণে আত্ম বিবেচনাপূৰ্ণ ভোটদান কৰিব নোৱাৰিব তেতিয়ালৈকে এই অৰাজকতাৰ ফলাফল পাই থাকিবই লাগিব।

সেয়ে অধিকাংশ ৰাজনৈতিক নেতা-কৰ্মীয়ে ৰাইজ সচেতন বিবেচনাপূৰ্ণ নোহোৱাটোকে কামনা কৰে। তেতিয়াহে প্ৰলোভনেৰে জনসাধাৰণক প্ৰতাৰিত কৰিব পাৰিব আৰু বাৰে বাৰে ৰাজপাত খাব পাৰিব। যাৰ ফলত ভ্ৰষ্টাচাৰী নেতাই অন্ধবিশ্বাস-কুসংস্কাৰজনিত সামাজিক ঘটনাবোৰো নিৰ্মূল কৰাৰ বাবে কোনো শক্তিশালী পদক্ষেপ লোৱা দেখা নাযায়। কিয়নো জনসাধাৰণ যিমানেই চিন্তাৰ দিশত পিছপৰি থাকে সিমানেই সুবিধাবাদী নেতাৰো সুযোগ-সুবিধা অধিক আহে। ক্ষমতাৰ লালসাত নিজে কিমান তললৈ নামে তাৰ বিচাৰ কৰিবলৈও বৰ্তমানৰ কিছুমান তথাকথিত জনপ্ৰতিনিধিৰ বিবেক জ্ঞান নাথাকে।

আনহাতে, যিসকল সৎ ব্যক্তি বা নেতৃত্ব দিব পৰাকৈ দক্ষ তেওঁলোকে বৰ্তমানৰ ৰাজনীতিৰ কলুষিত ক্ষেত্ৰখনলৈ যাবলৈকে ইচ্ছা নকৰে। কিয়নো সৎ হৈ ৰাজনৈতিক ক্ষেত্ৰখনত ভাল কাম কৰাৰ সহজে অনুকূল সুযোগ-সুবিধা নিশ্চয় নাপাব; বৰং বাধা বা বিপত্তিহে আহি পৰিব পাৰে বুলি ভাবি নিজৰ মান, মৰ্যাদাক লঘু কৰিব নিবিচাৰে। আদৰ্শ প্ৰধান লোকে দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদি মুঠেই সমৰ্থন নকৰে। বৰ্তমান ৰাজ্যৰ চৌদিশে যেনেদৰে হত্যা-লুণ্ঠন, অন্যায়-ব্যভিচাৰ, বদমাচ-দগাবাজ ইত্যাদিৰ প্ৰাধান্য বাঢ়িছে; তেনেকুৱা পৰিস্থিতিত সৎ লোকসকলে কোনোপধ্যেই ৰাজনৈতিক ক্ষমতা দখলৰ চিন্তা নকৰে। যদিহে অধিকাংশ জনসাধাৰণেও মূল্যবোধৰ ৰাজনীতিৰ চিন্তা বা উপলব্ধি কৰিব নোৱাৰে তেনেক্ষেত্ৰত সৎ মূল্যবোধৰ ৰাজনৈতিক জননেতা সহজে লাভ কৰা কঠিন হ'ব। গতিকে প্ৰকৃততে সৎ চৰিত্ৰৰ নেতা নিৰ্বাচন কৰি সফল গণতান্ত্ৰিক শাসন লাভ কৰিবলৈ হ'লে প্ৰথমে জনসাধাৰণ অধিক সচেতন আৰু চিন্তাশীল শিক্ষিত হ'ব পাৰিব লাগিব। *ফোন : ৭০০২৬২৮৭৮০*

**দীপিকা হাজোৰাৰী,** *লেখিকা*

---



**গুণ-কৰ্মৰ আধাৰত চতুৰ্বৰ্ণ নিৰ্ণয় কৰোঁতে**
**ব্ৰাহ্মণত্বৰ গুণ আছিল— সত্যনিষ্ঠা, ক্ষমা,**
**চৰিত্ৰবল, তপস্যা, অনৃশংসতা আৰু দয়া।**
**এইবোৰ যাৰ থাকিব, তেৰেঁই ব্ৰাহ্মণ।**
**মহাভাৰতৰ মতে বৰ্ণৰ কোনো উচ্চ-নীচ নাই।**
**সমস্ত জগতেই ব্ৰাহ্মণৰে ভৰ্তি**

# শাসক-শাসিতৰ দ্বন্দ্ব আৰু জন্মান্তৰবাদৰ সফল ব্যৱহাৰ

দৃষ্টিপাত



**ড° খৰ্গেশ্বৰ ভূঞা**

অন্ধবিশ্বাস, কুসংস্কাৰ, অদৃষ্টবাদ অৰ্থাৎ কপালক ধিয়াই থকা এনে ধৰণৰ কথাবোৰ শাসক শ্ৰেণীৰ বাবে সুবিধাজনক, শাসিত শ্ৰেণীটোৱে শাসকৰ মইমতালিত কষ্ট পালেও এয়া ভাগ্যৰ দোষ বা পূৰ্বজন্মৰ কৰ্মফল ধৰণেৰে সহি-সামৰি থাকিলে শাসকৰ বাবে লাভ। প্ৰাচীন কালৰ পৰা ভাৰতৰ স্বাধীনতাৰ আগলৈকে ক্ষত্ৰিয় ৰজা আৰু তেওঁলোকক দিহা-পৰামৰ্শ দি সুবিধা লোৱা ব্ৰাহ্মণসকল হ'ল শাসক শ্ৰেণী আৰু সাধাৰণ প্ৰজাসকল হ'ল শাসিত শ্ৰেণী। আধুনিক কালত চৰকাৰ চলোৱা মন্ত্ৰী আৰু চৰকাৰী পক্ষৰ বিধায়ক আৰু নেতাসকলৰ লগতে মোচাহেবসকল হৈছে শাসকৰ দল, আনহাতে, সাধাৰণ ভোটাৰ ৰাইজ হৈছে শাসিত শ্ৰেণী। বামপন্থীসকলে এই ভাগ দুটাকে শোষক আৰু শোষিত শ্ৰেণীত ভাগ কৰিছে। শাসক আৰু শাসিত শ্ৰেণীৰ মাজত এচাম মধ্যভোগী দালাল আগেয়েও আছিল, এতিয়াও আছে।

শাসক আৰু শাসিতৰ মাজত প্ৰভু-ভৃত্যৰ সম্বন্ধৰে এচামক শোষণ কৰি, লগতে দমন কৰি ৰখাৰ উদাহৰণ যেনেকৈ বহুতো আছে, তেনেকৈ ৰজাই বা শাসকে সুশাসনেৰে প্ৰজা বা শাসিতৰ সুখ-স্বাচ্ছন্দ্যৰ প্ৰতি লক্ষ্য ৰখাৰ উদাহৰণো আছে। পিছে সকলো ক্ষেত্ৰতেই কম সংখ্যাৰ শাসকে বৃহৎ সংখ্যক শাসিতক হাতৰ মুঠিত ৰাখিবলৈ বহুতো ছল-চাতুৰিৰ কাম কৰিব লগা হয়। আধুনিক কালত প্ৰতি পাঁচ বছৰৰ অন্তৰে অন্তৰে শাসিতৰ অৰ্থাৎ ভোটাৰৰ ওচৰলৈ যোৱাটো বাধ্যতামূলক বাবে এনে কিছুমান পদ্ধতিৰ অৱলম্বন শাসকে কৰিব লগা হৈ পৰে যিবোৰৰ যোগেদি শাসিতসকলে বঞ্চিত হৈও বঞ্চনাৰ বলি যেন নলগা হৈ থাকিব লাগিব। এনে ক্ষেত্ৰত অন্ধবিশ্বাস, কুসংস্কাৰ, জ্যোতিষৰ ওপৰত বিশ্বাস, অদৃষ্টবাদ আদি হৈছে অতি শক্তিশালী অস্ত্ৰ। এয়া প্ৰাচীন কালত যেনেকৈ সত্য আছিল, অত্যাধুনিক কালতো সত্য। প্ৰথমে প্ৰাচীন কাললৈকে যোৱা যাওক।

প্ৰাচীন কালতে গুণ আৰু কৰ্মৰ আধাৰত চাৰি বৰ্ণৰে সমাজক বিভাগ কৰা হৈছিল; অধ্যয়ন, শিষ্যক শিক্ষা দিয়া কৰ্ম, যজন-যাজন আদি কৰ্মৰে ব্ৰাহ্মণ বৰ্ণই শ্ৰেষ্ঠত্ব অৰ্জন কৰিছিল। ৰাজ্যৰ ৰক্ষক হিচাপে ৰজা বা শাসনকৰ্তাসকলো ব্ৰাহ্মণৰ তলৰ উচ্চ বৰ্ণৰ। বেহা-বেপাৰ কৰি পোৱা ধনেৰে ৰাজকৰৰ যোগেদি বৈশ্যই ৰাজভঁৰাল সমৃদ্ধ কৰাৰ বাবে এওঁলোক তৃতীয় বৰ্ণৰ সন্মানিত লোক আছিল। শাৰীৰিক পৰিশ্ৰমেৰে বাকী তিনি বৰ্ণৰ সেৱা কৰা শূদ্ৰসকল আছিল চতুৰ্বৰ্ণৰ ভিতৰত আটাইতকৈ নিম্ন স্তৰৰ। কালক্ৰমত চতুৰ্বৰ্ণৰ ব্যৱস্থা বংশানুক্ৰমিক হৈ পৰিল, অৰ্থাৎ ব্ৰাহ্মণৰ পুত্ৰই অধ্যয়ন, যজন-যাজন নকৰিলেও ব্ৰাহ্মণ হ'ব, যুদ্ধ কৰিব নজনাজনো ক্ষত্ৰিয় হ'ব ইত্যাদি। লাহে লাহে উচ্চ বৰ্ণই বিশেষকৈ ব্ৰাহ্মণে নীচ বৰ্ণ অৰ্থাৎ শূদ্ৰক শাৰীৰিক পৰিশ্ৰমৰ নামত শাস্তি দিবলৈ ধৰিলে। এই প্ৰসংগতে আহি পৰিল ব্ৰাহ্মণ্যবাদৰ। ব্ৰাহ্মণে প্ৰণয়ন কৰা নীতি-নিয়মবোৰেৰেই শাসন চলিবলৈ লোৱাত এইবোৰ হৈ পৰিল ব্ৰাহ্মণ্যবাদৰ আধাৰ।

ব্ৰাহ্মণ্যবাদৰ দুটা দিশ আছে— এটা হ'ল বেয়া, আনটো ভাল। এইবোৰ বিষয়ত পূৰ্বতে আলোচনা আগবঢ়োৱা হৈছিল বাবে বিশদ ব্যাখ্যালৈ নগৈ কৈ থ'ব পাৰি যে কেৱল বেয়া দিশটোৰ আধাৰতেই আধুনিক কালত ব্ৰাহ্মণ্যবাদক কুকুৰে কাঁইট নোখোৱাকৈ গালি পৰা হয় সমগ্ৰ ভাৰতৰ লগতে অসমতো। ভাৰতৰ প্ৰাচীন শাস্ত্ৰৰ বিশাল ভাণ্ডাৰৰ জন্মদাতা হৈছে ব্ৰাহ্মণসকল। ওলোটাকৈ ক'বলৈ হ'লে গুণ-কৰ্মৰ আধাৰৰ বৰ্ণ নিৰ্ণয়ত শাস্ত্ৰ লিখিব পৰাসকলেই ব্ৰাহ্মণ, তেওঁলোকৰ জন্ম যি বৰ্ণৰ পিতৃৰ ঔৰসৰ বা মাতৃৰ গৰ্ভতেই নহওক কিয়? যেনে— বেদ বিভাজক (সংকলক), মহাভাৰত, পুৰাণাদিৰ স্ৰষ্টা কৃষ্ণ দ্বৈপায়ন বেদব্যাসৰ জন্ম হৈছিল মাছমৰীয়া ছোৱালী শূদ্ৰাৰ গৰ্ভত, তথাপি তেওঁ ব্ৰাহ্মণ। এয়া হৈছে ব্ৰাহ্মণ্যবাদৰ ভাল দিশ, শাস্ত্ৰবোৰত চাৰিওটা বৰ্ণৰেই ভাল-বেয়াৰ খতিয়ান দিয়া হৈছে আৰু ব্ৰাহ্মণৰ প্ৰতি কোনো পক্ষপাতিত্ব কৰা হোৱা নাই, সমাজ আগবঢ়াই নিয়াৰেই প্ৰচেষ্টা আছিল শাস্ত্ৰত।

ব্ৰাহ্মণ্যবাদৰ বেয়া দিশটো হৈছে শূদ্ৰৰ ওপৰত উৎপীড়ন। গুণ-কৰ্মৰ আধাৰত চতুৰ্বৰ্ণ নিৰ্ণয় কৰোঁতে ব্ৰাহ্মণত্বৰ গুণ আছিল— সত্যনিষ্ঠা, ক্ষমা, চৰিত্ৰবল, তপস্যা, অনৃশংসতা আৰু দয়া। এইবোৰ যাৰ থাকিব, তেৰেঁই ব্ৰাহ্মণ। মহাভাৰতৰ মতে বৰ্ণৰ কোনো উচ্চ-নীচ নাই। সমস্ত জগতেই ব্ৰাহ্মণৰে ভৰ্তি। এইসকলে সময়ত কিছুমান বিশেষ কৰ্মৰ প্ৰতি আগ্ৰহ দেখুৱাত ব্ৰাহ্মণৰ পৰাই আন তিনিটা বৰ্ণ আহিল। মানুহে জ্ঞান আৰু সত্বময় পৰিৱেশৰ পৰা আঁতৰি আহি যেতিয়াই স্বাৰ্থপৰ হৈ উঠিল, কামনা-বাসনা, লোভ-দ্বেষ আদিয়ে যিমানেই মানুহক জৰ্জৰিত কৰিবলৈ ধৰিলে, তেতিয়াই ক্ৰমান্বয়ে মানুহ ব্ৰাহ্মণত্বৰ পৰা আঁতৰি আহিল। এনে অৱনমনৰ শেষ পৰ্যায় হ'ল অকৰ্মণ্যতা, মিথ্যাচাৰ, গৰ্হিত কৰ্ম— একে আষাৰে যাৰ নাম হ'লগৈ শূদ্ৰত্ব। এই কৰ্ম-শূদ্ৰত্ব বা শূদ্ৰ গুণকেই সমাজে ঘৃণা কৰিবলৈ ল'লে, শূদ্ৰক নহয়। যীশুখ্ৰীষ্টই কোৱা 'পাপক ঘিণাবা, পাপীক নিঘিণাবা'ৰ লগত ধাৰণাটো একে। সমাজৰ মুখিয়াল বুদ্ধিমান ব্যক্তিসকলে কৰ্ম গুণৰ অৱনমনৰ ক্ষেত্ৰত বৈশ্য গুণলৈকে মানি লৈ বেদ, লগুণ আদিৰ অধিকাৰ মানি লৈছিল, কিন্তু শূদ্ৰত্বক বৰ্জন কৰিছিল, তেওঁলোকে কৈছিল— 'আৰু তললৈ নানামিবা, স্বধৰ্ম ত্যাগ নকৰিবা।'

'শূদ্ৰত্ব'ক ঘৃণা কৰাৰ পৰিৱেশৰ পৰা 'শূদ্ৰ'ক ঘৃণা তথা উৎপীড়নৰ পৰ্যায়লৈ যাবলৈ হেজাৰমান বছৰ লাগিছিল। সমাজত গুণী-জ্ঞানীসকলৰ সন্মান বেছি। ৰজাইও ব্ৰাহ্মণক মানিছিল। তেওঁলোকক মাতি আনি দিহা-পৰামৰ্শ লৈছিল, লাহে লাহে মন্ত্ৰীসভাতো ব্ৰাহ্মণক স্থান দিয়া হ'ল। ৰজা-মহাৰজাই একোজন বিশিষ্ট ব্ৰাহ্মণ ঋষিক কুলগুৰু, প্ৰধানমন্ত্ৰী আদি পদত অধিষ্ঠিত কৰাবলৈ ল'লে। ৰামায়ণ-মহাভাৰতত তেনে মন্ত্ৰীৰ লেখ আছে। পৰৱৰ্তী কালত কৌটিল্যই প্ৰধানমন্ত্ৰী তথা আন গুৰুত্বপূৰ্ণ পদত ব্ৰাহ্মণক বহুওৱাৰ পৰামৰ্শ দিলে। এনে এটা অৱস্থা সৃষ্টি হ'ল যে যি জনপদত ব্ৰাহ্মণ-ক্ষত্ৰিয়ৰ 'পাভ যোৰা' হয়, সেই জনপদ (ৰাজ্য)ৰ উন্নতি কোনেও ৰোধিব নোৱাৰে। মহাভাৰতৰ কৃষ্ণৰ ব্ৰাহ্মণ ভক্তিৰ পৰাকাষ্ঠা জিলিকি আছে। ব্ৰাহ্মণ-ক্ষত্ৰিয়ৰ সনা-পিটিকাৰ প্ৰসংগ পাছলৈ থৈ ব্ৰাহ্মণ্যবাদলৈ অহা যাওক।

ক্ষত্ৰিয় ৰজাৰ পৃষ্ঠবল থকা কিছু ব্ৰাহ্মণ অতি ক্ষমতাশালী হৈ উঠিছিল। তেওঁলোকে শূদ্ৰৰ ওপৰত কৰ্ম আদায়ৰ নামত নিদাৰুণ শাস্তি দিবলৈ ল'লে। দেখাক দেখি সকলো উচ্চ বৰ্ণৰেই শূদ্ৰৰ প্ৰতি ব্যৱহাৰ অমানুষিক হৈ পৰিল। এসময়ত শূদ্ৰৰ ওপৰত অত্যাচাৰ ইমানেই বেছি হ'বলৈ ধৰিলে যে 'সৰ্বহাৰা' শূদ্ৰই বিদ্ৰোহ কৰিবলৈ সাজু হ'ল। পৰৱৰ্তী কালৰ বামপন্থী তত্ত্বমতে যেতিয়ালৈকে মানুহৰ কিবা হেৰুৱাবলৈ থাকে, তেতিয়ালৈকে মানুহে শাসক বা শোষকৰ বিৰুদ্ধে বিদ্ৰোহ নকৰে, তাৰ বাবে সৰ্বহাৰা হ'ব লাগিব। আধুনিক কালত তেনে 'সৰ্বহাৰা' অৱস্থালৈ যাবলৈ নিদি শাসকে 'অৰুণোদয়', 'বিনামূলীয়া চাউল' ধৰণৰ অনুদান দি প্ৰজাক সৰ্বাত্মক বিদ্ৰোহৰ পৰা আঁতৰাই ৰাখে। প্ৰাচীন কালতো উচ্ছিষ্ট খাদ্য, ফটা কাপোৰ আদি দি শূদ্ৰক তেনে পৰিস্থিতিৰ পৰা আঁতৰাই থ'বলৈ চেষ্টা কৰিলেও শাসকে তাত্ত্বিকভাৱে প্ৰজাৰ মনস্তত্ত্ব বুজিব নোৱৰাৰ কাৰণে বিদ্ৰোহৰ সম্ভাৱনা আছিল।

হিন্দু ধৰ্মত উপনিষদৰ যোগেদি 'আত্মা'ৰ আৱিৰ্ভাৱ হ'ল। সকলো জীৱতে আত্মা থাকে, আত্মা অজৰ, অমৰ, ইয়াক দাৰে কাটিব নোৱাৰি, জুইৰে পুৰিব নোৱাৰি ইত্যাদি। জীৱৰ মৃত্যু হয়; কিন্তু আত্মাৰ মৃত্যু নহয়, মানুহে চোলা সলোৱাৰ দৰে আত্মাই এটা দেহ এৰি আন এটালৈ যায়। সাতশ খ্ৰীঃপূঃ মানত ৰচিত ছান্দোগ্য উপনিষদত জৈবালি আৰু আৰুণিয়ে সৃষ্টি কৰিলে জন্মান্তৰবাদৰ। জীৱৰ আত্মাই পৃথিৱীত বাৰে বাৰে জন্ম লয়। এই জন্মবোৰ নিয়ন্ত্ৰিত হয় একোটা জন্মত ব্যক্তিজনে কৰা কৰ্মফলৰ দ্বাৰা। মূলতঃ জন্মান্তৰবাদত এটা মানৱ জন্মই মৃত্যুৰ পাছত আন এটা মানৱ হিচাপে জন্ম লোৱাৰ তত্ত্বহে আছিল। 'বিষ্ণু পুৰাণ'-এ (আৰু আন পুৰাণ) এই তত্ত্ব আৰু বিস্তৃত কৰিলে— এইখন পুৰাণে জীৱই ৮২ লাখবাৰ বিভিন্ন জীৱৰূপে জন্ম লোৱাৰ পাছতহে মানৱী জন্ম পাব পাৰে। জন্মান্তৰবাদৰ বিশদ বিৱৰণলৈ নগৈ কৈ থ'ব পাৰি যে এই 'বাদ'ক উচ্চ বৰ্ণৰ বিৰুদ্ধে শূদ্ৰৰ ক্ষোভৰ উপশম ঘটোৱা কাৰ্যত সফলভাৱে ব্যৱহাৰ কৰা হ'ল।

শূদ্ৰসকলে অবৰ্ণনীয় দুখ-কষ্ট পোৱাৰ কাৰণটো হ'ল তেওঁলোকৰ পূৰ্ব জন্মৰ কৰ্মফল। পূৰ্ব জন্মত তেওঁলোকে কুকৰ্ম কৰিছিল, ইয়াৰ ভিতৰত এই জন্মৰ শূদ্ৰই পূৰ্ব জন্মত ব্ৰাহ্মণৰূপে শূদ্ৰক কষ্ট দিছিল। এই জন্মত শূদ্ৰক কষ্ট দিয়া ব্ৰাহ্মণসকল নিশ্চিতভাৱে পৰৱৰ্তী জন্মত শূদ্ৰ হৈ জন্মি একেই কষ্ট খাব। ইয়াৰ বিপৰীতে এই জন্মৰ শূদ্ৰসকলে সুকৰ্ম কৰিলে অহা জন্মত ব্ৰাহ্মণ হ'ব। সুকৰ্ম মানে অমানুষিক পৰিশ্ৰম কৰি শূদ্ৰই ব্ৰাহ্মণ তথা উচ্চ বৰ্ণৰ সেৱা কৰি যাব লাগিব দিনে-ৰাতিয়ে। প্ৰভুসকলক আনন্দমনেৰে সেৱা কৰি সন্তুষ্ট কৰিব লাগিব, প্ৰভুৰ সম্পদলৈ লোভ কৰিব নালাগিব, ঈৰ্ষা, দ্বেষ আদি প্ৰভুৰ প্ৰতি ৰাখিব নালাগিব ইত্যাদি। এইবোৰ কৰিলে পৰজন্মত নিশ্চিতভাৱে ব্ৰাহ্মণৰ জন্ম পাব পাৰিব এই জন্মৰ শূদ্ৰসকলে। এইবোৰ হৈছে ঈশ্বৰৰ নিৰ্দেশ, ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখিব লাগিব— 'কৰ্মতহে তোমাৰ অধিকাৰ, ফলাফল ফলদাতা বিভূৰ হাতত।'

ধাৰণাটোৱে বাৰুকৈয়ে 'ক্লিক' কৰিলে। শূদ্ৰ তথা শাসিতৰ বিদ্ৰোহৰ আশংকা নাইকিয়া হ'ল। এইবোৰৰ লগতে হিন্দু ধৰ্ম তথা দৰ্শনত আৰু বহু কথা সুমুৱাই দিয়া হ'ল। সংসাৰৰ সকলোবোৰেই মায়া। মায়া-মোহ ত্যাগ কৰি পৰম ব্ৰহ্মৰ ওপৰত সকলোবোৰ সঁপি দিয়া, 'পৰদ্ৰব্যেষু লুষ্ট্ৰবৎ' পৰৰ বস্তু দলি চপৰাৰ দৰে জ্ঞান কৰি লোভ বাদ দিয়া।' ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ এই চাৰিপুৰুষাৰ্থৰ ভিতৰত ধৰ্ম আৰু মোক্ষই মূল সাধাৰণ প্ৰজাৰ বাবে। আনহাতে, ৰজাই অৰ্থাৎ শাসকে মোক্ষৰ চিন্তা একেবাৰেই কৰিব নালাগে। ধৰ্মও কৰিব লাগিব প্ৰজাক দেখুৱাইহে। শাসকৰ বাবে অৰ্থই সকলো লগতে কামনা চৰিতাৰ্থ ইচ্ছামতে কৰাটোও মুখ্য। মুঠতে হিন্দু ধৰ্মৰ চাৰি পুৰুষাৰ্থৰ তাৎপৰ্য ৰজা আৰু প্ৰজাৰ বাবে বেলেগ বেলেগ। ৰজাৰ 'পিয়াৰ'ৰ এচাম ব্ৰাহ্মণেও মানুহক দেখুৱাই চিৰ বস্ত্ৰ (গেৰুৱা বস্ত্ৰও ইয়াত অন্তৰ্ভুক্ত) পৰিধান কৰে, কিন্তু ভিতৰি বিলাসত উটি-বুৰি ফুৰে। ৰজাৰ বাবে অৰ্থৰ কিমান দৰকাৰ সেয়া ৰামায়ণত লক্ষ্মণে ৰামক আৰু মহাভাৰতত অৰ্জুন যুধিষ্ঠিৰক বুজাইছিল।

হিন্দু ধৰ্মত মানৱ কল্যাণৰ বহু কথা আছে। এইবোৰৰে বহুখিনিক শাসকে সুবিধা অনুসাৰে প্ৰজাক নিৰ্বিবাদে শাসন কৰি নিজে সুখ-ভোগত মত্ত থকাৰ সপক্ষেও ব্যৱহাৰ কৰিব পাৰে। এনে কথা অন্য ধৰ্মতো আছে। শাসকে ধৰ্মক শাসনৰ সুবিধাৰ্থে ব্যৱহাৰ কৰাৰ প্ৰথম দৰকাৰী কথাটো হ'ল— প্ৰজাক ধৰ্মত মজাই পেলাব লাগিব আৰু ধৰ্মত থকা অন্ধবিশ্বাস, কু-সংস্কাৰবোৰে আচ্ছন্ন কৰি প্ৰজাক ভাগ্যৰ ওপৰত বিশ্বাসী কৰি তুলিব লাগিব। উপনিষদ সৃষ্ট জন্মান্তৰবাদ আৰু পূৰ্বজন্মৰ কৰ্মফলৰ কথাবোৰেৰে মানুহৰ মগজ ধোলাই কৰিব লাগিব। ভাৰতত প্ৰাচীন কালৰে পৰা বৰ্তমানলৈ শাসন কৰাসকলে ধৰ্ম আৰু অন্ধবিশ্বাসক সুন্দৰভাৱে ব্যৱহাৰ কৰি আহিছে। এই ক্ষেত্ৰত বৰ্তমানৰ শাসকদল বিজেপিৰ অৱশ্যেই তুলনা নাই। মানুহক ধৰ্মৰ 'কানিৰে' কেনেকৈ মতলীয়া কৰিব পাৰি আৰু ইয়াৰ যোগেদি কেনেকৈ শাসন ক্ষমতা অক্ষুণ্ণ ৰাখিব পাৰি সেয়া নিশ্চয় বিশদভাৱে আলোচনা কৰিব লাগিব। *ফোনঃ ৮১৩৫৮৩৫২১৯*

> **ক্ষত্ৰিয় ৰজাৰ পৃষ্ঠবল থকা কিছু ব্ৰাহ্মণ অতি ক্ষমতাশালী হৈ উঠিছিল। তেওঁলোকে শূদ্ৰৰ ওপৰত কৰ্ম আদায়ৰ নামত নিদাৰুণ শাস্তি দিবলৈ ল'লে। দেখাক দেখি সকলো উচ্চ বৰ্ণৰেই শূদ্ৰৰ প্ৰতি ব্যৱহাৰ অমানুষিক হৈ পৰিল। এসময়ত শূদ্ৰৰ ওপৰত অত্যাচাৰ ইমানেই বেছি হ'বলৈ ধৰিলে যে 'সৰ্বহাৰা' শূদ্ৰই বিদ্ৰোহ কৰিবলৈ সাজু হ'ল**

---

# বৈচিত্ৰ্যৰ ধাৰণাক আঘাতৰ উদ্দেশ্য কি?

প্ৰসংগ
হিন্দী ভাষা



**পৰিৱৰ্তনৰ** অনেক প্ৰতিশ্ৰুতি আৰু নেতাৰ বাক চাতুৰ্যত ভোল গৈ সাধাৰণ জনতা স্বপ্ন বিভোৰ হৈ পৰিছিল। কংগ্ৰেছী বাহিনীৰ অপশাসন উফৰাই নৰেন্দ্ৰ মোদীক দিল্লীৰ মছনদ অৰ্পণ কৰিছিল। এবাৰ নহয় পৰিৱৰ্তনকামী জনতাই মোদীৰ ওপৰত আস্থা পোষণ কৰি দ্বিতীয়বাৰৰ বাবেও দিল্লীৰ শাসনভাৰ অৰ্পণ কৰিলে। ব্যৱস্থাৰ পৰিৱৰ্তনৰ কথা আৰু নতুন অৰ্থনৈতিক নীতি কি হ'ব সেই কথা জনতাই নুবুজাকৈয়ে পৰিৱৰ্তনৰ ঢৌত উটি ভাহি গ'ল। কিন্তু বহু আকাংক্ষিত পৰিৱৰ্তন জনতাই এই পৰ্যন্ত দেখিবলৈ নাপালে। অৰ্থনৈতিক অনিশ্চয়তাত ভুগি অনেক কৃষক-মজদুৰ, সাধাৰণ ব্যৱসায়ী আৰু চৰকাৰী চাকৰিয়ালে সংস্থাপন হেৰুৱাই আত্মহননৰ দৰে চৰম পথ বাছি ল'বলগীয়া হৈছে পৰিৱৰ্তনৰ কথা কোৱা প্ৰধানমন্ত্ৰী মোদীৰ কাৰ্যকালতো। জনতাই আশা কৰিছিল ভাৰতীয় সভ্যতা-সংস্কৃতি, বহুত্ববাদী স্বাভীমানী ধাৰণা আৰু বৈচিত্ৰময় ৰঙৰ বাংময়তাৰে মোদী চৰকাৰে অধিক প্ৰাণৱন্ত কৰি তুলিব দেশ। বিমুদ্ৰাকৰণ, নাগৰিকত্ব আইন আদিৰে দেশৰ জনতাক আশাহত কৰিলে। এক দেশ এক সংবিধানৰ কথা কোৱাৰ পিছতো মোদী চৰকাৰে ঘোষণা কৰিবলৈ বাধ্য হ'ল ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চলত নাগৰিকত্ব সংশোধনী আইন কাৰ্যকৰী নহয়। বাধ্য হ'ল চৰকাৰী গুলিত মৃত্যুবৰণ কৰিও বছৰযোৱা কাৰ্যসূচীৰে কৃষকে কৰা আন্দোলনত শিৰ নত কৰি বিতৰ্কিত কৃষি আইন বাতিল কৰিবলৈ। অৰ্থনীতি ভাঙি থানবান হ'ল। উদং ৰাজভঁৰাল পূৰ্ণ কৰিবলৈ বিভিন্ন দেশী-বিদেশী বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লৈও থৰক বৰক গতিৰে চলিছে দেশ। ভৱিষ্যত প্ৰজন্মৰ কথা চিন্তা নকৰি ইতিমধ্যে দেশৰ ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠান সা-সম্পত্তিবোৰ দেশী-বিদেশী বনিক গোষ্ঠীৰ হাতত অৰ্পণৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে।

শেহতীয়াকৈ এক ৰাষ্ট্ৰ, এক ভাষা নীতিৰ আধাৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত দশম শ্ৰেণীলৈকে হিন্দী ভাষা বাধ্যতামূলক কৰাৰ কথা ঘোষণা কৰিছে গৃহমন্ত্ৰী অমিত শ্বাহে। এনে সিদ্ধান্ত বা পৰামৰ্শ গ্ৰহণ কৰিবলগীয়া হ'লে বৈচিত্ৰ্যপূৰ্ণ ভাৰতীয় সভ্যতা-সংস্কৃতিৰ স্বকীয়তা, ঐতিহ্য আৰু বহুত্ববাদী ধাৰণাটোক হত্যা কৰা নহ'বনে? আমি কিয় গ্ৰহণ কৰিম হিন্দী ভাষা— ই আজিও সাংবিধানিকভাৱে স্বীকৃত ৰাষ্ট্ৰীয় ভাষা নহয়। নে হিন্দী ভাষা সংকটৰ গৰাহত পৰিছে? হিন্দী সংযোগী ভাষা নোহোৱাকৈয়ে দেশ চলি থকা নাই জানো? চুলতান মামুদ-মহম্মদ ঘোৰীৰ পৰা আৰম্ভ কৰি মোগলৰ দিনলৈকে প্ৰায় হেজাৰ বছৰ মুছলমানৰ দখলত থকাৰ পাছতো স্থানীয় ভাষা-সংস্কৃতি, ধৰ্ম-সভ্যতা হেৰাই নগ'ল। তাৰ পিছত ইংৰাজৰ দুশ বছৰীয়া ৰাজত্ব কালতো হেৰুৱাবলগীয়া নহ'ল সভ্যতা-সংস্কৃতি আৰু চহকী ঐতিহ্য। স্বাধীন ভাৰতত আজি কি এনে আহুকালে দেখা দিলে যে আমি আইৰ মুখৰ ভাষাটোৰ সলনি হিন্দী ভাষা গ্ৰহণ কৰিব লাগে? হিন্দী-হিন্দু আৰু হিন্দুত্ববাদৰ স্বাভিমানী ধাৰণাটোক সন্মান জনায়ো কওঁ আমাকো আমাৰ স্বাভিমানেৰে জীয়াই থাকিবলৈ দিয়ক। কাৰ স্বাৰ্থ আৰু উদ্দেশ্য সিদ্ধিৰ বাবে উত্তৰ-পূবত ২২ হেজাৰ হিন্দী শিক্ষক নিযুক্তি দিলে? আমাৰ বিদ্যালয়বোৰত দেখোন প্ৰয়োজন অনুপাতে শিক্ষকেই নাই। আন্তৰ্জাতিক ভাষা অধ্যয়ন সংস্থা এথন'লক', এছআইএল ইণ্টাৰনেচনেল, লিংগুইষ্টিক ছাৰ্ভে অৱ ইণ্ডিয়াৰ প্ৰতিবেদন মতে ইতিমধ্যে অসমৰ ১৭টা জনগোষ্ঠীয়ে মাতৃভাষা হেৰুৱালে। বিভিন্ন জনগোষ্ঠীয়ে দাবী কৰা মতে অসমত মুঠতে ৫৫ টা মাতৃভাষা আছে যদিও ইয়াৰে ৪১ টা খিলঞ্জীয়া জনগোষ্ঠীয় লোকৰ মাতৃভাষা। এই ৪১ টাৰ পৰাই ১৭ টা জনগোষ্ঠীয়ে মাতৃভাষা হেৰুৱাবলগীয়া হোৱাটো বেদনাদায়ক নহয়নে? আকৌ সিদিনা বাতৰি কাকতত প্ৰকাশ পোৱা মতে থলুৱা ভাষা-ভাষীৰ সংখ্যা হ্ৰাস পোৱাৰ সময়তে ৰাজ্যত দ্ৰুতগতিত বাঢ়িছে হিন্দীভাষীৰ সংখ্যা।

বিদ্যালয়ৰ পাঠ্যক্ৰমত নপঢ়িলেও ঠেকাৰ কাম চলাব পৰাকৈ আমি হিন্দী ভাষা জানো আৰু বুজো। কিন্তু তেওঁলোকে আমাৰ ভাষাটোক কিমানখিনি জানে আৰু বুজে? আজিৰ পৰা প্ৰায় ছশ বছৰ পূৰ্বেই জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে মৈথেলী, ব্ৰজাৱলী আৰু সংস্কৃত ভাষা শিকিছিল। আনকি আদি ভাষাৰূপে জনাজাত সংস্কৃত ভাষাত ৰচনা কৰা ৰামায়ণখনো মাধৱ কন্দলীয়ে সৌ তাহানিতে অসমীয়ালৈ অনূদিত কৰিছিল। তাৰ দুশ বছৰ পাছতহে ৰামায়ণ আন আন প্ৰান্তীয় ভাষাত অনুবাদ হোৱা বুলি ইতিহাসে কয়। অথচ তেওঁলোকে একবিংশ শতিকাৰ এই প্ৰযুক্তিৰ যুগতো আমাৰ আইৰ মুখৰ ভাষাটো নিশিকিলে নাজানিলে।

আকৌ কৈছো— মহম্মদ ঘোৰী, চুলতান মামুদ বা মোগলে যিখন ভাৰতবৰ্ষৰ মানচিত্ৰ তৈয়াৰ কৰিছিল সেইখন মানচিত্ৰভুক্ত কৰিবলৈ আমাৰ পূৰ্বপুৰুষসকলক ১৭ বাৰকৈ আক্ৰমণ কৰিও ব্যৰ্থ হৈছিল। কিন্তু আমাৰ বীৰত্বপূৰ্ণ গৌৰৱোজ্জ্বল স্বৰ্ণিল ইতিহাসৰ কথা ক'লেই কিয় বন্দুক বাৰুদ গৰ্জি উঠে? আমাৰ ভাষা, আমাৰ সম্পদ আমাৰ হ'ব লাগে বুলি কোৱাৰ বাবেও অসমীয়া সন্তানে ছহিদ বৰণ কৰিবলগা হ'ল। বিদেশী খেদিব লাগে বুলি কোৱাৰ বাবেও মৃত্যুৰ উৎসৱ পাতি তেজৰ তুমৰলিত অসমৰ মাটি কেঁচা তেজেৰে ৰঙালী কৰি ৮৫৫ জনক ছহিদ সজোৱা হ'ল। এতিয়া হিন্দী ভাষা গ্ৰহণ নকৰো বুলি ক'লেই অসমীয়াই তেজ দিব লাগিব নেকি? জাতিয়ে স্নান কৰা এই ব'হাগতেই যদি আমি এনেবোৰ কথাৰ বিৰুদ্ধাচৰণ নকৰো তেন্তে জাতিয়ে বাচিব নে ভাষা থাকিব? *ফোন : ৮০১১৩৫৩৫৭৬*

**প্ৰণয় ৰয়**

---

# সাৰ্বজনীনতা

**জন্ম,** মৃত্যু, বিবাহ দেৱতাৰো অগোচৰ বুলি কোৱা হয়। আগতে সন্তান মাতৃ-গৰ্ভত স্থিতি লাভ কৰাৰ পৰা সন্তান প্ৰসৱ হোৱালৈকে সময় নিৰ্দিষ্ট আছিল ১০ মাহ, ১০ দিন। সেই সময়ৰ মূৰকত সন্তান জন্ম হৈছিল। ইয়াৰ অগা-পিছাও হৈছিল। নিৰ্দিষ্ট দিনটোৰ কথা কোনেও ক'ব নোৱাৰিছিল। আজি কালি ডাক্তৰে সন্তানে গৰ্ভত স্থিতি লোৱাৰ পাছতে জন্ম পোৱা সময় স্থিৰ কৰি দিব পৰা হ'ল। অৱশ্যে নিৰ্ধাৰিত দিনৰ আগতেও ছিজাৰিং ব্যৱস্থাৰে সন্তান প্ৰসৱ কৰোৱা হয়। ছিজাৰিং ব্যৱস্থা হৈছে যেতিয়া তাৰ প্ৰয়োগ কৰাও হ'ল, য'ত এটা ভাল ধন লাভৰ ব্যৱসায় জড়িত। আনহাতে গৃহস্থৰ ধনৰ ভৰণি হয়, ডাক্তৰৰ পৰামৰ্শৰ অনুগত হৈ। আজি সন্তান জন্ম হোৱাৰ সময়, সন্তান গৰ্ভত স্থিতি লাভ কৰাৰ পাছতে জানিব পৰা হ'ল। এতেকে জন্ম, দেৱতাৰো অগোচৰ হোৱা কাৰ্য ডাক্তৰৰ দ্বাৰা জনাৰ সুবিধা হ'ল যেতিয়া, ডাক্তৰক দ্বিতীয় দেৱতাৰ শ্ৰেণীভুক্ত কৰাটো উচিত নহ'ব জানো?

মৃত্যুৰ কথা দেৱতায়ো নজনাটো সমৰ্থিত। কাৰণ পৰীক্ষা কৰি মৃত্যুৰ ক্ষণ ডাক্তৰে কৈ দিব নোৱাৰে। অনুমানত কোৱা কথাও পাছত চকণীয়া বনতো বাঘ থকাৰ দৰে এজন ডাক্তৰে মৃত্যু আসন্ন বুলি কোৱাৰ পাছত, আন ডাক্তৰৰ হাতত দুই-এগৰাকী ৰোগী মৃত্যুৰ দুৱাৰডলিৰ পৰা উভতি অহাৰ পাছত, দীৰ্ঘজীৱী হোৱা উদাহৰণ আছে। মৃত্যুৰ কথা নজনাটো সম্ভৱপৰ, কাৰণ আজি কালি সভ্য দেশৰ বৰ্বৰ কাৰ্যৰ প্ৰভাৱ বৃদ্ধি পাই আহিল। এবিধ মৃত্যু যম ৰজাৰ পঞ্জিকাত উল্লেখ থকা মতে মৃত্যু হয়; এয়া স্বাভাৱিক মৃত্যু। আনবিধ হত্যা কৰি ঘটোৱা মৃত্যু।

আগতে বিবাহ প্ৰজাপতিৰ নিৰ্বন্ধ অনুসৰিহে হৈছিল। ভাবি থাকিলেও বিবাহ নহৈছিল, বিপৰীতে আকস্মিকভাৱেও হৈছিল। বিবাহ-কাৰ্যৰ প্ৰজাপতিয়েহে হৰ্তা-কৰ্তা বিধাতা। এতেকে আন দেৱতাসকলে জনাৰ উপায় নাই। প্ৰজাপতিক সন্মানৰ স্থানত ৰাখি বিবাহ অনুষ্ঠান উদ্‌যাপন কৰা হৈছিল। আজিও পুৰণিচাম মানুহ প্ৰজাপতিৰ অনুগত। বৰ্তমান শিক্ষা আৰু জ্ঞানৰ পৰিধি বিস্তাৰিত হোৱাৰ সমান্তৰালভাৱে অজ্ঞানতাৰ পৰিধিয়েও যে বিশালতা লাভ কৰিলে, তাকো কোনেও অবিশ্বাস নকৰা নহয়। আজিৰ বিয়াবোৰ 'প্ৰেমত ঘূৰিছে ভূ-মণ্ডল, প্ৰেমত ফুলিছে শতদল' শ্ৰেণীৰ হ'ল।

বিয়াৰ আগতে প্ৰেমৰ প্ৰচণ্ড শক্তিত বাধ্য হৈ দৈহিক সম্পৰ্ক স্থাপন হোৱাৰ পাছত, আনুষ্ঠানিক বিবাহ সম্পন্ন হোৱা নব্য-ব্যৱস্থাৰ কথা দেৱতাই কিয়, মানুহেই বিয়াৰ আগতে, বিয়াৰ কথা জনাৰ উপায় হ'ল দেখোন। এই কথালৈ লক্ষ্য কৰি বিবাহৰ কথাও দেৱতাসকলে নাজানে বুলি মানুহৰ মুখে মুখে প্ৰচলিত হৈ থকা কথাষাৰৰ দিন উকলিল। দেৱতাৰো অগোচৰ বুলি প্ৰচলিত হৈ থকা কথাষাৰ পুনৰ প্ৰচলিত হৈ থাকিলে দেৱতাৰ বদনাম হে গোৱা নহ'ব জানো? দেৱতাৰ বদনাম গোৱা মনুষ্যৰ অধিকাৰ ক'ত? অভিযোগবোৰ খণ্ডন হোৱাটো বাঞ্চনীয়।

**কেশৱ শৰ্মা,** ফোন : ৯৪০১৮-৭৯৪০৮

অগ্ৰদূত

# দেশ-দেশান্তৰ

গুৱাহাটী, ২৯ এপ্ৰিল, ২০২২ শুকুৰবাৰ, পৃষ্ঠা ৫

## উত্তৰাখণ্ডৰ অৰণ্যত ভয়াৱহ অগ্নিকাণ্ড, নিৰ্বাপনৰ চেষ্টাত সেনা



**নিউজ ব্যুৰ', ডেৰাডুন, ২৮ এপ্ৰিল ঃ** উত্তৰাখণ্ডৰ পাৰ্বত্য জিলাৰ অৰণ্যত ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হ'ল। বন বিভাগে এই অগ্নিকাণ্ড নিয়ন্ত্ৰণ কৰিবলৈ সফল নোহোৱাত সেনাই অগ্নিনিৰ্বাপনৰ চেষ্টা চলাইছে। উল্লেখ্য যে যোৱা বুধবাৰে ৰাজ্যখনৰ পাৰ্বত্য অঞ্চলৰ অৰণ্যত ২২৭ টা অগ্নিকাণ্ডৰ ঘটনাৰ সূত্ৰপাত ঘটিছিল। এই অগ্নিকাণ্ডৰ ফলত ৫৬১ হেক্টৰ বনক্ষেত্ৰ ক্ষতিগ্ৰস্ত হৈছে। গড়ৱাল অঞ্চলত অগ্নিনিৰ্বাপনৰ চেষ্টা চলাই এজন গ্ৰামবাসী অগ্নিদগ্ধ হৈ গুৰুতৰভাৱে আহত হ'ল। কুমায়ু মণ্ডলত অগ্নিকাণ্ডৰ ফলত এজন ব্যক্তিৰ মৃত্যু আৰু আন দুজন আহত হয়।

## এইবাৰ ক'কাকোলা ক্ৰয় কৰিব মাস্কে, টুইটক লৈ নতুন চাঞ্চল্য



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ২৮ এপ্ৰিল ঃ** মাইক্ৰ' ব্ল'গিং ছাইট টুইটাৰৰ পাছত শীতল পানীয় প্ৰস্তুতকাৰী প্ৰতিষ্ঠান ক'কাকোলা ক্ৰয়ৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিলে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্কে। শেহতীয়াভাৱে মাস্কে কৰা এক টুইটে এনে এক ইংগিত দিলে। আজি পুৱাতে নিজৰ টুইটাৰ একাউণ্টত মাস্কে এইদৰে মন্তব্য কৰে, 'ক'কাকোলা কিনিবলৈ আগবাঢ়িছো।' মাস্কে লগতে কয় যে কেৱল ক'কাকোলা ক্ৰয় কৰাই নহয়, তেওঁ ক'কাকোলাত ক'কেইনৰ মিশ্ৰণ কৰিব। এই টুইট লগে লগে সামাজিক মাধ্যমৰ জৰিয়তে ভাইৰেল হয়। তিনিদিন পূৰ্বে মাস্কে ৪৪০০ বিলিয়ন ডলাৰৰ বিনিময়ত টুইটাৰৰ মালিকানা স্বত্ব ক্ৰয় কৰিছিল। মাস্কে ক'কাকোলা সঁচাকৈ ক্ৰয় কৰিব বিচাৰিছে নে তেওঁ টুইটাৰত ধেমালী কৰিলে সেয়া এতিয়াও স্পষ্ট হোৱা নাই। অৱশ্যে সামাজিক মাধ্যম ব্যৱহাৰকাৰীৰ একাংশই টুইটাৰত মন্তব্য কৰি কয় যে মাস্কে টুইটাৰ ক্ৰয় কৰিব পাৰিলেও ক'কাকোলা ক্ৰয় কৰাটো তেওঁৰ পক্ষে সম্ভৱ নহ'ব, কিয়নো ক'কাকোলাৰ বৰ্তমানৰ বজাৰমূল্য হৈছে ২৮,৪০০ কোটি ডলাৰ। মাস্কৰ মুঠ সম্পত্তিতকৈ এই মূল্য অধিক।

## ভাৰতত ১২২ বছৰৰ পাছত সৰ্বাধিক উষ্ণ আছিল বিগত মাৰ্চ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ এপ্ৰিল ঃ** দেশৰ ৰাজধানী দিল্লীত সম্প্ৰতি পাৰাস্তম্ভ ৪৪-৪৫ ডিগ্ৰী চেলচিয়াছলৈ অগ্ৰসৰ হৈছে। বতৰ বিজ্ঞান বিভাগৰ পূৰ্বানুমান অনুসৰি উত্তৰ ভাৰতৰ কিছু অঞ্চলত তাপমাত্ৰা ৪৬ ডিগ্ৰী চেলচিয়াছলৈকে বৃদ্ধি পাব পাৰে। ইতিমধ্যে উত্তৰ ভাৰতৰ প্ৰায়বোৰ অঞ্চলতে গ্ৰীষ্মপ্ৰবাহৰ ঘটনাই জনসাধাৰণক হাৰাশাস্তি কৰিছে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি ১২২ বছৰ পাছত বিগত মাৰ্চৰ মাহটো আছিল ভাৰতৰ সবাতোকৈ উষ্ণ মাহ। অত্যধিক তাপমাত্ৰা বৃদ্ধিৰ ফলত দেশৰ বিভিন্ন অঞ্চলত ঘেঁহুৰ উৎপাদন ১০ৰ পৰা ৩৫ শতাংশলৈকে হ্ৰাস পোৱাৰ সম্ভাৱনা আছে।

## উত্তৰ প্ৰদেশত অনুমোদনহীন ১০,৯০০ লাউডস্পীকাৰ খুলিলে যোগী চৰকাৰে



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৮ এপ্ৰিল ঃ** মহাৰাষ্ট্ৰৰ ধৰ্মীয় উপাসনালয়ত লাউডস্পীকাৰক ব্যৱহাৰক লৈ বিতৰ্ক অব্যাহত থকাৰ সময়তে এই দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিলে উত্তৰ প্ৰদেশ চৰকাৰে। যোগী আদিত্যনাথৰ চৰকাৰৰ নিৰ্দেশত প্ৰশাসনে বুধবাৰলৈকে ৰাজ্যখনত কমেও ১০,৯০০ টা অনুমোদনহীন লাউডস্পীকাৰ খুলি পেলালে। প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি সৰহ সংখ্যক লাউডস্পীকাৰ ৰাজধানী লক্ষ্ণৌত আঁতৰ কৰা হৈছে। লক্ষ্ণৌত ২,৩৯৫ আৰু গোৰখপুৰত ১,৭৮৮ টা লাউডস্পীকাৰ খোলা হ'ল। তদুপৰি ৰাজ্যজুৰি কমেও ৩৫ হেজাৰ লাউডস্পীকাৰ নিৰ্ধাৰিত ডেচিবেলৰ ভিতৰত ব্যৱহাৰ কৰিবলৈ প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিলে।



## কোৱাড সন্মিলনত মোদী-বাইডেনৰ হ'ব সাক্ষাৎ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ এপ্ৰিল ঃ** অহা ২৪ মে'ত জাপানৰ টকিঅ'ত কোৱাড দেশৰ শীৰ্ষনেতাৰ সন্মিলন অনুষ্ঠিত হ'ব। কোৱাড সন্মিলনত আমেৰিকা, অষ্ট্ৰেলিয়া, জাপান আৰু ভাৰতৰ ৰাষ্ট্ৰনেতাই অংশ ল'ব। এই সন্মিলনত অংশ লোৱাৰ সময়তে পৃথকভাৱে আলোচনাত মিলিত হ'ব আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। মোদীয়ে অহা ২২ মে'ত জাপানলৈ যাত্ৰা কৰিব। ২৩ মে'ত মোদীয়ে জাপানৰ প্ৰধানমন্ত্ৰী ফুমিয়' কিছিদাক সাক্ষাৎ কৰিব।

### দুমাহৰ অধিক ধৰি অব্যাহত আছে ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ ঃ প্ৰয়োজনত অত্যাধুনিক অস্ত্ৰ ব্যৱহাৰৰ ভাবুকি ৰাছিয়াৰ

# ইউক্ৰেইনক অস্ত্ৰ যোগান ধৰিলে আমেৰিকাক প্ৰত্যুত্তৰ দিব পুটিনে



**নিউজ ব্যুৰ' মস্কো, ২৮ এপ্ৰিল ঃ** দুমাহৰ অধিক ধৰি অব্যাহত আছে ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধ। এই যুদ্ধৰ আৰম্ভণিৰে পৰা বিশ্বত তৃতীয় মহাযুদ্ধ আৰম্ভ হ'ব পাৰে বুলি আশংকা প্ৰকাশ কৰি আহিছে বিশেষজ্ঞসকলে। এই আশংকাক আকৌ এবাৰ সত্য হ'ব পাৰে বুলি বাৰ্তা দিলে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে। ৰুছ ৰাষ্ট্ৰপতিয়ে স্পষ্টভাৱে কয় যে ইউক্ৰেইনত ৰাছিয়াৰ বিশেষ সামৰিক অভিযানত আন কোনো দেশে হস্তক্ষেপ কৰিলে মুহূৰ্ততে প্ৰত্যুত্তৰ দিব ৰাছিয়াই। পুটিনে মূলতঃ আমেৰিকাক লক্ষ্য হিচাপে লৈ এইদৰে সকীয়নি দিয়ে, 'যদি কোনো দেশে ইউক্ৰেইনৰ বৰ্তমানৰ পৰিস্থিতিত হস্তক্ষেপ কৰিবলৈ আহে, তেন্তে সেয়া সহজভাৱে লোৱা নহ'ব। কৌশলগত ক্ষেত্ৰত ৰাছিয়াৰ বাবে কোনো বাধাৰ সৃষ্টি কৰিলে আমি তৎকালীনভাৱে ইয়াৰ উত্তৰ দিম। প্ৰয়োজনত অত্যাধুনিক অস্ত্ৰ ব্যৱহাৰ কৰিবলৈকো ৰাছিয়াই থমকি নৰ'ব। আমাৰ হাতত যিসমূহ অস্ত্ৰ আছে, আন দেশৰ হাতত নাই। সকলোৱে জানি থওক যে অস্ত্ৰভাণ্ডাৰক লৈ আমাৰ স'তে সংঘাতত লিপ্ত নহ'ব। প্ৰয়োজনত আমি যিকোনো অস্ত্ৰ ব্যৱহাৰ কৰিম।' উল্লেখ্য যে ইউক্ৰেইনলৈ প্ৰত্যক্ষভাৱে কোনো দেশে সেনা প্ৰেৰণ কৰা নাই, কিন্তু ইউক্ৰেইনক বিশ্বৰ কে'বাখনো দেশে অস্ত্ৰ সাহায্য আগবঢ়াইছে। এইসমূহ দেশৰ মাজত আমেৰিকাও আছে। পুটিনে আমেৰিকাৰ নাম নোলোৱাকৈ এইদৰে ইউক্ৰেইন প্ৰসংগত বিশ্বক পুনৰ সকীয়নি দিলে।



## আৰ্থিক দুৰ্নীতিৰ গোচৰত বিপাকত পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বৰীফ

**নিউজ ব্যুৰ' ইছলামাবাদ, ২৮ এপ্ৰিল ঃ** দুৰ্নীতি প্ৰতিৰোধ আৰু সুশাসনৰ প্ৰতিশ্ৰুতিৰে অলপতে পাকিস্তানৰ প্ৰধানমন্ত্ৰী নিযুক্ত হৈছিল শ্বাহবাজ শ্বৰীফ। কিন্তু ক্ষমতা লাভৰ এমাহ নৌহওতেই আৰ্থিক দুৰ্নীতিৰ গোচৰত বিপাকত পৰিল পাক প্ৰধানমন্ত্ৰী। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, আৰ্থিক দুৰ্নীতিৰ এটা গোচৰত প্ৰধানমন্ত্ৰী শ্বৰীফ আৰু তেওঁৰ পুত্ৰ হামজা শ্বাহবাজক অভিযুক্ত কৰিবলৈ সাজু হৈছে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ বিশেষ আদালত। চলিত মাহৰ আৰম্ভণিতে এই গোচৰৰ শুনানি গ্ৰহণৰ কথা আছিল যদিও ৰাজনৈতিক পৰিস্থিতিৰ ফলত শ্বৰীফ আৰু তেওঁৰ পুত্ৰ আদালতত উপস্থিত হোৱা নাছিল। কালি বুধবাৰেও শুনানিৰ দিনা পিতা-পুত্ৰ আদালতত হাজিৰ নোহোৱাত বিচাৰকে স্পষ্টভাৱে কয় যে আৰ্থিক দুৰ্নীতিৰ গোচৰত শ্বৰীফ আৰু হামজাক অভিযুক্ত কৰা হ'ব। অহা ১৪ মে'ত আদালতে শ্বৰীফ-হামজাক আদালতত উপস্থিত হ'বলৈকো নিৰ্দেশ দিলে।

## তালিবান-ইৰানৰ সম্পৰ্ক অৱনমিত, তেহৰানে সীমান্তত বঢ়ালে সেনা



**নিউজ ব্যুৰ', তেহৰান, ২৮ এপ্ৰিল ঃ** পাকিস্তান আৰু আফগানিস্তানৰ মাজত সীমা বিবাদ আৰু পাকিস্তানৰ বায়ু সেনাই এয়াৰষ্ট্ৰাইক চলোৱাৰ পাছত উভয় দেশৰ সম্পৰ্কত সংঘাতে দেখা দিছে। একে সময়তে আফগানিস্তান আৰু ইৰানৰ মাজতো সংঘাত সৃষ্টি হৈছে। ইৰানৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি তালিবানৰ স'তে সংঘাত বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত ইৰানে ইৰান-আফগানিস্তান সীমান্তত নিয়োজিত সেনাৰ সংখ্যা বৃদ্ধি কৰিলে। সেনাৰ লগতে সীমান্ত অঞ্চলত ইৰানে যুদ্ধ টেংক আৰু অন্যান্য সামৰিক বাহনো নিয়োগ কৰিছে। যোৱা ২৩ এপ্ৰিলত সীমান্তত আফগানিস্তান আৰু ইৰানৰ সীমান্তৰক্ষী বাহিনীৰ মাজত বিবাদৰ চেষ্টা হৈছিল। ইয়াৰ পাছৰে পৰা উভয় দেশে সীমান্ত অস্থায়ীভাৱে বন্ধ ৰাখিছে। স্মৰ্তব্য যে ২০২১ৰ আগষ্টত তালিবানে আফগানিস্তান পুনৰ দখল কৰাৰ পাছৰে পৰা ইৰান-আফগানিস্তান সীমান্তত উত্তেজনা অব্যাহত আছে।



## ফ্ৰান্সৰ ৰাষ্ট্ৰপতি মেক্ৰঁ'ক বিলাহী দলিয়াই কৰিলে আক্ৰমণ

**নিউজ ব্যুৰ', পেৰিছ, ২৮ এপ্ৰিল ঃ** ফ্ৰান্সৰ নিৰ্বাচনত জয়লাভৰ পাছত ৰাজহুৱা স্থানত বিচৰণ কৰাৰ সময়ত অস্বস্তিকৰ পৰিস্থিতিৰ সন্মুখীন হ'ল ইমানুৱেল মেক্ৰঁ'। পেৰিছৰ এখন স্থানীয় বজাৰত মেক্ৰঁ' উপস্থিত হোৱাত উক্ত স্থানত থকা লোকসকলে ৰাষ্ট্ৰপতিজনক ঘেৰি ধৰে। লগে লগে মেক্ৰঁ'ৰ নিৰাপত্তাৰক্ষীয়ে ৰাইজক বাধা দি আঁতৰাই নিয়াৰ চেষ্টা চলায়। নিৰাপত্তাৰক্ষীৰ বাধাত ক্ষুব্ধ একাংশ ৰাইজে বেগৰ পৰা বিলাহী উলিয়াই ৰাষ্ট্ৰপতিলৈ দলিয়াবলৈ ধৰে। অৱশ্যে তৎপৰতাৰে নিৰাপত্তাৰক্ষীয়ে মেক্ৰঁ'ক ক্ষুব্ধ ৰাইজৰ মাজৰ পৰা উলিয়াই আনিবলৈ সফল হয়। উল্লেখ্য যে পূৰ্বেও একাধিকবাৰ মেক্ৰঁ' ৰাজহুৱা স্থানত অপদস্থ হৈছিল। যোৱা বছৰত ড্ৰ'ম অঞ্চলত স্থানীয় লোকক সাক্ষাৎ কৰাৰ সময়ত এজন লোকে মেক্ৰঁ'ক চৰিয়াইছিল। তদুপৰি যোৱা বছৰতে লয়'ন অঞ্চলত এজন ব্যক্তিয়ে মেক্ৰঁ'ক কণী দলিয়াই আক্ৰমণ কৰিছিল। কিছুদিন পূৰ্বে মেক্ৰঁ' ফ্ৰান্সৰ ৰাষ্ট্ৰপতি হিচাপে দ্বিতীয়বাৰলৈ নিৰ্বাচিত হৈছিল।

## ২৫০০ কিলোমিটাৰ পথ-৩০০ দলং হ'ল ধ্বংস
## ৬০০ বিলিয়ন ডলাৰৰ ক্ষতি ইউক্ৰেইনৰ



**নিউজ ব্যুৰ', কীভ, ২৮ এপ্ৰিল ঃ** ৰাছিয়াই বিগত দুমাহ ধৰি অব্যাহত ৰখা আক্ৰমণৰ ফলত ইউক্ৰেইনৰ অৰ্থনৈতিক প্ৰভূত ক্ষতি হ'ল। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে দাবী কৰা অনুসৰি ৰাছিয়াৰ ধাৰাবাহিক আক্ৰমণত বৰ্তমানলৈকে ইউক্ৰেইনৰ ৬০০ বিলিয়ন ডলাৰতকৈ অধিক ক্ষতি হ'ল। ৰুছ আক্ৰমণত চূৰ্ণ-বিচুৰ্ণ হ'ল ইউক্ৰেইনৰ সহস্ৰাধিক উদ্যোগ তথা ব্যৱসায়িক প্ৰতিষ্ঠান। তদুপৰি ৰাছিয়াৰ বোমা আক্ৰমণৰ ঘটনাত ইউক্ৰেইনৰ ২৫০০ কিলোমিটাৰৰ পথৰ লগতে ৩০০ খন দলং ধ্বংস হৈছে। অৱশ্যে ৰাছিয়াৰো অৰ্থনীতিত এই যুদ্ধই নেতিবাচক প্ৰভাৱ পেলাইছে। প্ৰকাশিত বাতৰি অনুসৰি পশ্চিম বিশ্বৰ দেশে নিষেধাজ্ঞা আৰোপ কৰাৰ ফলত ৰাছিয়াৰ তৈল উৎপাদন বাধাগ্ৰস্ত হৈছে। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ তথ্যত উল্লেখ কৰা মতে, ৰুছ বেংক আৰু জাহাজৰ বিৰুদ্ধে পশ্চিম বিশ্বই নিষেধাজ্ঞা আৰোপ কৰাৰ পৰিণতিত চলিত বৰ্ষত দেশখনৰ তৈল উৎপাদন ১৭ শতাংশ হ্ৰাস পালে।

### অখিলেশ যাদৱে বিদেশলৈ পলায়নৰ প্ৰস্তুতি চলাইছে

## প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰী হোৱাৰ স্বপ্ন দেখিলেও ৰাষ্ট্ৰপতি হোৱাৰ আকাংক্ষা নাই ঃ মায়াৱতী



**নিউজ ব্যুৰ' লক্ষ্ণৌ, ২৮ এপ্ৰিল ঃ** বহুজন সমাজ পাৰ্টিৰ মুৰব্বী মায়াৱতীয়ে আজি সমাজবাদী পাৰ্টিক কঠোৰভাৱে সমালোচনা কৰিলে। মায়াৱতীয়ে কয় যে সমাজবাদী পাৰ্টিয়ে কেতিয়াও পুনৰ ক্ষমতা দখল কৰিব নোৱাৰিলে আৰু দলৰ মুৰব্বী অখিলেশ যাদৱে বিদেশলৈ পলায়নৰ প্ৰস্তুতি চলাইছে। মায়াৱতীয়ে লগতে কয় যে তেওঁ কেতিয়াও ৰাষ্ট্ৰপতি হোৱাৰ সপোন দেখা নাই। লক্ষ্ণৌত সংবাদ মাধ্যমৰ আগত অখিলেশক কটাক্ষ কৰি মায়াৱতীয়ে কয়, 'সমাজবাদী পাৰ্টিৰ ক্ষমতালৈ প্ৰত্যাৱৰ্তনৰ কোনো সম্ভাৱনা নাই। অখিলেশ যাদৱে বিদেশলৈ পলায়নৰ বাবে সাজু হৈছে। মই দেশৰ প্ৰধানমন্ত্ৰী অথবা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হোৱাৰ সপোন দেখিব পাৰো, কিন্তু ৰাষ্ট্ৰপতি হোৱাৰ সপোন কেতিয়াও দেখা নাই। সমাজবাদী পাৰ্টিয়ে মোৰ বিৰুদ্ধে অপপ্ৰচাৰত লিপ্ত হৈছে। মুছলমান, দলিতসকলৰ ভোটত যথেষ্ট শক্তি আছে আৰু এইসকল লোক একত্ৰিত হ'লে মোক তেওঁলোকে মুখ্যমন্ত্ৰী পাতিব পাৰিব। উত্তৰ প্ৰদেশৰ মুছলমানসকলে সমাজবাদী পাৰ্টিক ভাল নাপায়। মোক বিজেপিয়ে ৰাষ্ট্ৰপতি পাতিব বুলি সমাজবাদী পাৰ্টিয়ে কৰা অভিযোগ একেবাৰে ভিত্তিহীন। কিয়নো মই প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰী হোৱাৰহে সপোন দেখো।'

## ৰাষ্ট্ৰভাষা বিতৰ্কত অভিনেতা অজয়ক প্ৰত্যুত্তৰ কুমাৰাস্বামীৰ
## সিদ্ধাৰমেইয়াৰ মন্তব্য ঃ হিন্দী কেতিয়াও ৰাষ্ট্ৰভাষা হ'ব নোৱাৰে



**নিউজ ব্যুৰ' বাংগালুৰু, ২৮ এপ্ৰিল ঃ** কন্নড় অভিনেতা কিচ্চা সুদীপে হিন্দী ভাষাৰ সন্দৰ্ভত অলপতে প্ৰকাশ কৰা মন্তব্যই দেশজুৰি বিতৰ্কৰ সৃষ্টি কৰিলে। সুদীপে মন্তব্য কৰি কৈছিল যে হিন্দী এতিয়া ভাৰতৰ ৰাষ্ট্ৰভাষা নহয় আৰু বলিউডে 'পেন ইণ্ডিয়া' ছবিৰ নিৰ্মাণ আৰম্ভ কৰিছে। কন্নড় অভিনেতাজনৰ হিন্দীক লৈ এই মন্তব্যৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বলিউডৰ অভিনেতা অজয় দেৱগণে কয় যে হিন্দী ৰাষ্ট্ৰভাষা আছিল, আছে আৰু থাকিব। ৰাষ্ট্ৰভাষাক লৈ সৃষ্টি হোৱা এই বিতৰ্কৰ প্ৰসংগত এইবাৰ মাত মাতিলে কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এইচ ডি কুমাৰাস্বামীয়ে। টুইট কৰি কুমাৰাস্বামীয়ে অজয় দেৱগণৰ মন্তব্যক হাস্যস্পদ আখ্যা দিয়ে। প্ৰাক্তন মুখ্যমন্ত্ৰীজনে অজয়ক তেওঁক প্ৰথমখন অভিনীত ছবিৰ কথাও সোঁৱৰাই দিলে। কুমাৰাস্বামীৰ লগতে কৰ্ণাটকৰ বিৰোধী নেতা সিদ্ধাৰমেইয়ায়ো অভিনেতা অজয়ৰ মন্তব্যৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে। সিদ্ধাৰমেইয়াই কয়, 'হিন্দী আমাৰ ৰাষ্ট্ৰভাষা কেতিয়াও নাছিল আৰু কেতিয়াও নহ'ব। আমাৰ দেশৰ ভাষাৰ ভিন্নতাক সন্মান কৰাটো প্ৰতিজন ভাৰতীয়ৰ কৰ্তব্য। সকলো ভাষাৰ নিজা এক সমৃদ্ধ ইতিহাস আছে, যাক লৈ মানুহে গৰ্ব কৰে। মই কন্নড় হিচাপে গৰ্ব অনুভৱ কৰো।' ইয়াৰ পূৰ্বে কুমাৰাস্বামীয়ে সামাজিক মাধ্যমত মন্তব্য কৰি কৈছিল, 'অজয় দেৱগণে এই কথা অনুভৱ কৰা উচিত যে কন্নড় চিনেমাই হিন্দী ছবি জগতক উৎসাহিত কৰি আহিছে। কানাড়াসকলৰ অনুপ্ৰেৰণাতে হিন্দী ছবিজগতৰ বিকাশ হৈছে। দেৱগণে এই কথা পাহৰা অনুচিত যে তেওঁৰ প্ৰথমখন ছবি 'ফুল অউৰ কাঁটে' বাংগালুৰুত এবছৰ ধৰি চলিছিল।'

## ৰাষ্ট্ৰভাষা সন্দৰ্ভত ওমৰে ক'লে ঃ এক নহয়, বিভিন্ন ভাষাৰ দেশ ভাৰত



**নিউজ ব্যুৰ', জম্মু, ২৮ এপ্ৰিল ঃ** ৰাষ্ট্ৰভাষা বিতৰ্কৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে নেচনেল কনফাৰেন্সৰ নেতা ওমৰ আব্দুল্লাই। আব্দুল্লাই কয় যে ভাৰত এক নিৰ্দিষ্ট ভাষাৰ দেশ নহয়, বৰঞ্চ এইখন হৈছে একাধিক ভাষাৰ দেশ। 'ভাৰত এক ৰাষ্ট্ৰভাষাৰ বাবে বহু বিভিন্নতাৰ দেশ। ভাৰতে সকলো ভাষাকে সমান স্থান দি আহিছে। ভাৰতৰ নোটত সকলো ভাষাক স্থান দিয়া হয় আৰু ইয়াৰ জৰিয়তে বুজোৱা হৈছে যে আমি কেৱল এক ভাষা, সংস্কৃতি আৰু ধৰ্মৰ উৰ্ধ্বত আছো।'

## তিনি হেজাৰৰ অধিক হ'ল দেশৰ দৈনিক সংক্ৰমণ, মৃত্যু ৩৯ৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ এপ্ৰিল ঃ** এসপ্তাহ ধৰি দেশৰ দৈনিক সংক্ৰমণ তিনি হেজাৰৰ তলত থকাৰ পাছত যোৱা ২৪ ঘণ্টাত ক'ভিড সংক্ৰমণ এই সীমা অতিক্ৰম কৰিলে। বিগত এদিনত ভাৰতত ৩,৩০৩ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। বুধবাৰে সংক্ৰমিতৰ সংখ্যা আছিল ২,৯২৭ জন। দৈনিক সংক্ৰমণৰ হাৰো যোৱা ২৪ ঘণ্টাত ০.৬৬ শতাংশলৈ বৃদ্ধি পালে। বৰ্তমানে ভাৰতত ১৬,৯৮০ জন সক্ৰিয় ক'ভিড ৰোগী আছে। সংক্ৰমণৰ শীৰ্ষত থকা দিল্লীত বিগত এদিনত ১,৩৬৭ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। আনহাতে, হাৰিয়ানাত ৫৩৫, কেৰালাত ৩৪১ আৰু উত্তৰ প্ৰদেশত ২৫৮ জন লোক বিগত এদিনত ক'ভিড আক্ৰান্ত হ'ল। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ক'ভিডে প্ৰাণ কাঢ়িলে ৩৯ জন লোকৰ। অৱশ্যে মৃতকৰ মাজত কেৰালাত পূৰ্বে নথিভুক্ত নোহোৱা মৃত ৩৬ জন ক'ভিড ৰোগীও আছে।

## আমেৰিকা নহয়, পূৰ্বৰে পৰা ভাৰতৰ কাষত আছিল ৰাছিয়া ঃ 'ভুল' বুজি পালে ব্লিংকনে



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ এপ্ৰিল ঃ** দীৰ্ঘদিন ধৰি ভাৰতৰ কাষত থিয় দি আহিছে ৰাছিয়াই। সেই সময়ত আমেৰিকাই ভাৰতক বিশেষ সহযোগিতা আগবঢ়োৱা নাছিল। অতীতৰ এই ভুল কাৰ্যতঃ স্বীকাৰ কৰিলে আমেৰিকাৰ বৈদেশিক সচিব এণ্টনি ব্লিংকনে। একাধিক বিষয়ত মতপাৰ্থক্য হ'লেও আগন্তুক দিনত ভাৰতৰ স'তে আমেৰিকাৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী হ'ব বুলি আশা প্ৰকাশ কৰিলে মাৰ্কিন বৈদেশিক সচিবজনে। প্ৰয়োজনত ৰাছিয়াই সদায়ে ভাৰতক সহায়-সহযোগিতা আগবঢ়াই আহিছে আৰু পূৰ্বে এনে ভূমিকা গ্ৰহণ কৰা নাছিল আমেৰিকাই। আমেৰিকাৰ এই ভুল কাৰ্যতঃ স্বীকাৰ কৰি ব্লিংকনে ভাৰত আৰু আমেৰিকাৰ সম্পৰ্কৰ সন্দৰ্ভত ছিনেটৰ সদস্য উইলিয়াম হেগাৰ্টিৰ এক প্ৰশ্নৰ উত্তৰ দি এইদৰে কয়, 'কে'বা দশক ধৰি ভাৰতৰ স'তে ৰাছিয়াৰ দ্বিপাক্ষিক সম্পৰ্ক আছে। প্ৰয়োজনত ভাৰতৰ সহযোগী হৈ উঠিছিল ৰাছিয়াই। আমি যেতিয়া ভাৰতৰ স'তে সম্পৰ্কত নাছিলো, তেতিয়া পছন্দৰ সহযোগী আছিল ৰাছিয়া। আমি এতিয়া এই বিষয়ত মনোযোগ দিছো। আমেৰিকা আৰু ভাৰতৰ মাজত এতিয়া কৌশলগত সম্পৰ্ক শক্তিশালী হৈছে। অৱশ্যে এই সম্পৰ্কত এক গুৰুত্বপূৰ্ণ অংশ হৈছে চীন। আগন্তুক কেইদশকমানত ভাৰত আমেৰিকাৰ সম্পৰ্ক বিশ্বৰ অন্যতম গুৰুত্বপূৰ্ণ আৰু মৌলিক সম্পৰ্কত পৰিণত হ'ব পাৰে। তেনে সম্ভাৱনা আছে।'

## পোলেণ্ড-বুলগেৰিয়ালৈ গেছৰ যোগান বন্ধ কৰিলে ৰাছিয়াই



**নিউজ ব্যুৰ', মস্কো, ২৮ এপ্ৰিল ঃ** অৱশেষত সত্য প্ৰমাণিত হ'ল আশংকা। পোলেণ্ড আৰু বুলগেৰিয়ালৈ গেছৰ যোগান বন্ধ কৰিলে ৰাছিয়াই। কালি ৰাছিয়াৰ চৰকাৰী তেল আৰু গেছ উৎপাদনকাৰী সংস্থা গাজপ্ৰমে ঘোষণা কৰা অনুসৰি ধন লাভ নকৰা হেতুকে দুখন প্ৰতিবেশী দেশ পোলেণ্ড আৰু বুলগেৰিয়ালৈ ৰাছিয়াই গেছৰ যোগান বন্ধ কৰিছে। সংবাদ মাধ্যমৰ খবৰ অনুসৰি, গেছৰ মূল্য আদায়ৰ ক্ষেত্ৰত ৰুছ মুদ্ৰা ৰুবেল ব্যৱহাৰ কৰিবলৈ মস্কোৱে দাবী জনাই আহিছে। কিন্তু এই দাবী কৰ্ণপাত কৰা নাই পোলেণ্ড আৰু বুলগেৰিয়াই। ফলত প্ৰতিবেশী দুই দেশলৈ গেছৰ যোগান বন্ধ কৰিলে ৰাছিয়াই। গাজপ্ৰমে প্ৰকাশ কৰা অনুসৰি যোৱা পহিলা এপ্ৰিলৰ পৰা পোলেণ্ড আৰু বুলগেৰিয়াই ইন্ধনৰ মূল্য ৰাছিয়াক আদায় দিয়া নাই আৰু সেয়েহে বুধবাৰৰ পৰা দেশ দুখনলৈ গেছৰ যোগান বন্ধ কৰা হ'ল।

## আঢ়ৈ কোটিটকীয়া প্ৰবঞ্চনাৰ গোচৰত অভিনেত্ৰী অমিষাৰ বিৰুদ্ধে শুনানি আৰম্ভ

**নিউজ ব্যুৰ', ৰাঁচী, ২৮ এপ্ৰিল ঃ** বলিউডৰ অভিনেত্ৰী অমিষা পেটেলৰ বিৰুদ্ধে ঝাৰখণ্ড উচ্চ ন্যায়ালয়ত বিত্তীয় প্ৰবঞ্চনাৰ এটি গোচৰৰ শুনানি আৰম্ভ হ'ল। শুনানিৰ সময়ত অভিনেত্ৰীগৰাকীৰ অধিবক্তাই উত্তৰ দিয়াৰ বাবে আদালতৰ পৰা অধিক সময় বিচাৰে আৰু আদালতে এই দাবী স্বীকাৰ কৰে। এই গোচৰৰ পৰৱৰ্তী শুনানি অহা পাঁচ মে'ত আদালতে গ্ৰহণ কৰিব। উল্লেখ্য যে ৰাঁচীৰ হৰমুনিবাসী অজয় কুমাৰ সিং নামৰ এজন ব্যক্তিয়ে অমিষাই আঢ়ৈ কোটি টকাৰ বিত্তীয় প্ৰবঞ্চনা কৰাৰ অভিযোগ উত্থাপন কৰিছিল। সিঙৰ অভিযোগ অনুসৰি চলচ্চিত্ৰ নিৰ্মাণৰ বাবদ অভিনেত্ৰীগৰাকীয়ে তেওঁৰ পৰা উক্ত ধনৰাশি লৈছিল যদিও ছবিত বিনিয়োগ কৰা নাছিল আৰু তেওঁক উভতাই নিদিলে। অমিষাই সিঙক দিয়া চেক একাধিকবাৰ বাউঞ্চ হোৱাৰ পাছত তেওঁ অভিনেত্ৰীগৰাকীৰ বিৰুদ্ধে বিত্তীয় প্ৰবঞ্চনাৰ গোচৰ তৰে।



দৈনিক অগ্ৰদূত

# জীৱন জিজ্ঞাসা



# পৰজীৱনৰ চিন্তা

## দুষ্কৃতিৰ বিনাশ সাধন কৰিব পাৰিলেহে সংস্কৃতিয়ে ভুমুকি মাৰিব

**ড° গিৰীশ বৰুৱা**

**মই** পৰজীৱন বা পৰজন্মক বিশ্বাস নকৰো। পূৰ্বজন্মকো নকৰো। কিন্তু প্ৰাকল্পিক ভাবে মই এটা চিন্তা কৰিব পাৰো। সি হ'ল যদি মই পৰজন্ম লওঁ সেই জন্মত মই কি কৰিম? প্ৰশ্নটো এক ডাঙৰ প্ৰশ্ন। তাৰ ওপৰতে অলপ আলোচনা কৰিবলৈ ওলাইছো।

মানুহে এটা জীৱনত সকলোবোৰ কাম কৰিব নোৱাৰে। এটা জীৱনতে মানুহৰ সকলোবোৰ অভাবো পূৰণ নহয়, বা সকলোবোৰ বিচৰাকে পোৱা নাযায় গতিকে জীৱনটো আধৰুৱা হৈয়ে ৰয়। এই আধৰুৱা জীৱন পূৰ্ণ কৰিবলৈ বহু জন্মৰ দৰকাৰ।

গীতাই বহু জন্ম ধৰা কথাটো বিশ্বাস কৰে। চতুৰ্থ অধ্যায়ৰ পঞ্চম শ্লোকত ভগৱানে কৈছে যে তেওঁ আৰু অৰ্জুন বহুত জন্ম অতিক্ৰম কৰি আহিছে; কিন্তু ভগৱানে তেওঁৰ অতীতৰ জন্মবোৰৰ কথা জানে, কিন্তু মানুহে নাজানে। কিছুমান মানুহৰ জাতিস্মৰ আছে বুলি বিশ্বাস কৰা হয়।

এইবোৰ শাস্ত্ৰীয় কথা বাদ দি এতিয়া আচল কথালৈ আহো। ধৰি লওঁ মোৰ ভৱিষ্যৎ জীৱন আছে। আৰু এটা যদি মই জন্ম পাওঁ তেন্তে সেই জন্মত মই কি কৰিম। এই ক্ষেত্ৰত মোৰ নিজৰ কথাই ক'ব লাগিব।

মোৰ এতিয়া ৮২ বছৰ হ'ল। গতিকে আৰু যি কেইদিন জীয়াই থাকিম মই আৰু বেছি কাম কৰিব নোৱাৰিম। সেয়ে মোৰ আধৰুৱা জীৱন আৰু কৰ্ম সম্পূৰ্ণ কৰিব লাগিব ভৱিষ্যৎ জীৱনত। মই মোৰ বৰ্তমান জীৱনটোত কি আছিলো সেই কথাই নিৰ্ণয় কৰিব মোৰ ভৱিষ্যত জীৱনটো কেনেকুৱা হ'ব বা মই ভৱিষ্যত জীৱনত কি কৰিম।

বৰ্তমান জীৱনতো মই এজন দৰ্শনৰ মানুহ আছিলো। দৰ্শন চিন্তা মোৰ আশৈশৱ নিচা। মোৰ মনত পৰা কালৰে পৰা দৰ্শন চিন্তাই মোক লগ এৰা নাই। অৱশ্যে এই কথা মই ভালকৈ ক'ব নোৱাৰো যে মোৰ এই নিচা জন্মগত নে, নে মোৰ ঘৰুৱা পৰিস্থিতিয়ে গঢ় দিছিল।

আমাৰ ঘৰখন পূজা-সেৱা কৰা লোকৰ ঘৰ। আমাৰ ঘৰত এখন ৰজাদিনীয়া গোসাঁনী থান আছে। ১৭৪৪ খ্ৰীঃত এই থানখন শিৱসিংহ ৰজাই তামৰ ফলিসহ মোৰ আজু-আজু ককা বাণেশ্বৰ বৰুৱাক দান কৰিছিল। তেতিয়াৰ পৰা এতিয়ালৈকে মহা ধুমধামেৰে এই থানত পূজা সেৱা চলি আছে। থানখন দেৰগাঁৱৰ ভৱানীপুৰত অৱস্থিত।

সৰুতে মই দেউতাক পূজা ঘৰত নানা ধৰণে আলপৈচান ধৰিব লগাত পৰিছিলো। ফুল তুলিব লাগিছিল, চন্দন পিহিব লাগিছিল, ডবা-কাঁহ বজাব লাগিছিল ইত্যাদি। এই কামবোৰ মই ভাল নাপাইছিলো, কাৰণ এই কামবোৰে মোৰ পঢ়াৰ সময় বহুত খৰচ কৰিছিল। মই ভাল পোৱা কামটো আছিল কিতাপ পঢ়া, পূজা-সেৱা কৰা নহয়।

তেতিয়াই মোৰ মনত এটা প্ৰশ্ন জাগিছিল- দেউতাই যে এই পূজা-সেৱা কৰিছিল তাৰ কিবা অৰ্থ আছে জানো। পিতলৰ মূৰ্তিটোৰ আগত দেউতাই ঘণ্টা জুৰি পূজা কৰা কথাটোৱে মোক আমনি দিছিল। অথচ দেউতাৰ সেই কামত বাধা দিয়াৰো মোৰ সাহস নাছিল বা দেউতাৰ ভক্তিবাদী মনটোত মই ব্যাঘাত জন্মাবলৈ ইচ্ছাও কৰা নাছিলো। কিন্তু ভিতৰি ভিতৰি মোৰ মনত এক বিপ্লৱী মনোভাবে বাহ ল'লে। দেউতাৰ এই পূজা-সেৱাৰ বাবেই আমাৰ ঘৰুৱা অৱস্থা বৰ বেয়া হৈছিল। মই সপ্তম শ্ৰেণীত পঢ়ি থাকোতেই লোকৰ ঘৰত টিউচন কৰি মোৰ পঢ়া খৰচ উলিয়াব লগা হৈছিল। মই যি ঘৰত টিউচন কৰিছিলো সেই ঘৰখন অ'.বি.চি. (Other Backward Class) শ্ৰেণীৰ পৰিয়ালৰ আছিল। তেওঁলোকৰ ছোৱালী দুজনীয়ে বৃত্তিৰ টকাৰে দামী ঘড়ী কিনি আনি মোক দেখুৱাইছিল। অথচ মই বামুণৰ ঘৰৰ ল'ৰা হোৱা বাবে লোকৰ বাহী চোতাল গচকি টিউচন কৰিবলৈ যাব লগা হৈছিল। গতিকে পূজা-পাতল কৰাৰ প্ৰতি মোৰ বিতৃষ্ণা জাগিছিল। মই নাস্তিক হৈ পৰিছিলো।

মোক কোনোবাই ক'লে যে দৰ্শন পঢ়িলে হেনো ঈশ্বৰ আছে নে নাই তাৰ কথা পোৱা যায়। ঈশ্বৰ অস্তিত্বৰ প্ৰতি সৰু কালতেই মোৰ মনত এটা ডাঙৰ প্ৰশ্নবোধক চিনৰ জন্ম হৈছিল। গতিকে উক্ত মানুহজনৰ পৰামৰ্শ মতেই মই ভৱিষ্যতে দৰ্শন পঢ়িম বুলি মন বান্ধি ল'লো আৰু সেই মতে পঢ়িলোও।

১৯৭৩ তেই ভূপেন হাজৰিকাই সম্পাদনা কৰা 'আমাৰ প্ৰতিনিধি'ত মই 'ঈশ্বৰ প্ৰকৃততে আছেনে?' শীৰ্ষক এটি প্ৰবন্ধ লিখিছিলো। তেতিয়াৰ পৰাই মই নাস্তিকধৰ্মী বহুতো কথাবাৰ্তা লিখিছো।

মোৰ অনুসন্ধিৎসু মন এটা সৰুৰে পৰাই পুহি ৰাখিছিলো। মোৰ কেইজনমান মাৰৱাৰী বন্ধু আছিল। তেওঁলোকৰ পৰা গম পালো যে দিল্লীত Divine Light Mission বুলি এটা গোষ্ঠী ওলাইছে আৰু তেওঁলোকে বোলে ঈশ্বৰক পোনে পোনে দেখুৱাব পাৰে। তেওঁলোকৰ কথাত ভোল গৈ মই দিল্লী পালোগৈ, আৰু তাত বহা উক্ত মিছনৰ সভাবোৰত যোগ দিলো। কিন্তু তাত গৈ দেখিলো যে তেওঁলোকৰ সকলোবোৰ কথা মিছা, ভাওকী, মানুহৰ পৰা টকা-পইচা সৰকোৱাৰ বুদ্ধিহে। মই বিফল মনোৰথেৰে ঘূৰি আহিলো। কিন্তু মোৰ এটা লাভ হ'ল, সি হ'ল ঈশ্বৰ যে নাই এই বিশ্বাসত মই দৃঢ় হ'লো।

দৰ্শনৰ প্ৰতি মোৰ মোহ বাঢ়িবলৈ ধৰিলে। দৰ্শনৰ বাহিৰে মোৰ একোতেই মন নবঢ়া হ'ল। ইতিমধ্যে মই কাৰ্ল মাৰ্ক্সৰ কিতাপবোৰ পঢ়িবলৈ ল'লো। মাৰ্ক্সে এঠাইত লিখিছিল, 'There could be no headway without philosophy-' তেওঁ আৰু লিখিছিল, 'The first necessity for philosophical investigation is a bold, free mind.' সঁচা কথা দৰ্শন নোহোৱাকৈ এখোজো আগবাঢ়ি নোৱাৰি। লগতে দৰ্শনৰ অনুসন্ধান কৰা জনৰ মনটো সাহসী আৰু মুক্ত হ'ব লাগিব। এক মুক্ত পৰিবেশতহে দৰ্শন চিন্তা সম্ভৱ হয়।

মই সমগ্ৰ জীৱনটোৱেই দৰ্শন চিন্তাত পাৰ কৰিলো। কিন্তু এই চিন্তাও আধৰুৱা হৈ ৰ'ল। কবিয়ে গাইছিল,

'Art is long, and Time is fleeting
And our hearts, though stout and brave,
Still, like muffled drums are beating
Funral marches to the grave.'(Longfellow)

সঁচাই কৰ্ম বহুত, কিন্তু সময় তাকৰীয়া। প্ৰতি মুহূৰ্ততে আমি মৃত্যুৰ ফালে আগুৱাই গৈ আছো।

মাৰ্ক্সে অনুভৱ কৰিছিল যে তেওঁ যেতিয়া Das Kapital লিখিবলৈ লয় তেতিয়া দেখিলে যে তেওঁৰ দাৰ্শনিক জ্ঞান বৰ কম। গতিকে তেওঁ উৰাই-ঘূৰাই দৰ্শন পঢ়িবলৈ ধৰিলে। ডেকাৰ্ট বুলি দাৰ্শনিকজনে কৈছিল,'Cogito ergo Sum' অৰ্থাৎ 'I think, therefore, I am' (মই চিন্তা কৰো, সেয়ে মই আছো)। এৰিষ্টোটলে কৈছিল 'মানুহ এক চিন্তা কৰা প্ৰাণী।' হয় মানুহে চিন্তা নকৰাকৈ থাকিব নোৱাৰে, লাগিলে সেই চিন্তা যিমানেই স্থুল নহওক লাগে। চিন্তাবিহীন জীৱন পশুতুল্য। দৰ্শনে কাৰ্লমাৰ্ক্সক চিন্তা দিলে আৰু সেই চিন্তাৰেই তেওঁ তিনিটা খণ্ডৰ Das Kapital লিখিলে।

গতিকে মই আশা কৰো যে মোৰ ভৱিষ্যত জীৱন যেন চিন্তাৰে ভৰি পৰক। খাওঁতে-বওঁতে, উঠোতে-বহোতে মই যেন কেৱল চিন্তাহে কৰিব পাৰো। তাৰ বাবে অৰ্থনৈতিকভাৱে মোক এক স্বচ্ছল জীৱন লাগিব। বৰ্তমানৰ জীৱনটোৰ সৰু ডোখৰত মোৰ অস্বচ্ছলতাৰ বাবেই মোৰ চিন্তাত ব্যাঘাত জন্মিছিল। সংসাৰ চলোৱাৰ ধামখুমীয়াত মোৰ দাৰ্শনিক চিন্তাই পলাই ফাট মাৰিছিল। অৱশ্যে মই হাৰি যোৱা নাছিলো। জীৱন যুদ্ধত আগবাঢ়ি যাবলৈ মোক দাৰ্শনিক মনটোৱে প্ৰেৰণা দিছিল।

ইংৰাজীত এষাৰ কথা আছে, 'Nothing comes to an unprepared mind.' অৰ্থাৎ সাজু হৈ নথকা মনলৈ একোৱেই নাহে। কিবা এটা কৰিবলৈ আমাৰ মনটোক সাজু ৰাখিব লাগিব। আকৌ কোৱা হয়, 'কান্দিলেহে কল পায়'। প্ৰচেষ্টাৰ বিনা একো হাচিল নহয়। Effort জীৱনৰ বাবে এক আৱশ্যকীয় কথা। সাঁতুৰিবলৈ যোৱাৰ আগতে সাঁতুৰিবলৈ শিকি ল'ব লাগিব; সাঁতুৰিবলৈ নিশিকা মানুহে দ পানীত জাঁপ মাৰিলে ডুবি মৰিব।

গতিকে মই বৰ্তমানৰ জীৱনটোক এক Preparatory Life বুলি ভাবো। এইটো জীৱনত মই যিবোৰ কথা শিকিলো সেইবোৰ ভৱিষ্যত জীৱনত কামত লগাব লাগিব। মই আৰ্থিক উন্নতি কৰাতকৈ চিন্তাৰে পৰিপুষ্ট হ'ব বিচাৰো, চিন্তাৰ সৌষ্ঠৱ বঢ়াব বিচাৰো।

মোৰ পাছৰ জীৱনত পৃথিৱীখন আজিৰ দৰে হৈ থাকে নে নাই নাজানো। সেই জীৱনত হয়তো মই আশা কৰা পৃথিৱীখন নাপাবও পাৰো, ঠিক যেনেকৈ ৰিপ ভান উইংকলে ২০ বছৰৰ পাহাৰত শুই থাকি ঘূৰি আহি দেখিলে এখন ওলোটা পৃথিৱী। পৃথিৱীখন তেওঁৰ বাবে বৰ আচহুৱা লাগিল। মোৰো তেনেকুৱা হ'ব পাৰে। যদি ভৱিষ্যত জীৱনত মোৰ এই জীৱনৰ কথা মনত থাকে, তেন্তে পাৰ্থক্যটোৱে সহজতে মোৰ চকুৰ আগত দেখা দিব। গতিকে মই আজিৰ মনটো লৈ হয়তো অহাটো জীৱনত তিষ্ঠি থাকিব নোৱাৰিম। মোৰ মনটোক সলনি কৰি ল'ব লাগিব। তাৰ বাবে এই জীৱনতেই প্ৰস্তুতি চলাব লাগিব।

কিছুমান দাৰ্শনিক কথা অনুশীলন কৰিবলৈ টান, অৰ্থাৎ বাস্তৱত পৰিণত কৰিবলৈ বা অভ্যাস কৰিবলৈ টান, ঠিক যেনেকৈ শংকৰদেৱে শিকোৱা নিষ্কাম ভক্তিক অনুশীলন কৰিবলৈ টান। বহুতো ধৰ্মীয় কথা শুনিবলৈ ভাল, কিন্তু অনুশীলন কৰিবলৈ অসুবিধা। বাস্তৱ পৰিস্থিতিয়ে সেইবোৰক অনুশীলন বা অভ্যাস কৰিবলৈ বাধা দিয়ে।

দাৰ্শনিক এজন সাধাৰণতে সমাজত আচহুৱা ব্যক্তি হয়। তেওঁ যেন আনৰ লগত নিমিলে। তেওঁ যেন নিজৰ চিন্তাতে বিভোৰ হৈ থাকে। কেতিয়াবা খাবলৈও পাহৰি যায়। তেওঁৰ অৱস্থা আৰ্কিমিদিছৰ দৰে হ'ব পাৰে, আপেক্ষিক গুৰুত্বৰ মৰ্ম গা-ধোৱা ঘৰত উপলব্ধি কৰি নাঙঠ অৱস্থাতে পালো পালো বুলি বাহিৰলৈ ওলাই আহিব পাৰে।

দাৰ্শনিক এজন কিছু অন্যমনস্ক হোৱাটো স্বাভাৱিক; কাৰণ তেওঁ এইখন জগতত নাথাকে। তেওঁ চিন্তাৰ জগতত উটি-ভাহি ফুৰে। তেওঁৰ চিন্তাক বহুতে অবাস্তৱ বুলি কয়। ৰৈ থকা বস্তু এটাক গৈ থকা বুলি ক'লে মানুহে তেওঁক পাগল বুলি কয়। কিন্তু পৃথিৱীৰ ওপৰত থকা বস্তু এটা ৰৈ থকা যেন দেখিলেও আচলতে সি গৈ থাকে, কাৰণ পৃথিৱীখন অনবৰতে ঘূৰি থাকে। অন্য গ্ৰহৰ পৰা সেই বস্তুটো চালে খুব জোৰত গৈ থকা দেখা যাব।

এতিয়া কথা হ'ল মই ভৱিষ্যতৰ জীৱনলৈ শুদা হাতে যামনে কিবা লৈ যাম। কিবা লৈ যাব পাৰিম নে? যদিহে লৈ যাব নোৱাৰো তেন্তে মই তাত নতুনকৈ আৰম্ভ কৰিব লাগিব। মই এক নতুন জীৱন-যাপন কৰিব লাগিব। যদি ভৱিষ্যত জীৱনৰ এই জীৱনৰ লগত কোনো সম্পৰ্ক নাথাকে তেন্তে মই সম্পূৰ্ণৰূপে এক নতুন জন্ম ধৰিম। এই নতুন জন্মত মই জীৱনটোক নতুনকৈ আৰম্ভ কৰিব লাগিব।

এলবাৰ্ট আইনষ্টাইনে কৈছিল, 'Be a loner. That gives you time to wonder, to search for the truth. Have holy curiosity. Make your life worth living.' সুন্দৰ কথা। জীৱনটোক কেতিয়াও অথলে যাবলৈ দিব নোৱাৰি। আমাৰ কৰ্মেৰে, আমাৰ জ্ঞানেৰে, আমাৰ চিন্তাৰে ইয়াক অৰ্থবহ কৰি তুলিবলৈ চেষ্টা কৰিব লাগে। ইয়াকে কৰিবলৈ যাওঁতে কিছু অকলশৰীয়াকৈ থকা দৰকাৰ। নিৰলে চিন্তা কৰাত মাদকতা আছে। আইনষ্টাইনে কোৱাৰ দৰে যদি সত্যৰে আন্বেষণ কৰো তেতিয়াহে জীয়াই থকাৰ সাৰ্থকতা থাকিব। মহাত্মা গান্ধীয়ে সত্যৰ অনুসন্ধান কৰিয়েই জীৱনটো কটালে।

মই ভাবিছো অহা জীৱনটোত মই দৰ্শনকে সাৰথি কৰি লৈ আগবাঢ়িম। দৰ্শনৰ ক্ষেত্ৰত কেতিয়াও মোৰ মোহভংগ হোৱা নাই। দৰ্শনক মই অলাগতিয়াল বুলি নাভাবো। গতিকে আশা কৰিছো যে অহা জন্মত যেন মই এক দাৰ্শনিক মন লৈয়ে জন্ম গ্ৰহণ কৰো।

দৰ্শন মানে দেখা, তৃতীয় চকুৰে অৰ্থাৎ মানসিক চকুৰে সত্যক দেখা। আমাৰ চৰ্ম চক্ষুৰে দেখা জগতখন সঁচা নহ'বও পাৰে। কবিয়ে গাইছিল, 'The things are not what they seem.' অৰ্থাৎ বস্তুবোৰৰ বাহ্য অৱয়ব সেইবোৰৰ আচল ৰূপ নহ'বও পাৰে। আমি যদিও স্থূল বস্তু এটাক দেখো তথাপি সি কিছুমান ইলেকট্ৰন, প্ৰ'টন আদিৰে তৈয়াৰী। আমাৰ প্ৰায়ে দৃষ্টি ভ্ৰম ঘটে। সেয়ে মায়াৰ জাল ফালি আমি আচল সত্যক উদঘাটন কৰিবলৈ চেষ্টা কৰিব লাগিব। তাৰ বাবে প্ৰচেষ্টা দৰকাৰ।

কথাতে কয় বোলে ভুকুতে কলটো নপকে। ইংৰাজীতো কয়, 'Rome was not built in a day.' সঁচা কথা। ঘপহকৈ কোনো কামেই নহয়। সেয়ে আমি ফলাফললৈ বাট চাব লাগিব। ফলাফল ঘপহকৈ নাহে। শাওণত ৰোৱা ধানখিনি শাওণতে নপকে; আঘোণলৈ বাট চাব লাগিব। সেয়ে কোৱা হৈছে, 'Learn to labour and to wait.' তুমি শ্ৰমহে কৰি যোৱা, কাৰণ তোমাৰ অধিকাৰ শ্ৰমতহে, ফলত নহয়। এই কথাবোৰ মই আয়ত্ত কৰিবলৈ চেষ্টা কৰি আছো। কিন্তু সম্পূৰ্ণ সফলতা লাভ কৰিব পৰা নাই। অহা জন্মত পাৰিম বুলি আশা কৰিছো। আমাৰ বৰ্তমানৰ জীৱন অসম্পূৰ্ণ। হয়তো ভৱিষ্যতৰ কেইবাটাও জীৱন অতিক্ৰম কৰিলেহে পূৰ্ণতা আহিব পাৰে। কিন্তু পূৰ্ণতা আহিলেই সকলো শেষ। তেতিয়া কৰিবলগীয়া একো নাথাকে। গতিকে জীৱনৰ মাদকতা থাকে পূৰ্ণতা প্ৰাপ্তিৰ প্ৰচেষ্টাতহে; পূৰ্ণতা প্ৰাপ্তিত নহয়। সেয়ে কবিয়ে পখিলাটো ধৰিবলৈ হাক দিছে। কাৰণ ধৰিলেই তাৰ সৌন্দৰ্য নাশ পাব। গতিকে পখিলাটো খেদিবলৈহে কৈছে, ধৰিবলৈ কোৱা নাই।

> এৰিষ্টোটলে কৈছিল "মানুহ এক চিন্তা কৰা প্ৰাণী।" হয় মানুহে চিন্তা নকৰাকৈ থাকিব নোৱাৰে, লাগিলে সেই চিন্তা যিমানেই স্থুল নহওক লাগে। চিন্তাবিহীন জীৱন পশুতুল্য। দৰ্শনে কাৰ্ল মাৰ্ক্সক চিন্তা দিলে আৰু সেই চিন্তাৰেই তেওঁ তিনিটা খণ্ডৰ ডাচ কেপিটেল লিখিলে।

ভাৰতীয় দৰ্শনৰ মোক্ষ প্ৰাপ্তি কথাটোৰ অৰ্থ এই পূৰ্ণতা প্ৰাপ্তি। এই দৰ্শনে কয় যে মোক্ষ প্ৰাপ্তি হ'লে পুনৰ্জন্ম নঘটে। (পুনৰ্জন্ম ন ৰিদ্যতে) সেই ইয়াত মুমুক্ষুত্বৰ কথা কোৱা হৈছে। মুমুক্ষুত্ব মানে মুক্তি প্ৰাপ্তিৰ বাবে কৰা প্ৰচেষ্টা। এই মুক্তি প্ৰাপ্তি সম্ভৱ হয় শ্ৰৱণ, মনন আৰু নিদিধ্যাসনত। শ্ৰৱণ মানে আমি বেদ-বেদাংগৰ কথা শুনিব লাগিব। মনন মানে সেইবোৰৰ ওপৰত গুণা-গঁথা কৰিব লাগিব। আৰু গুণা গঁথাৰ পাছত যি সত্যত উপনীত হোৱা যায় তাত লাগি থাকিব লাগিব। তাৰ নামেই নিদিধ্যাসন। মহাত্মা গান্ধীয়ে এবাৰ কৈছিল, 'মই ভাবি থকা কথাটো যদি অসত্য হয় তেতিয়া মই তাক তৎক্ষণাৎ এৰি দিওঁ। কিন্তু সত্য কথাটোত মই লাগি থাকো।' সুন্দৰ কথা। আমিও তেনেকুৱা হ'বলৈ যত্ন কৰিব লাগে।

গ্ৰীক দাৰ্শনিক এপিকিউৰাছে কৈছিল, 'Let not him who is young delay philosophising.' এই কথাষাৰ মাৰ্ক্সে তেওঁৰ 'Notebooks'-ত উল্লেখ কৰিছে। ইয়াৰ অৰ্থ হ'ল ল'ৰা-ছোৱালীক সৰুতেই দৰ্শনৰ শিক্ষা দিব লাগে। ডাঙৰত দৰ্শন নিশিকে। বুঢ়া শালিকাই মাত নলয়।

চিন্তা নকৰা মগজুত মামৰে ধৰে। বুদ্ধিক সক্ৰিয় কৰি ৰাখিবৰ বাবে দাৰ্শনিক চিন্তা অতীৱ লাগতিয়াল। কবিয়ে কোৱাৰ দৰে 'এই ধুনীয়া দেশত আহি / লওঁ যেন পুনৰ জনম'। মোৰো যেন অহা জন্মটো ধুনীয়া, সুন্দৰ হয় তাকেই আশা কৰিছো। জ্যোতিপ্ৰসাদে শিল্পী এজনক আদৰ্শ মানুহ বুলি ধৰিছিল; শংকৰদেৱে নিষ্কাম ভক্ত এজনক আদৰ্শ মানুহ বুলি ধৰিছিল; মই দাৰ্শনিক এজনক আদৰ্শ মানুহ বুলি ধৰো। প্লেটোৱে সকলো ৰজাই দাৰ্শনিক হ'ব লাগে বুলি কৈছিল, কাৰণ তেওঁৰ মতে দাৰ্শনিক এজনৰহে প্ৰজ্ঞা (wisdom) থাকে। মই কওঁ অকল ৰজায়েই কিয় সকলো মানুহেই দাৰ্শনিক হ'ব লাগে। মই অহা জন্মত এজন দাৰ্শনিক হ'বলৈ চেষ্টা কৰিম। এজন ঋষিতুল্য দাৰ্শনিক। আগৰ ঋষিসকল দাৰ্শনিক আছিল, কাৰণ তেওঁলোক ভৱিষ্যত দ্ৰষ্টা আছিল। সেয়ে তেওঁলোকক seer বোলা হৈছিল, যি আচল সত্যক দেখে। গতিকে মোৰ বাবে এজন আদৰ্শ মানুহ হ'ল দাৰ্শনিক।

মই এই জন্মত দাৰ্শনিক হ'ব নোৱাৰিলো। কিছু পৰিমাণে হয়তো দৰ্শনবিদ বা দৰ্শন-চিন্তক হ'ব পাৰিছো; কিন্তু এজন দাৰ্শনিক হ'ব পৰা নাই। সেয়ে অহা জন্মত দাৰ্শনিক হ'বলৈ চেষ্টা কৰিম। ছক্ৰেটিছে কৈছিল যে এজন দাৰ্শনিকে কেতিয়াও ভুল কাম বা ভুল চিন্তা কৰিব নোৱাৰে। এজন দাৰ্শনিকহে প্ৰকৃত নৈতিক মানুহ হ'ব পাৰে। সেয়ে তেওঁ কৈছিল, 'Knowledge is Virtue.' যাৰ জ্ঞান আছে তেওঁৰ সদ্‌গুণ আছে। ইয়াত জ্ঞান মানে 'ভাৰতৰ ৰাজধানী দিল্লী' এনে জ্ঞানক বুজোৱা হোৱা নাই; বুজোৱা হৈছে আন্তৰিক জ্ঞানক যাক wisdom বুলিব পৰা যায়।

ছক্ৰেটিছৰ মতে জীৱনৰ লক্ষ্য হ'ল পৰম শ্ৰেয় (summum bonum) প্ৰাপ্তি। পৰম শ্ৰেয়ক ইংৰাজীত highest good বুলি ক'ব পৰা যায়। Highest good-ক সংস্কৃতত 'শিৱম' বুলি কোৱা হয়। ভাৰতীয় দৰ্শনত সত্য, শিৱ আৰু সুন্দৰক পূৰা মাত্ৰাই আয়ত্ত কৰিব পাৰিলেই আমি পূৰ্ণতা লাভ কৰো। এই তিনিটা আমাৰ জীৱনৰ আদৰ্শ বা প্ৰমূল্য। আমি কোনোৱেই সম্পূৰ্ণৰূপে সত্য, ভাল আৰু সুন্দৰ নহয়। আমি কেতিয়াবা ভুল কৰো, মিছা কথা কওঁ, বেয়া কাম কৰো, বেয়া আচৰণ কৰো, বেয়া কথা কওঁ, আমি কুৎচিত কথা ভাবো। সেয়ে জ্যোতিপ্ৰসাদে দুষ্কৃতি এৰি সংস্কৃতিক ধৰিবলৈ কৈছিল। দুষ্কৃতিৰ বিনাশ সাধন কৰিব পাৰিলেহে সংস্কৃতিয়ে ভুমুকি মাৰিব।

দৰ্শনৰ দ্বাৰা নিৰ্দেশিত নহ'লে মানুহৰ জীৱন অথলে যায়। দৰ্শনবিহীন জীৱন গুৰি বঠাহীন নাৱৰ



দৰে। ইয়াক বতাহে য'লৈ-ত'লৈ লৈ যাব পাৰে। স্থিৰতা নাথাকে। আমাৰ জীৱনতো যদি দৰ্শন নাথাকে ই স্থিৰতাহীন হ'ব। গীতাই আমাক স্থিতপ্ৰজ্ঞ হ'বলৈ শিকাইছে; অৰ্থাৎ প্ৰজ্ঞাত স্থিত। ই সম্ভৱ হয় দৰ্শনৰ মাজেৰেহে।

জীৱনৰ লক্ষ্য স্থিৰ কৰি নল'লে জীৱন ধৰা অসাৰ। আমি পৃথিৱীৰ খালী ঠাই পূৰাবলৈ অহা নাই। আমি এক নিৰ্দিষ্ট বাৰ্তা (message) লৈ আহিছো। আমি এই বাৰ্তা ৰাইজৰ মাজত বিলাব লাগিব। কোনোবা কবি এজনে কৈছিল তুমি অকলে ভাল হৈ মৰিলেই নহ'ব, সমাজখনকো ভাল কৰিব লাগিব। মোৰ সমাজখনৰ প্ৰতি দায়িত্ব আছে; কাৰণ সমাজ এৰি মই থাকিব নোৱাৰো। গতিকে সমাজৰ কল্যাণ সধা মোৰ লক্ষ্য হ'ব লাগিব। বুদ্ধই কোৱাৰ দৰে 'বহুজন সুখায়, বহুজন হিতায়' এই মন্ত্ৰত মই দীক্ষিত হ'ব লাগিব। সকলো মানুহ সুখেৰে থকা, নিৰাপদে থকা, দুখত নথকাৰ কথা মই চিন্তা কৰিব লাগিব। 'সৰ্ব ভূত হিতে ৰতাঃ' - গীতাৰ এই মৰ্ম বাণীক উপলব্ধি কৰিব পাৰিব লাগিব।

এই জীৱনত মই ব্যক্তিগত বা পৰিয়ালগত দায়িত্ব আৰু সামাজিক দায়িত্বৰ মাজত সমতুলতা ৰক্ষা কৰি চলিব পৰা নাই। ভৱিষ্যত জীৱনত এই ক্ষেত্ৰত পূৰ্ণ সমতুলতা আনিবলৈ চেষ্টা কৰিম।

মই দৰ্শনক আকাশৰ চাংপতা কথা বুলি নাভাবো। ইয়াত কথাৰ ফুলজাৰিও নাথাকে। মই দৰ্শনক স্বৰ্গৰ পৰা মৰ্ত্যলৈ নমাই আনিব খোজো। কিন্তু এই জীৱনত মই এই ক্ষেত্ৰত বৰ সফলতা লাভ কৰিব পৰা নাই। মই এই জগতক অসত্য বুলি নাভাবো। এই জগত, এই জীৱন মোৰ বাবে দুপৰীয়াৰ সূৰ্যৰ দৰেই সত্য। সেয়ে মই এই জগত আৰু এই জীৱনৰ প্ৰতি পিঠি দিয়া কাম কেতিয়াও কৰা নাই, আৰু নকৰোও। গতিকে মই meta-physics অৰ্থাৎ অধিবিজ্ঞানক প্ৰত্যাখ্যান কৰো। মই দৰ্শনক বিজ্ঞানসন্মত কৰি গঢ়ি তুলিব খোজো।

মই সমাজত পৰম্পৰাগতভাৱে যিবোৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰ চলি আছে তাৰ অৱসান হোৱাটো বিচাৰো। এই বিষয়ে মই ইংৰাজী আৰু অসমীয়াত 'Scientific Temper,Blind Faith and Sapertition' (বৈজ্ঞানিক মানসিকতা, অন্ধবিশ্বাস আৰু কুসংস্কাৰ) শীৰ্ষক এখন পুস্তিকা লিখিছিলো। এই ক্ষেত্ৰত এক জোৰদাৰ আন্দোলনৰ দৰকাৰ। কাৰণ এইবোৰে মানুহৰ উন্নতিক বাধা দিয়ে। উত্তৰে মংগলে যাব নাপায়। এনেকুৱা কথাই আমাক পাছলৈহে নিয়ে, আগলৈ নিনিয়ে। আমাৰ ধৰ্ম সংক্ৰান্তীয়ও বহুত অন্ধবিশ্বাস আছে। সেইবোৰৰো দূৰীকৰণ দৰকাৰ। মই অহা জন্মত এনে আন্দোলনত আগ ভাগ ল'ম।

দৰ্শন আৰু বাস্তৱ সত্তা, চিন্তা আৰু প্ৰয়োগ, এইবোৰৰ মাজত যোগসূত্ৰ স্থাপন কৰিবলৈ মই অহৰহ চেষ্টা কৰি আহিছো। দৰ্শনক মই এটা ৰহস্যমূলক বস্তু বুলি কৰা ধাৰণাক অপসাৰণ কৰিব খোজো। সাধাৰণ মানুহেও যাতে ইয়াক আয়ত্ত কৰিব পাৰে সেই দিশত মই কাম কৰি আহিছো। এই ক্ষেত্ৰত অৱশ্যে মই অকলশৰীয়া। কিন্তু তথাপি মই ভাগি পৰা নাই, কাৰণ ৰবি ঠাকুৰৰ 'একলা চলোৰে' কথাষাৰে মোক উৎসাহ যোগাইছে। হ'লেও কিন্তু মাউখে উটিলে গুৰি পৰুৱাৰো মৰণ নাই। গতিকে এই ক্ষেত্ৰত আনৰ সহায়-সহযোগ নিতান্তই প্ৰয়োজন। মোৰ গাতো দোষ আছে, কাৰণ মই এই সহায়-সহযোগ কেনেকৈ বিচাৰিব লাগে তাক জনা নাই। ভৱিষ্যত জীৱনত এই ক্ষেত্ৰত মই আৰু যত্ন কৰিম।

মাৰ্ক্স আৰু এংগেলছে দুনিয়াৰ শ্ৰমিক শ্ৰেণীক এক হোৱাৰ আহ্বান জনাইছিল (Workers of the world unite)। মইও এই ঐক্য বিচাৰো। ইংৰাজীত এষাৰ কথা আছে, 'United we stand, livided we false.' খৰি এডালক সহজতে ভাঙিব পাৰি, কিন্তু বহুতো খৰিক একেলগে বান্ধি থ'লে নোৱাৰি। গতিকে ঐক্যবদ্ধভাৱে কৰিলেহে সংগ্ৰামত সফলতা লাভ কৰিব পাৰি।

মই হিংসা বেয়া পাওঁ। সকলো সমস্যা শান্তিপূৰ্ণ আলোচনা আৰু আন্দোলনৰ মাজেৰে সমাধান হোৱাটো মই বিচাৰো। মই মাৰ্ক্সবাদৰ বহুতো কথা বিশ্বাস কৰো যদিও ইয়াৰ সশস্ত্ৰ বিপ্লৱৰ ধাৰণাটো মই সৰ্বান্তঃকৰণে বিশ্বাস কৰিব পৰা নাই, কাৰণ ই কেতিয়াবা সন্ত্ৰাসবাদলৈ লৈ যায়। এনে সন্ত্ৰাসবাদত বহুতো নিৰীহ লোকে প্ৰাণ হেৰুৱায়, ধন-জনৰ বহুত ক্ষতি হয়। মাওবাদী আৰু নক্সালপন্থীসকলৰ হিংসাবাদক মই গ্ৰহণ কৰিব নোখোজো। গীতা, ভাগৱত আদিত থকা হিংসামূলক কথাবোৰ বা যুদ্ধ-বিগ্ৰহক মই প্ৰত্যাখ্যান কৰিব বিচাৰো। ভাওনা আদিত দেখুওৱা যুদ্ধ-বিগ্ৰহকো মই সমৰ্থন নকৰো। এই ক্ষেত্ৰত এটা কাহিনী কওঁ। মই সৰু হৈ থাকোতে এখন ভাওনা চাইছিলোঁ। সেই ভাওনাখনত এজন বামুণক ধৰি আনি বলি শালত কটা দেখুৱা হৈছিল আৰু সঁচাসচি তেজক দেখুৱা হৈছিল। সেই ভাওনাখনে মোৰ কোমল মনত সাংঘাতিক ধৰণে আঘাত কৰিছিল। বহুত দিন মই সপোনতো সেই দৃশ্য দেখিছিলো। তাৰ পৰা আৰু মই ভাওনা চোৱা নাই। গতিকে ভাওনা আদিত এনে দৃশ্য নথকাই মংগলজনক।

ইতিমধ্যে সমাজত ওপৰত উনুকিয়াই থৈ অহা বহুত সমস্যাৰ অৱতাৰণা কৰি সেইবোৰৰ সমাধানৰ পথৰ বিষয়েও উনুকিয়াই আহিলো। মই আশা কৰিছো মই অহা জনমত এনেকুৱা এখন পৃথিৱীত জন্ম ল'ম য'ত হিংসা-খিয়াল, ধৰ্ষণ-বলাৎকাৰ আদি নাথাকিব। থাকিলেও মই আগতে কোৱাৰ দৰে সকলো এক মুঠ হৈ সেইবোৰৰ মৰিষণৰ উপায় চিন্তিম। আমি এনেকুৱা এক চৰকাৰ গঠন কৰিবলৈ হাত উজান দিম যি চৰকাৰে ধৰ্ম-কৰ্মত লাগি নাথাকি গণতান্ত্ৰিক পদ্ধতিৰে মানুহৰ সমস্যাবোৰ সমাধান কৰিবলৈ চেষ্টা কৰিব আৰু যি চৰকাৰে সামৰিক বাহিনী আৰু আৰক্ষী বাহিনীত ধন-পইচা কমাই খৰচ কৰিব। মন কৰিব এই বাহিনীবোৰক আমাৰ নিজৰে ধন-পইচাৰে পুহি ৰাখিছো। এই বাহিনীবোৰ একেবাৰে অনাৱশ্যক যদিহে আমি বেয়া কাম নকৰো আৰু যুদ্ধ-বিগ্ৰহ নকৰোঁ বা এখন দেশে আন এখনক আক্ৰমণ নকৰে। গতিকে ভৱিষ্যত পৃথিৱীত যাতে যুদ্ধ-বিগ্ৰহ, হিংসা-হিংসি নাথাকে তাৰ বাবে মই আগামী জন্মবোৰত অহৰহ চেষ্টা কৰি যাম।

*ফোন ঃ ৭০০২৩৭৬৫০৫*

---

# সপ্ত আকাশ

## ধাৰণা আৰু বিভ্ৰান্তি

**ইকবাল হুছেইন**

**আকাশ** আৰু পৃথিৱীৰ মধ্যৱৰ্তী অঞ্চল কথাষাৰে আকাশৰ পৃথক অস্তিত্বৰ কথা তলত দিয়া আয়াত বিলাকৰ পৰা উমান পোৱা যায়, যথা—(১) তেৰেঁই আকাশখনক উচ্চতাত স্থাপন কৰিছে আৰু মানদণ্ড (ভাৰসাম্য) স্থাপন কৰিছে। (চুৰা আৰ ৰহমান আয়াত নম্বৰ-৭) (২) শপত, সু-উচ্চ ছাদৰ (আকাশৰ) (চুৰা তুৰ-আয়াত নম্বৰ-৫) (৩) তেওঁ আকাশখনক চাল স্বৰূপ সৃষ্টি কৰিছে (চুৰা বাকাৰা-আয়াত নম্বৰ-২২)।

উপৰোক্ত আয়াতবিলাকত আল্লাই আকাশ বা আকাশৰ ছাদখন উচ্চতাত স্থাপন কৰিছে বুলি কৈছে যদিও মহাকাশৰ ক্ষেত্ৰত উচ্চতা শব্দটো প্ৰযোজ্য নহয়। ঘৰ, অট্টালিকা বা সভা-সমিতিৰ বাবে যি ৰভা বা ছাদ তৈয়াৰ কৰা হয় তাৰ এক নিৰ্দিষ্ট উচ্চতা থাকে যিয়ে মানুহক ৰ'দ, বতাহ, বৰষুণ, ধুমুহা আদিৰ পৰা ৰক্ষণাবেক্ষণ দিয়ে। আমিনুদ্দিনৰ মতে বায়ুমণ্ডলৰ স্তৰসমূহে এই আৱৰণৰ কাম কৰি আছে কিন্তু এই আৱৰণ পৃথিৱীৰ একেবাৰে গাতে লাগি আছে তাৰ পৰিৱৰ্তে আল্লাই এই আৱৰণ বা ছাদ বহু উচ্চ স্থানত স্থাপন কৰা হৈছে বুলি কৈছে। বাস্তৱত আকাশৰ উচ্চতাৰ কোনো নিৰ্দিষ্ট সীমা ৰেখা নাই, ই পৃথিৱীৰ পৰা অসীম দূৰত্বলৈ বিয়পি আছে। গতিকে আল্লাই আকাশৰ ছাদৰ মান নিৰূপণ কৰি দিয়াৰ কোনো অৰ্থ বহন কৰা নাই।

আনহাতে, যোৱা ২৭ জুন (২০১৯)ত ফেচবুক পোষ্টত আপলোড কৰা এটা ভিডিঅ'ত ডাঃ মুহাম্মদ ইব্ৰাহীম নামৰ ইছলামিক চিন্তাবিদ আৰু গৱেষকজনে কৈছে যে যিহেতু আল্লাই পৃথিৱীৰ আকাশখনক গ্ৰহ-নক্ষত্ৰৰ দ্বাৰা সু-শোভিত কৰিছে, সেয়ে এতিয়ালৈকে ১৩.২ বিলিয়ন আলোকবৰ্ষ দূৰত্বলৈ পদাৰ্থজগত বা তাৰকাৰাজ্য আদি আৱিষ্কৃত হৈছে সেয়াই হ'ল পৃথিৱীৰ প্ৰথম আকাশ। তেওঁৰ বক্তব্যৰ পৰা বুজা যায় যে তেওঁ টেলিস্কোপ আৰু মাইক্ৰ'স্কোপৰ পাৰ্থক্যখিনি নাজানে। তেওঁৰ ভাষণত টেলিস্কোপৰ ঠাইত সদায় মাইক্ৰ'স্কোপ শব্দটো ব্যৱহাৰ কৰিছে। যি ব্যক্তিয়ে মাইক্ৰ'স্কোপ আৰু টেলিস্কোপৰ পাৰ্থক্য নাজানে সেই ব্যক্তিয়ে মহাকাশ বিজ্ঞানৰ ওপৰত বৰ বৰ ভাষণ দিয়াটো অতি লজ্জাজনক বিষয়। তেওঁ জনা উচিত যে দিনক দিনে দূৰবীক্ষণ যন্ত্ৰৰ কাৰ্যকৰী ক্ষমতা বৃদ্ধি পাই গৈ আছে আৰু তাৰ অনুপাতে বিশ্বৰ পৰিসীমা দূৰ দিগন্তলৈ ক্ৰমাগতভাৱে প্ৰসাৰিত হৈ আছে। আজি পৰ্যন্ত ১৩.২ বিলিয়ন আলোকবৰ্ষ দূৰত্বলৈ পদাৰ্থ জগত বিয়পি থকা দেখা গ'লেও অদূৰ ভৱিষ্যতে ইয়াৰ দিগন্ত দুহেজাৰ বা ২০ হেজাৰ কোটি আলোকবৰ্ষ বা তাতোকৈ অধিক দূৰত্বলৈ প্ৰসাৰিত হ'ব পাৰে। গতিকে ডাঃ ইব্ৰাহীমে ১৩.২ বিলিয়ন আলোকবৰ্ষ দূৰত্বক পৃথিৱীৰ প্ৰথম আকাশৰ সীমাৰেখা নিৰ্দিষ্ট কৰি দিয়া উচিত হোৱা নাই। কাৰণ এটিএম সাদিকুল্লাহ সম্পাদিত 'আল কোৰান থেকে আধুনিক বিজ্ঞান' নামৰ কিতাপৰ ১৮৭ পৃষ্ঠাত পৃথিৱীৰ নিম্নতম আকাশ বুলিলে সৌৰজগতকে নিৰ্দেশ কৰিছে। কোৰানৰ এটা মাত্ৰ বাক্যৰ অনুবাদৰ ক্ষেত্ৰত ইমান বৈষম্য কিয়, তাক বুজা নাযায়। তেওঁ সদায় বিজ্ঞানৰ তথ্যৰ ওপৰত নিৰ্ভৰশীল। তেওঁ কোৰান আৰু হাদীছ গ্ৰন্থৰ ওপৰত নিৰ্ভৰশীল হোৱাটো উচিত আছিল, কাৰণ বিজ্ঞানৰ তত্ত্বসমূহ পৰিৱৰ্তনশীল। আল্লাই কৈছে আকাশৰ উচ্চতাৰ মান নিৰ্দিষ্ট কৰি দিয়া হৈছে। তথাপি ডাঃ ইব্ৰাহীমে ধৰি লৈছে যে ১৩০০ কোটি আলোকবৰ্ষ দূৰত্বলৈ প্ৰথম আকাশ, ঠিক তেনেদৰে প্ৰতিটো আকাশৰ দূৰত্ব অনুৰূপ আৰু গভীৰতাও একে। এনেদৰে মুঠ সপ্তম আকাশলৈ দূৰত্ব হ'বগৈ ১৮ হেজাৰ দুশ কোটি আলোকবৰ্ষ। তেওঁৰ মতে সপ্তম আকাশৰ শেষৰ ফালে আছে, পানীৰে পৰিপূৰ্ণ মহাসাগৰ যাৰ গভীৰতা প্ৰথম আকাশৰ সমতুল্য আৰু সেই সাগৰৰ ওপৰত আল্লাহৰ আসন চাৰিজন ফিৰিস্তাই দাঙি ৰাখিছে। বিশাল মৰুভূমিৰ মাজত এটা আঙঠিৰ আকাৰ যিমান ক্ষুদ্ৰতৰ ঠিক তেনেদৰে দ্বিতীয় আকাশৰ তুলনাত প্ৰথম আকাশ তেনেকুৱা ধৰণে ক্ষুদ্ৰ আৰু তেনেকৈ সপ্তম আকাশলৈ তাৰ পূৰ্বৱৰ্তী আকাশতকৈ বৃহত্তৰ। হাদীছ গ্ৰন্থৰ মতে আকাশৰ প্ৰতিটো স্তৰৰ মাজৰ ব্যৱধান পাঁচশ বছৰৰ পথ, কিন্তু এই পাঁচশ বছৰ দূৰত্ব কিহৰ বেগৰ ওপৰত নিৰ্ভৰ কৰে তাৰ কোনো উল্লেখ নাই কোৰান, হাদীছত। তথাপি ডাঃ ইব্ৰাহীমে ধৰি লৈছে যে এয়া পোহৰৰ গতিবেগ, কাৰণ আল্লাৰ মতে পৃথিৱীৰ ৫০ হেজাৰ বছৰ আল্লাহৰ এদিনৰ সমান। এই তথ্যমতে পাঁচশ বছৰে অতিক্ৰম কৰা দূৰত্বই প্ৰথম আকাশৰ দূৰত্বৰ স'তে প্ৰায় ওচৰা-উচৰি মান হ'বগৈ; কিন্তু এই মান সঠিক বুলি ধৰিলে বিশ্বৰ বয়স হয় গৈ ১৮ হেজাৰ কোটি বছৰ য'ত বিশ্বৰ প্ৰকৃত (১৫০০ কোটি বছৰ) বয়সতকৈ বহু গুণে অধিক হোৱা দেখা যায় যিটো সমৰ্থনযোগ্য নহয়, কাৰণ আল্লাহই ছদিনত এই বিশ্ব সৃষ্টি কৰিছে। দিন মানে একোটা দীৰ্ঘ সময়ৰ পৰ্যায় বুলি গণ্য কৰা হয় তথাপি বিশ্বৰ সেই বয়স কেতিয়াও সংগতিপূৰ্ণ নহয়। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল তেওঁ হজৰত মহম্মদ (চাঃ)ৰ মহাকাশ ভ্ৰমণ (মিৰাজ) কিদৰে ব্যাখ্যা কৰিব। আল্লাহৰ নবীয়ে সপ্তম আকাশ পাৰ হৈ ছিদ-ৰাতুল মুন্তাহা, স্বৰ্গ নৰক দৰ্শন কৰিছিল। তেওঁৰ মতে সপ্তম আকাশলৈ নহেজাৰ কোটি আঃবঃদূৰ অৰ্থাৎ পোহৰৰ তালৈ যাওঁতে আৰু আহোতে ১৮ হেজাৰ কোটি বছৰৰ সময়ৰ প্ৰয়োজন হ'ব। তেজ মঙহৰে গঠিত দেহ লৈ নবীয়ে এই দূৰত্ব ৰাতিৰ সামান্য সময়ত অতিক্ৰম কৰা কেতিয়াও সম্ভৱ নহয়, এয়া তেতিয়াহে সম্ভৱ যদিহে হজৰত মহম্মদ নিজেই আল্লাহলৈ পৰিৱৰ্তন হয়। কেৱল মাত্ৰ ধৰ্মৰ স্থান উচ্চ আসনত অধিষ্ঠিত কৰাৰ বাবেই ডাঃ ইব্ৰাহীমৰ দৰে অনেক ইছলামী পণ্ডিতে প্ৰলাপ বকিছে। তেওঁৰ মতে পোহৰতকৈ হেনো প্লাজমাৰ গতিবেগ বেছি।



তাৰকাৰাজ্যৰ সিপাৰে কেৱল প্লাজমাৰ অৱস্থান। প্লাজমা হ'ল পদাৰ্থৰ চতুৰ্থ অৱস্থা। নক্ষত্ৰৰ বুকুত অতি উচ্চ উষ্ণতাত পদাৰ্থৰ যি আয়নিক অৱস্থা পোৱা যায় তাকে প্লাজমা বোলে। বৈদ্যুতিক বাল্বৰ মাজত যি আয়নিক গেছীয় পদাৰ্থ থাকে সিও একপ্ৰকাৰ প্লাজমিক অৱস্থা। ইয়াৰ গতিবেগ কেতিয়াও পোহৰৰ গতিৰ সমান নহয়। তাৰ উপৰি ডাঃ ইব্ৰাহীমে কোৰানৰ চুৰা শুৰাৰ ২৯ নম্বৰ আয়াত আৰু চুৰা তালাকৰ ১২ নম্বৰ আয়াতৰ জৰিয়তে ক'ব বিচাৰিছে, মহাশূন্যত বহু উন্নত জীৱ (এলিয়েন) সিঁচৰতি আছে যিবোৰ বিজ্ঞানীয়ে এতিয়া প্ৰমাণ কৰিবলৈ সক্ষম হৈছে কাৰণ বিজ্ঞানীসকলে ইতিমধ্যে বহু পৃথিৱী সদৃশ অনুকূল পৰিৱেশৰ গ্ৰহৰ সন্ধান পাইছে আৰু উন্নত জীৱৰ পৰা অহা সংকেতো ধৰা পেলাইছে। কিন্তু ইব্ৰাহীমে সাতখন আকাশৰ সৃষ্টিত অনুমোদন জনাইছে। সেই ক্ষেত্ৰত আকৌ বহুসংখ্যক পৃথিৱী আৰু আকাশৰ প্ৰতি ইংগিত কৰা মূৰ্খতা নহয়নে কাৰণ চুৰা তালাকৰ ১২ নম্বৰ আয়াতত সাতখন আকাশ আৰু অনুৰূপ সংখ্যক পৃথিৱীৰ উল্লেখ আছে।

'বুৰুজ'ৰ আভিধানিক অৰ্থ হ'ল ৰাশি চক্ৰ, ইয়াৰ অন্যান্য অৰ্থসমূহ হ'ল নক্ষত্ৰ মণ্ডল বা নক্ষত্ৰপুঞ্জ, ইয়াৰ উপৰি দুৰ্গ, সুৰক্ষিত স্থান বা অট্টালিকা আদিও বুজাব পাৰে। কোৰানৰ কেইটামান আয়াতত এই শব্দটো ব্যৱহাৰ হৈছে যদিও বিশ্বৰ কোনো দল-সংগঠন বা ব্যক্তি ওলোৱা নাই যিয়ে এই শব্দটোৰ সঠিক মূল্যায়ন কৰিব পাৰিছে। তলত কেইটামান আয়াতৰ ভিন ভিন অনুবাদকৰ উদ্ধৃতি প্ৰদান কৰা হ'ল— (১) চুৰা বুৰুজ আয়াত (এ) 'কসম বুৰুজ বিশিষ্ট আসমানেৰ' (অনু - মুস্তাফিজুৰ ৰহমান) (বি)'শপত নক্ষত্ৰপুঞ্জ বিশিষ্ট আকাশ মণ্ডলীৰ' (অনু-আবুল আলা মত্তদূদী) (২) চুৰা ফুৰকান আয়াত নম্বৰ ৬১ (এ) মহামহিমান্বিত তিনি, যিনি সৃষ্টি কৰেছেন আসমানে বিশাল কায় গ্ৰহসমূহ—(বুৰুজাও (বি) আল্লাহ মংগলময়, যিজনে আকাশত (নক্ষত্ৰৰ) ৰাশিচক্ৰসমূহ সৃষ্টি কৰিছে। (আহমদীয়া জামাত) (চি) পৱিত্ৰ সেই সত্তাযিনি আকাশে গ্ৰহপুঞ্জ (বুৰুজ) স্থাপন কৰেছেন (ডাঃ জাকিৰ নায়ক)। আমিনুদ্দিন আহমদে চুৰা বুৰুজৰ এক নম্বৰ আয়াতটোক অনুবাদ এনেদৰে দিছে—'শপত ৰাশিচক্ৰৰেৰে ভৰা আকাশ'। তেওঁৰ মতে একো একোটা তাৰকা ৰাজ্যৰ সমষ্টিক ৰাশিচক্ৰ (ৰাশিচক্ৰ) বোলে। (উল্লেখ্য যে আমিনুদ্দিন আহমদৰ প্ৰকাশিত কিতাপ 'ঈশ্বৰৰ অস্তিত্বৰ সপক্ষে (বিপক্ষে) কিছু যুক্তি' নামৰ পুথিখনত ইমানেই বানান ভুল যে যিকোনো সুস্থ ব্যক্তিয়ে পঢ়িবলৈ ল'লে বমি কৰিবলৈ বাধ্য।) চন্দ্ৰ সূৰ্যই পশ্চিমৰ পৰা পূবলৈ প্ৰতি নিয়ত এক নিৰ্দিষ্ট অঞ্চলৰ মাজেৰে অগ্ৰসৰ হোৱা দেখা যায়। চন্দ্ৰ সূৰ্যৰ এই গতিপথক ক্ৰান্তিবৃত্ত বোলে। ক্ৰান্তিবৃত্তৰ মাজত কিছুমান তৰাৰ থুপ দেখিবলৈ পোৱা যায় এইবোৰক ৰাশিচক্ৰ বোলে। আনহাতে ক্ৰান্তিবৃত্তৰ বাহিৰৰ তৰা বা নক্ষত্ৰৰ সমষ্টিক নক্ষত্ৰমণ্ডল বী নক্ষত্ৰপুঞ্জ বোলে। আৰু তাৰকা ৰাজ্যৰ সমষ্টিক cluster or group of galaxy বোলে। যিজন ব্যক্তিয়ে ৰাশিচক্ৰৰ শুদ্ধ ধাৰণা পোষণ নকৰে তেওঁ বিজ্ঞানৰ অতি জটিল বিষয়ৰ ওপৰত সমালোচনা আগবঢ়োৱাটো শোভা নাপায়। ৰাশিচক্ৰৰ ধাৰণাটো কেৱল পৃথিৱীবাসী কোনো ব্যক্তি সাপেক্ষেহে প্ৰযোজ্য কাৰণ ৰাশিচক্ৰসমূহ যিবোৰ বস্তু বা জীৱৰ নামেৰে নামকৰণ কৰা হৈছে সিবোৰৰ লগত সিহঁতৰ ন্যূনতম সাদৃশ্যহে পোৱা যায়, যেনে— মেঘ, বৃষ, মিথুন, কৰ্কট, সিংহ ইত্যাদি। কোনো ব্যক্তি যদি কোনো ৰাশিচক্ৰত উপস্থিত হয় তেন্তে ই অদৃশ্য হৈ পৰিব কাৰণ পৃথিৱীৰ পৰা তৰাবোৰ ওচৰা-উচৰিকৈ অৱস্থান কৰা দেখিলেও সিহঁতৰ মাজৰ দূৰত্বৰ ব্যৱধান অত্যধিক বেছি। 'বুৰুজ' শব্দটোৰ সঠিক ব্যাখ্যা আগবঢ়াব নোৱাৰাটো মুছলিম সমাজৰ বাবে সঁচাকৈয়ে পৰিতাপৰ বিষয়।

কোৰানৰ বহল ব্যাখ্যা আৰু নবী কৰিম (চাঃ)ৰ আদেশ-নিষেধ অথবা তেওঁৰ জীৱন প্ৰক্ৰিয়াৰ সমষ্টিয়েই হ'ল হাদীছ। আল্লাই কোৰানত সগৌৰৱেৰে ঘোষণা কৰিছে যে কোৰানত এনেকুৱা কোনো বিষয় নাই যাক প্ৰাঞ্জল, আৰবী ভাষাত বিশদভাৱে ব্যাখ্যা কৰা হোৱা নাই। আল্লাৰ নবীৰ জীৱনৰ এনে কোনো মুহূৰ্ত নাই যাক হাদীছ গ্ৰন্থত লিপিবদ্ধ হোৱা নাই। আল্লাই যিজন ব্যক্তিৰ ওপৰত কোৰানৰ দায়িত্ব অৰ্পণ কৰিলে সেইজন ব্যক্তিয়ে এনেধৰণৰ জটিল বিজ্ঞান বিষয়ৰ সমিধান দি থৈ গৈছেনে? সমিধান দি থৈ যোৱাহেঁতেন আজি মুছলিম বিশ্বই বিভ্ৰান্তিত নপৰিলেহেঁতেন।

(আগলৈ)

## কৰ্কট চিকিৎসালয়ৰ বাছনি পৰীক্ষাত উত্তীৰ্ণ হৈয়ো পাঁচ বছৰে নিযুক্তি নাপালে

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৮ এপ্ৰিল ঃ** বাগ্‌সা জিলাৰ মুছলপুৰৰ এজন যুৱকে ৰাজ্য চৰকাৰৰ বিগত কাৰ্যকালত কৰ্কট চিকিৎসালয়ৰ বাবে অনুষ্ঠিত এক বাছনি পৰীক্ষাত নিৰ্দিষ্ট কোটাত সফলতাৰে উত্তীৰ্ণ হৈয়ো আজিলৈকে নিযুক্তি নোপোৱাৰ তথ্য পোহৰলৈ আহিছে। এই ক্ষেত্ৰত কৰ্কট চিকিৎসালয়ৰ নিযুক্তি প্ৰক্ৰিয়াত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে মুছলপুৰ মহকুমাৰ অন্তৰ্গত লাফাকুছি গাঁৱৰ ভাৰত চন্দ্ৰ মেধি নামৰ যুৱকজনে। যুৱকজনে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ বিগত কাৰ্যকালত অৰ্থাৎ ২০১৭ৰ দুই জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় সংলগ্ন দুশখন বিছনাযুক্ত কৰ্কট চিকিৎসালয়ৰ এক বিজ্ঞাপন মৰ্মে তৃতীয় বৰ্গৰ কম্পিউটাৰ অপাৰেটৰ পদৰ বাবে লিখিত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। উক্ত লিখিত পৰীক্ষাত মেধিয়ে জনজাতিসকলৰ বাবে সংৰক্ষিত আসনত শীৰ্ষ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। প্ৰকাশিত বিজ্ঞাপন অনুসৰি উক্ত বাছনি পৰীক্ষাত কোনো ধৰণৰ ১২ পৃষ্ঠাত চাওক

### জাতীয় সংগীতেৰে সাপৰটাৰীত বিহু মঞ্চ মুকলি

## লোকসংস্কৃতিৰ ভেটি শক্তিশালী কৰি ৰখাটো প্ৰয়োজন ঃ ওজা



**ছয়গাঁও, ২৮ এপ্ৰিল ঃ** কামৰূপ জিলাৰ ছয়গাঁৱৰ সাপৰটাৰী (নোৱাভিঠা)ত দিনজোৰা কাৰ্যসূচীৰে সাপৰটাৰী সুঁৱৰি আৰু ব'হাগী উৎসৱ কালি অনুষ্ঠিত হয়। পুৱা সমিতিৰ সভাপতি মৃণাল বৰুৱাই মূল থাপনাত বন্তি প্ৰজ্বলন কৰাৰ পাছতে মহেন্দ্ৰ বৰুৱা আৰু তাৰিণী বৰুৱাই পতাকা উত্তোলন কৰে। আনহাতে, অৱসৰী শিক্ষক চবিন বৰুৱা আৰু সুৰেশ বৰুৱাই খেল আৰম্ভ কৰে। ক্ৰীড়া সংগঠক অৰবিন্দ ঠাকুৰীয়া আৰু সুভাষ মেধিয়ে খেলসমূহ পৰিচালনা কৰাত সহযোগিতা আগবঢ়ায় মুন বৰুৱা, গোলক কলিতা, সুন্দৰ বৰুৱা আৰু তিলক বৰুৱাই। ইপিনে, প্ৰবীণ অভিনেতা নবীন বৰুৱা আৰু অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ প্ৰফুল্ল কলিতাই মন্দিৰ ১২ পৃষ্ঠাত চাওক

## ননৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ২৮ এপ্ৰিল ঃ** নগাঁও জিলাৰ ননৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে ৭৫ বছৰ পূৰ্ণ কৰিছে। শিক্ষানুষ্ঠানখনৰ ৭৫ বছৰীয়া ক্ষণটি 'মহাৰজত জয়ন্তী উৎসৱ' ৰূপে অহা ২৫ৰ পৰা ২৭ নৱেম্বৰলৈ অনুষ্ঠিত হ'ব। বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষাৰ্থী আৰু শুভাকাংক্ষীসকলক এই ৭৫ বছৰীয়া উৎসৱ উদ্‌যাপন কৰি সোণসেৰীয়া মহাক্ষণটোৰ সাক্ষী হ'বলৈ উদযাপন সমিতিৰ সভাপতি যোগেশ্বৰ শইকীয়া, কাৰ্যকৰী সভাপতি প্ৰফুল্ল চন্দ্ৰ বৰা, অধ্যক্ষ তথা সম্পাদক সঞ্জীৱ কুমাৰ কলিতাই আহ্বান জনাইছে।

## শুৱালকুছিত মুকলি বিহু প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২৮ এপ্ৰিল ঃ** শুৱালকুছিৰ অন্যতম সামাজিক অনুষ্ঠান সদৌ শুৱালকুছি উদীয়মান যুৱ সমাজৰ উদ্যোগত অহা ৩০ এপ্ৰিলত সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। স্থানীয় মাধৱ ক্ষেত্ৰত অনুষ্ঠিতব্য ৩৪ সংখ্যক মুকলি বিহুৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ী দলক নগদ ধনৰ লগতে বঁটা প্ৰদান কৰা হ'ব। সিদিনা পুৱা সাত বজাৰ পৰা নিশা ১১ বজালৈ অনুষ্ঠিতব্য কাৰ্যসূচীসমূহ হ'ল পুৱা মাধৱ ক্ষেত্ৰলৈ অস্থায়ী কাৰ্যালয় স্থানান্তৰ সমাজৰ সভাপতি ভুৱনেশ্বৰ দাসৰ দ্বাৰা পতাকা উত্তোলন, জ্যেষ্ঠ নাগৰিক দীনেশ বৈশ্যই বিহু পতাকা উত্তোলন কৰিব। মুকলি বিহু উদ্বোধন কৰিব অসমীয়া ছবি জগতৰ নিকুমণি বৰুৱাই। সন্ধিয়া অমিত আগৰৱালাই বন্তি প্ৰজ্বলন কৰিব। ইয়াৰ মাজতে সাময়িকভাৱে বিহু প্ৰতিযোগিতাৰ বিৰতি দি শিক্ষা উপ-সমিতিৰ দ্বাৰা ইতিমধ্যে হৈ যোৱা প্ৰতিভা সন্ধানী পৰীক্ষা আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়াত ৰমেশ চন্দ্ৰ ডেকা স্মাৰক শৈক্ষিক বঁটা প্ৰদান কৰা হ'ব।

## শিশু ভাৰতী স্কুলত উচ্চতৰ মাধ্যমিক শাখাৰ সংযোজন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২৮ এপ্ৰিল ঃ** ১৯৭৭ত প্ৰতিষ্ঠিত দেৰগাঁও অঞ্চলৰ প্ৰথমখন ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰূপে সুদীৰ্ঘ ৪৬ বছৰ সফলতাৰে অতিক্ৰম কৰাৰ পাছত এইবাৰ বিদ্যালয়খনত প্ৰথমবাৰৰ বাবে নতুনকৈ উচ্চতৰ মাধ্যমিকৰ শ্ৰেণী সংযোজন কৰা হৈছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক বিমান বৰাই সদৰী কৰা মতে, চলিত বৰ্ষৰ পৰা বিদ্যালয়খনত উচ্চতৰ মাধ্যমিকৰ কলা আৰু বিজ্ঞান শাখাৰ শ্ৰেণীসমূহ আৰম্ভ হ'ব। উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে বিদ্যালয়খনত উচ্চ শিক্ষাৰ বাবে অনুমোদন জনোৱাত স্বাভাৱিকতে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকল আনন্দিত হৈছে। সকলো ধৰণৰ সা-সুবিধাৰ মাজত, উন্নত মানৰ শিক্ষা ব্যৱস্থাৰে দেৰগাঁৱৰ লগতে অন্যান্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ ক্ষেত্ৰখনত আগবঢ়াই নিবলৈ প্ৰতিশ্ৰুতিবদ্ধ এই বিদ্যালয়খনত ইংৰাজী আৰু অসমীয়া দুয়োটা মাধ্যমৰ পাঠদানৰ বাবে ব্যৱস্থা আছে।

## ১৪ মে' চিৰাঙত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় লোক আদালত

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৮ এপ্ৰিল ঃ** দেশৰ বিভিন্ন স্থানৰ লগতে অহা ১৪ মে'ত চিৰাঙতো ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আৰু চিৰাং জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগত এই ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। বিচাৰাধীন গোচৰসমূহ নিষ্পত্তিৰ বাবেই এই ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত কৰা হ'ব। সমগ্ৰ দেশতে বহুতো গোচৰ বিচাৰাধীন অৱস্থাত আছে। সেই দিশলৈ লক্ষ্য ৰাখি উচ্চতম ন্যায়ালয় আৰু ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণে বিচাৰাধীন গোচৰসমূহ নিষ্পত্তিত অধিক গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰিছে। বেংক, বিজুলী বিভাগ, মটৰ দুৰ্ঘটনা ক্ষতি পূৰণ সম্বন্ধীয় গোচৰ, মীমাংসা হ'ব। তদুপৰি গোচৰ, দেৱানী গোচৰ, বৈবাহিক বিবাদ সম্বন্ধীয় গোচৰ নিষ্পত্তিৰ বাবে চিৰাং জিলাৰ ন্যায়িক আদালত আৰু বিজনী মহকুমা ন্যায়িক আদালতৰ চৌহদত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত কৰা হ'ব বুলি চিৰাং জিলা আইন সেৱা প্ৰাধিকাৰীয়ে সদৰী কৰিছে।

## সৰুলাহত মহিলা সন্ধানহীন

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২৮ এপ্ৰিল ঃ** শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত সৰুলাহৰ সুশীলা কলিতা (৬৫) নামৰ এগৰাকী মহিলাই যোৱা এসপ্তাহ ধৰি সন্ধানহীন হৈ আছে। মানসিকভাৱে ভাৰসাম্যহীন মহিলাগৰাকী যোৱা ১৯ এপ্ৰিলত সৰুলাহ আমৰ তলৰ জোঁৱাইৰ ঘৰৰ পদূলিমুখৰ পৰা সন্ধানহীন হয়। সিদিনা পৰিয়ালে মহিলাগৰাকীক বিচাৰি নোপোৱাত শুৱালকুছি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। ইয়াৰ ভিতৰত ২০ এপ্ৰিলৰ দিনা নগাঁৱৰ মহামৃত্যুঞ্জয় মন্দিৰত জনৈক বৰা উপাধিৰ লোক এজনে মহিলাগৰাকীক তেওঁ ৰাখি থোৱা বুলি ফোনযোগে জনাইছিল যদিও মহিলাগৰাকীৰ পৰিয়াল পলমকৈ তাত উপস্থিত হোৱাত তেওঁক উদ্ধাৰ কৰিব নোৱাৰিলে। আনকি ফোন কৰা লোকজনকে লগ নোপোৱাত পৰিয়ালটো হতাশাত ভুগিছে।

## ৰাজশ্ৰী শৰ্মাক পাটমাদৈ সন্মান প্ৰদান

**চেলেংহাট, ২৮ এপ্ৰিল ঃ** সাহিত্য চৰ্চাৰ মঞ্চৰ প্ৰথম বাৰ্ষিক আৰু প্ৰথম বৰ্ষপূৰ্তি আৰু গোটৰ অধিৱেশন উপলক্ষে বোকাখাত নাট্য মন্দিৰ প্ৰাংগণত অনুষ্ঠিত এক অনুষ্ঠানত সাহিত্যৰ সংগঠক আৰু সাহিত্যৰ ক্ষেত্ৰত অনবদ্য অৱদানৰ বাবে ৰাজশ্ৰী শৰ্মাক 'পাটমাদৈ' (উপাধি)ৰে প্ৰদান কৰা হয়। এই পাটমাদৈ বঁটাত এখন প্ৰশস্তি পত্ৰ, চেলেং, গামোচা, স্মাৰক আৰু জাপিৰে তেওঁক সন্মান জনোৱা হয়।

## হাইস্কুলৰ কম্পিউটাৰ প্ৰিণ্টাৰ চুৰি

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৮ এপ্ৰিল ঃ** যোৱা ২৬ এপ্ৰিলৰ নিশা সানেকুছি অম্বাপ্ৰিয়া চৌধুৰী হাইস্কুলৰ কম্পিউটাৰৰ প্ৰিণ্টাৰটো চুৰি হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক গিৰীন্দ্ৰ দেৱ শৰ্মাই কয় যে ১০ হেজাৰ টকা ব্যয় কৰি অলপতে প্ৰিণ্টাৰটো ক্ৰয় কৰিছিল। সেইটো চুৰি হোৱাত বিদ্যালয়ৰ যথেষ্ট অসুবিধা হৈছে। তদুপৰি প্ৰিণ্টাৰটো নিয়াৰ উপৰি মধ্যহ্ন ভোজনৰ পাকঘৰৰ তলা ভাঙি সকলো বাচন-বৰ্তন লণ্ডভণ্ড কৰে। ইতিমধ্যে ঘটনা সংক্ৰান্তত বিভাগীয়ভাৱে অৱগত কৰাৰ লগতে ঘগ্ৰাপাৰ আৰক্ষী থানাতো এজাহাৰ দাখিল কৰিছে। উল্লেখ্য যে বিগত ২৪ মাৰ্চ আৰু ২২ এপ্ৰিলৰ ধুমুহাটো শিক্ষানুষ্ঠানখনৰ কিছু ক্ষয়-ক্ষতি হৈছে।

## ডুবাপাৰাৰ চোৰাং কাঠফলা কল উচ্ছেদ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৮ এপ্ৰিল ঃ** আজি ডুবাপাৰা বন খণ্ডৰ অন্তৰ্গত কুকিলাপাৰা চৰৰ পৰা বন বিভাগে এটা অবৈধ কাঠফলা কল উচ্ছেদ কৰাৰ লগতে কলটোত ফালিবলৈ মজুত কৰি ৰখা বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ কৰে। জলজলী নদীৰ কাষতে অৱস্থিত কুকিলাপাৰা চৰত দীৰ্ঘদিনৰ পৰাই অবৈধ কাঠফলা কলটোয়ে ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি অভিযোগ উঠিছে।

### যমৰ যাতনা ভুগিছে অঞ্চলটোৰ ৰাইজে

## এনৰেগা আঁচনিয়েও ঢুকি পোৱা নাই আলিপুৰ নতুন মছজিদ পথ

অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ২৮ এপ্ৰিল ঃ** জালুকবাৰী সমষ্টিৰ আগডলা গাঁও পঞ্চায়তৰ অন্তৰ্গত আলিপুৰ গাঁৱৰ নতুন মছজিদ পথটো দীৰ্ঘ দিন ধৰি মেৰামতি নকৰাত যমৰ যাতনা ভুগিব লগা হৈছে অঞ্চলটোৰ ৰাইজে। পথটো নিৰ্মাণ কৰাৰ বাবে একাধিকবাৰ স্থানীয় ৰাইজৰ দ্বাৰা আবেদন-নিবেদন কৰাৰ পাছতো সংশ্লিষ্ট কৰ্তৃপক্ষই বিষয়টোত গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে ৩১ নম্বৰ ঘাইপথৰ সমীপৰ আলিপুৰ গাঁৱৰ মুখ্য পথটোৰ ১২ পৃষ্ঠাত চাওক



### কৃষি বিশ্ববিদ্যালয়ত কৃষি গ্ৰন্থাগাৰিক আৰু ব্যৱহাৰিক গোষ্ঠীৰ দ্বিতীয় আন্তঃৰাষ্ট্ৰীয় সন্মিলন আৰম্ভ

## গ্ৰন্থাগাৰ ব্যৱস্থাপনাই জনগণৰ সমৃদ্ধিৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে ঃ গোস্বামী

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ২৮ এপ্ৰিল ঃ** দেশৰ বিভিন্ন প্ৰান্তৰ শতাধিক প্ৰতিনিধিৰ অংশগ্ৰহণেৰে অসম কৃষি বিশ্ববিদ্যালয়ত আজিৰে পৰা আৰম্ভ হৈছে কৃষি গ্ৰন্থাগাৰিক আৰু ব্যৱহাৰিক গোষ্ঠীৰ দ্বিতীয় আন্তঃৰাষ্ট্ৰীয় সন্মিলন। সন্মিলনখন উদ্বোধন কৰে স্থানীয় বিধায়ক হিতেন গোস্বামীয়ে। কৃষি গ্ৰন্থাগাৰিক আৰু ব্যৱহাৰিক গোষ্ঠীৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলনখন উদ্বোধন কৰি তেওঁ কয় যে এটা ভাল গ্ৰন্থাগাৰে জ্ঞানৰ পৰিপূৰ্ণতাৰ দিশত আগুৱাই যোৱাত সহায় কৰিব পাৰে । সঠিক গ্ৰন্থাগাৰ ব্যৱস্থাপনাই জ্ঞানৰ সমৃদ্ধতাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বৰ্তমানৰ পৰিৱৰ্তিত সময়ত পুথিগত ব্যৱস্থাৰ উপৰি ডিজিটেল ইনফৰমেছনৰ জৰিয়তেও তথ্য তথা তথ্য প্ৰযুক্তিৰ দিশত আগুৱাব পৰা গৈছে। সমান্তৰালভাৱে অধিক মাত্ৰাত জ্ঞান সম্প্ৰসাৰণ ঘটোৱাও সম্ভৱ হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ মুখ্য গ্ৰন্থাগাৰিক ড° চন্দন হাজৰিকাই আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত মুখ্য অতিথি ৰূপে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুত চন্দন ডেকাই বক্তব্য আগবঢ়ায়। তেওঁ কয় যে জ্ঞান হ'ল সম্ভাৱনাপূৰ্ণ শক্তি। তথ্যই আমাক অধিক জ্ঞান আহৰণত সহায় কৰে যি জ্ঞানে আমাক সমৃদ্ধ কৰি আগুৱাই যোৱাত সৰ্বতোপ্ৰকাৰে সহায় কৰে। আমাৰ পূৰ্বপুৰুষসকলেও প্ৰাকৃতিক ভাৱধাৰাৰ স'তে একাত্মহৈ প্ৰযুক্তিগতভাৱেও জ্ঞানী হৈ বহু চহকী হৈ আছিল। প্ৰাকৃতিক গতিবিধি পৰ্যবেক্ষণ কৰিয়েই কৃষি ১২ পৃষ্ঠাত চাওক

### উপায়ুক্তৰ কাৰ্যালয়ত সভা

## শীঘ্ৰেই আৰম্ভ হ'ব মাজুলীৰ দ্বিতীয়খন দলং নিৰ্মাণৰ কাম

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৮ এপ্ৰিল ঃ** 'মাজুলী সম্প্ৰতি উন্নয়নৰ দুৱাৰডলিত উপস্থিত হৈছে। অহা দুই-তিনি বছৰৰ ভিতৰত মাজুলী উন্নয়নৰ সৰ্বস্তৰত উপনীত হ'ব। এফালে ব্ৰহ্মপুত্ৰৰ ওপৰত আনফালে লোহিত-সোৱণশিৰিত চেলেক হৈ নিৰ্মাণ হ'বলৈ গৈ থকা দলঙে মাজুলীক এক উন্নয়নৰ কৰিড'ৰলৈ পৰিণত কৰিব।' গড়মুৰস্থ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এছিয়ান ইনফ্ৰাষ্টাক্চাৰ ইনভেষ্টমেণ্ট বেংকৰ বিষয়ববীয়া, লোকনিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু জিলা প্ৰশাসনৰ অতিৰিক্ত উপায়ুক্ত কাৰ্তিক কলিতা, ভৰত কোঁৱৰ আৰু ৰাজহ বিষয়া জয়দ্বীপ ৰজক, উচ্চপদস্থ বিষয়া-কৰ্মচাৰীসকলৰ উপস্থিতিত কালি অনুষ্ঠিত প্ৰতিনিধিত্বমূলক ৰাজহুৱা সভাত এইদৰে কয় উপায়ুক্ত পুলক মহন্তই। তেওঁ পুনৰ কয় যে এই উন্নয়নে একাংশ লোকক মাজুলীৰ প্ৰতি আকৰ্ষিত কৰিব আৰু সেইসকলৰ প্ৰলোভনত পৰি মাজুলীবাসীয়ে যদি নিজৰ পৈতৃক ভেটি, ঐতিহ্য, পৰম্পৰা হেৰুৱাই তেন্তে উন্নয়ন মাজুলীৰ বাবে অভিশাপ হ'ব। জিলা প্ৰশাসন সেই ক্ষেত্ৰত কঠোৰ, ৰাইজো সজাগ হওক। উক্ত সভাত এছিয়ান ইনফ্ৰাষ্টাক্চাৰ ইনভেষ্টমেণ্ট বেংকৰ ১২ পৃষ্ঠাত চাওক

## যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত শ্বেক্সপীয়েৰ দিৱস পালন



অগ্ৰদূত বাৰ্তা

**লাহদৈগড, ২৮ এপ্ৰিল ঃ** যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত এপ্ৰিলত শ্বেক্সপীয়েৰ দিৱস বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত শিক্ষক ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত ইংৰাজী বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে শ্বেক্সপীয়েৰৰ চাৰিখনকৈ নাটকৰ সংক্ষিপ্ত অভিনয় প্ৰদৰ্শন কৰে। জুলিয়াছ চিজাৰৰ ফিউনাৰেল স্পীচ আৰু লেডী মেকবেথৰ শ্লীপ ৱাকিং চেন্সত অভিনয় কৰে দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে এই দিৱস পালন কৰে। হেমলেট-ৰি-ইমাজিণ্ডত অভিনয় কৰে চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে আৰু টুৱেলভ নাইটত অভিনয় কৰে ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে। ইয়াৰ পূৰ্বে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দুলেন শইকীয়াই এক চমু ভাষণ প্ৰদান কৰি শ্বেক্সপীয়েৰৰ ৰচনাৱলী সম্পৰ্কে আলোকপাত কৰে। বিভাগীয় মুৰব্বী প্ৰধান ড° অৰুণিমা বৰাই সঞ্চালনা কৰা উদ্বোধনী অনুষ্ঠানত উপাধ্যক্ষ ড° গণেশ চন্দ্ৰ বৰা, আই কিউ এ চিৰ সমন্বয়ক প্ৰাঞ্জল দত্ত আৰু অন্যান্য শিক্ষকসকল উপস্থিত থাকে।

## শিৱসাগৰত সাহিত্যাচাৰ্য নাহেন্দ্ৰ পাদুন ন্যাস গঠন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৮ এপ্ৰিল ঃ** শিৱসাগৰ জিলা সাহিত্য সভাই সাহিত্যাচাৰ্য নাহেন্দ্ৰ পাদুনৰ সাহিত্য কৃতিৰ উত্তৰণ, প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যৰে পৰহি শিৱসাগৰ নগৰৰ চেউজপুৰৰ নাহেন্দ্ৰ পাদুনৰ বাসগৃহত এখন সভা অনুষ্ঠিত হয়। জিলা সাহিত্য সভাৰ সভাপতি যোগ গগৈৰ সভাপতিত্বত বহা প্ৰতিনিধিত্বমূলক সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সভাৰ সম্পাদক সন্তোষ দত্তই। উক্ত সভাত পোনাৰাম মিলি, সূৰুয কুমাৰ পাতিৰি, বিনোৱা টায়ে, উজ্জ্বল কুমাৰ ঠাকুৰ, মনেশ্বৰ মিলি, বিদ্যুৎ বিকাশ বৰুৱা, অঞ্জন টায়ে আদি কে'বাগৰাকীও সাংস্কৃতিক কৰ্মী তথা সংগঠকে ১২ পৃষ্ঠাত চাওক

## সাত বছৰে অসম্পূৰ্ণ সোণকুৰিয়া চ'কৰ পৰা নোনা মথাউৰি সংযোগী পথ

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৮ এপ্ৰিল ঃ** পথ উন্নয়নৰ নামত নলবাৰী লোকনিৰ্মাণ বিভাগত ছিণ্ডিকেটৰাজ অব্যাহত চলি থকাৰ অভিযোগ উঠাৰ সময়তে নলবাৰী জিলাৰ নলবাৰী সদৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ সোণকুৰিয়াত এটা লোক নিৰ্মাণ বিভাগৰ পথ নলবাৰীৰ তদানীন্তন বিধায়ক অশোক শৰ্মাই আজিৰে পৰা সাত বছৰ পূৰ্বে আধাৰশিলা স্থাপন কৰাৰ পাছতো বৰ্তমানলৈ এই পথছোৱা অসম্পূৰ্ণ হৈ থকাত ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।



অভিযোগ অনুসৰি, নলবাৰী সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অধীনস্থ ঘগ্ৰাপাৰ-তামুলপুৰ গড়কাপ্তানী পথৰ সোণকুৰিয়া চ'কৰ পৰা নোনা মথাউৰি সংযোগী ৯১২ মিটাৰ দৈৰ্ঘ্যৰ গড়কাপ্তানী বিভাগৰ পথছোৱা আজি প্ৰায় সাত বছৰে আধৰুৱা হৈ থকাত অঞ্চলটোৰ দল-সংগঠন তথা ৰাইজ জাণ্ডুৰ খাই উঠিছে। উল্লেখ্য যে অসম চৰকাৰৰ ২০১৫-১৬ৰ বাবে বাৰ্ষিক পৰিকল্পনাৰ অনুসূচিত জনজাতি শিতানৰ অধীনত অনুমোদিত তথা নলবাৰী লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা (গ্ৰাম্য পথ) এই পথছোৱাৰ নিৰ্মাণৰ দায়িত্ব ঘগ্ৰাপাৰৰ জনৈক কলিতা উপাধিৰ এগৰাকী ঠিকাদাৰে লাভ কৰিছিল। উক্ত পথছোৱা ২০১৬ৰ ২০ জুনত তেতিয়াৰ বিধায়ক অশোক শৰ্মাই আধাৰশিলা ১২ পৃষ্ঠাত চাওক

## দহকাউনীয়াত ব্ৰাহ্মণ সমাজৰ অধিৱেশনৰ আয়োজন

**বৰমা, ২৮ এপ্ৰিল ঃ** অহা পহিলা মে'ত বৰমাৰ ওচৰৰ দহকাউনীয়া শ্ৰীশ্ৰীমহামায়া থানত দিনজোৰা কাৰ্যসূচীৰে বৰমা আঞ্চলিক ব্ৰাহ্মণ সমাজৰ উদ্যোগত নলবাৰী জিলা ব্ৰাহ্মণ সমাজৰ দশম দ্বিবৰ্ষৰ প্ৰথম বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। সিদিনা পুৱা পৰিৱেশ নিকাকৰণ বৃক্ষৰোপণ পাছত ন বজাত পতাকা উত্তোলন কৰিব নলবাৰী জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি ড° দীনমণি ভাগৱতীয়ে। ইয়াৰ পাছতে ব্ৰাহ্মণ্য তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰিব প্ৰদীপ কুমাৰ গোস্বামী, জয়দেৱ শৰ্মা, মনু মিশ্ৰ, হেমন্ত কুমাৰ মিশ্ৰ আৰু দীপজ্যোতি বৰপূজাৰীয়ে। পুৱা ১১ বজাত দীনমণি ভাগৱতীৰ সভাপতিত্বত হ'ব লগা ১২ পৃষ্ঠাত চাওক

## আজিৰ পৰা ঘাঁহী চাৰিআলিত ৰঙালী বিহু উৎসৱ

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৮ এপ্ৰিল ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ ঘাঁহী চাৰিআলিৰ সমূহীয়া ভৰনত কাইলৈৰ পৰা দুদিনীয়াকৈ ঘাঁহী আঞ্চলিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত ৰঙালী বিহু উৎসৱ অনুষ্ঠিত হ'ব। আয়োজক সমিতিৰ সম্পাদক মৌচুম শৰ্মাই উল্লেখ কৰা মতে কাইলৈ পুৱা সাত বজাত চাফাই অভিযান, আঠ বজাত উদ্‌যাপন সমিতিৰ সভাপতি হিৰণ্য কুমাৰ দাসৰ দ্বাৰা পতাকা উত্তোলনৰ পাছত পুৱা ন বজাত চিত্ৰাংকন, ১০ বজাত কুইজ প্ৰতিযোগিতা, বিয়লি চাৰি বজাত অঞ্চলৰ যুৱক-যুৱতীৰ দ্বাৰা মুকলি বিহু প্ৰদৰ্শন কৰা হ'ব।

নিশা আঠ বজাত সমাজকৰ্মী উৎপল বনিয়াৰ দ্বাৰা মঞ্চ উদ্বোধন, ৮-৩০ বজাত সম্বৰ্ধনা অনুষ্ঠান, ন বজাত বিহুকন্যা আৰু অসমীয়া গীতৰ ওপৰত একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আনহাতে অন্তিম দিনা ভেশচন আৰু পুৱা মাৰাথান দৌৰ প্ৰতিযোগিতা, সন্ধিয়া ছয় বজাত বঁটা বিতৰণী অনুষ্ঠান আৰু নিশা আঠ বজাত শশীকান্ত দাসে সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব। উল্লেখ্য যে ঘাঁহী চাৰিআলিত যোৱা ১৫ আৰু ১৬ এপ্ৰিলত ৰঙালী বিহু উৎসৱৰ প্ৰথমলানি কাৰ্যসূচী পৰম্পৰাগত বিভিন্ন ধৰণৰ খেল-ধেমালি অনুষ্ঠিত হয়।

## গোসাঁইগাঁও শংকৰদেৱ বিদ্যা নিকেতনৰ বছৰজোৰা ৰূপালী জয়ন্তী বৰ্ষৰ উদ্বোধনী সমাৰোহ সম্পন্ন



অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৮ এপ্ৰিল ঃ** ৰূপালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰা গোসাঁইগাঁও সদৰ চহৰৰ ৰেলৱে ষ্টেছন পথস্থিত শংকৰদেৱ বিদ্যা নিকেতনৰ ৰূপালী জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচীৰ আজি আৰম্ভ হয়। অহা বৰ্ষৰ দুই ফেব্ৰুৱাৰীৰ ২৫ বছৰত পদাৰ্পণলৈ সাজু হোৱা শিক্ষানুষ্ঠানখনৰ বছৰজোৰা উৎসৱ উদ্‌যাপনৰ দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হয়। কাৰ্যসূচী অনুসৰি, ৰূপালী জয়ন্তী বৰ্ষৰ উদ্বোধনী কাৰ্যসূচীৰ পাছত স্মৃতি তৰ্পণ কৰে সমাজকৰ্মী খনীন্দ্ৰ নাথ দাসে। একেদৰে বিদ্যালয়ৰ ৰূপালী জয়ন্তী পৰ্বৰ পতাকা উত্তোলন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক বিশ্বজিৎ নাৰ্জাৰীয়ে। সমান্তৰালভাৱে আন ২৫খন পতাকা উত্তোলন কৰা হয়। মহকুমাৰ বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী আৰু বিশিষ্ট ব্যক্তিৰ দ্বাৰা উত্তোলন কৰা হয় এই ২৫ খন পতাকা। একেদৰে পুৱা ১১ বজাত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিয়লি নৈতিক শিক্ষাৰ গুৰুত্বৰ ওপৰত আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। কে'বাজনো শিক্ষাবিদে অংশগ্ৰহণ কৰি শংকৰদেৱ বিদ্যা নিকেতনৰ পাঠ্যক্ৰম, উদ্দেশ্য আদি বিভিন্ন দিশ সাঙুৰি বিষয়বস্তুৰ সম্পৰ্কত আলোকপাত কৰে। ৰূপালী জয়ন্তী পৰ্বত সন্ধিয়া নিকেতনৰ ছাত্ৰ-ছাত্ৰীৰে সাংস্কৃতিক নৃত্য অনুষ্ঠিত হয়। এই জয়ন্তী বৰ্ষৰ পৰাই শিক্ষানুষ্ঠানখনত কলা আৰু বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিকৰ পাঠদান সংযোজন কৰা হ'ব বুলি নিকেতনৰ প্ৰধান আচাৰ্যই সদৰী কৰিছে। বিদ্যালয়খনত বৰ্ষজোৰা কাৰ্যসূচীৰ আধাৰত আন বহু কাৰ্যসূচী গ্ৰহণ কৰাৰ কথা ব্যক্ত কৰিছে প্ৰধানাচাৰ্য প্ৰফুল্ল ভৰালীয়ে।

## শ্ৰদ্ধাঞ্জলি
### অদিতি দত্ত বৰুৱা



চাৰিগৰাকী বাই-ভনীৰ মাজত ময়েই একমাত্ৰ দুৰ্ভগীয়া আছিলো। যি শাহু আইৰ মৰম কি নাজানিলো। কিন্তু মোৰ সৰু ভনী মামণি সৌভাগ্যৱতী আছিল। বিয়াৰ পূৰ্বেই মাতৃহাৰা হ'লেও স্বামীৰ মাতৃক দ্বিতীয়গৰাকী মাতৃৰূপে লাভ কৰি বিগত ২৭ বছৰ ধৰি শাহু-বোৱাৰীৰ সেই পবিত্ৰ সম্পৰ্ক ৰক্ষা কৰি আহিছিল। ১৯৯৫ত বোৱাৰী হৈ আহি যিগৰাকী শাহুৱেকৰ পৰা তাই ছোৱালীৰ মৰম-স্নেহ আদায় কৰিবলৈ সক্ষম হৈছিল সেইগৰাকী সহজ-সৰল অদিতি দত্ত বৰুৱাৰ যোৱা ১৯ এপ্ৰিলত ৭৭ বছৰ বয়সত ষ্ট্ৰ'ক হৈ দেহাৱসান ঘটে। মাতৃৰ মমতাৰ আঁচলেৰে সদায় আৱৰি ৰখা ছাদখন সিদিনা তাইৰ মূৰৰ ওপৰৰ পৰা আঁতৰি গৈছিল। কাৰো প্ৰতি কোনো অভিযোগ নথকা সাদৰী মাকজনীৰ মৰম-স্নেহৰ পৰা তাই চিৰদিনৰ বাবে বঞ্চিত হৈ পৰিল। দত্ত বৰুৱাৰ জন্ম হৈছিল ১৯৪৫ৰ ১৯ মে'ত নলবাৰী জিলাৰ চামতাৰ ৰূপীয়া বাথানত। পিতৃ প্ৰয়াত ৰাজেন্দ্ৰ ভূঞা আৰু মাতৃ আছিল দৈব্যপ্ৰিয়া ভূঞা। বিবাহ সূত্ৰে অদিতি ভূঞাৰ ১৯৬৫ত প্ৰয়াত কনক দত্ত বৰুৱাৰ পত্নীৰূপে নলবাৰী জিলাৰে দক্ষিণ প্ৰান্তৰ পূব কালাকুছি গাঁৱৰ প্ৰয়াত শচীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাৰ ডাঙৰ বোৱাৰীৰূপে গৃহ প্ৰৱেশ হৈছিল যদিও স্বামীৰ কৰ্মসূত্ৰে পাছলৈ গুৱাহাটীৰ বাসিন্দা হৈ পৰিছিল। শাহুৱেক প্ৰভাৱাণী দত্ত বৰুৱাকো তেওঁ কাহিলিপাৰাৰ জনকপুৰৰ ঘৰখনত মৃত্যুৰ সময়লৈকে সেৱা-শুশ্ৰূষা কৰা আমি দেখিছিলো। সেই মৰমৰ এনাজৰীডাল ভনী মামণিয়েও স্বচক্ষে দেখাৰ পাছত তাৰ দ্বাৰা প্ৰভাৱিত হৈ দেওৰেক-জা-ননন্দৰ লগত মিলাপ্ৰীতিৰে চলি অহা আজিলৈকে দেখি আহিছো। শাহু-বোৱাৰীৰ সুস্থ সম্পৰ্কৰ বাবেই কণমানি দুই সন্তানক শাহুৱেকৰ লগত নিশ্চিন্তমনে এৰি থৈ তাই নিজৰ সংগীত চৰ্চা অব্যাহত ৰাখিবলৈ সক্ষম হৈছিল। মৃত্যুৰ সময়ত তেওঁ একমাত্ৰ কন্যা-জোঁৱাই, দুই বোৱাৰী আৰু বৰপুত্ৰৰ লগতে ছটাকৈ নাতি-নাতিনী আৰু অলেখ গুণমুগ্ধক এৰি যায়। আজি আদ্যশ্ৰাদ্ধ উপলক্ষে শ্ৰদ্ধাঞ্জলি যাচি ভগৱানৰ ওচৰত বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনালো।

লখিমী ৰায়মেধি (বৈশ্য)






# মৈত্ৰী কৰ্মীয়ে পোৱা নাই পাৰিতোষিক

## ■ আৰ্থিক সংকটৰ মাজেৰে সম্পাদন কৰিছে কৰ্তব্য ■ শীঘ্ৰে প্ৰদানৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২৮ এপ্ৰিল ঃ** ৰাজ্যৰ বিয়াগোম পশুপালন বিভাগত গো-পালকসকলৰ সুবিধাৰ বাবে ২০০৫ত সেই সময়ৰ চৰকাৰে নিযুক্তি দিয়া গো-পাল মিত্ৰসকলৰ উপৰি ২০১৮ত পুনৰ নিযুক্তি দিছিল আন একাংশ মৈত্ৰী কৰ্মী। ভয়ংকৰ নিবনুৱা সমস্যাত জৰ্জৰিত ৰাজ্যৰ প্ৰায় নশগৰাকী শিক্ষিত নিবনুৱাই পলমকৈ মৈত্ৰী কৰ্মী হিচাপে নিযুক্তি লাভ কৰি মুখত হাঁহি বিৰিঙিছিল যদিও মৈত্ৰী কৰ্মীয়ে লাভ কৰা নাই প্ৰাপ্য পাৰিতোষিক। অনুসন্ধান কালত পোহৰলৈ অহা খবৰ মতে, প্ৰায় চাৰিশজন গো-পাল ম্ৰি আৰু নশজন মৈত্ৰী কৰ্মীয়ে আৰ্থিক সংকটৰ মাজেৰে পশুপালন বিভাগটোৰ জৰিয়তে গাঁৱে গাঁৱে গো-পালকসকলৰ গৰুক বিনামূলীয়া প্ৰতিষেধক প্ৰদান কৰাৰ কাম সম্পাদন কৰিব লগা হৈছে। বিগত বৰ্ষত এনেবোৰ মৈত্ৰী কৰ্মীয়ে অসম চৰকাৰৰ পশুপালন বিভাগৰ দ্বাৰা বিনামূলীয়া এফএমডি প্ৰতিষেধক প্ৰদান কৰি অহাৰ পাছতো কৰ্মচাৰীসকলৰ প্ৰাপ্য পাৰিতোকি প্ৰদানৰ কথা চৰকাৰ আৰু সংশ্লিষ্ট বিভাগটোৱে আজিলৈকে গুৰুত্ব নিদিয়াত কৰ্মীসকলৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। ইমানৰ পাছতো পুনৰ বিভাগটোৰ বিষয়া-আমোলাই মৈত্ৰী কৰ্মীসকলক লগত লৈ বিনামূলীয়া এফএমডি প্ৰতিষেধক প্ৰদানৰ নিৰ্দেশ দিয়াত বিপাঙত পৰিব লগা হৈছে কৰ্মীসকল। উল্লেখ্য যে চৰকাৰৰ এনে জনকল্যাণকামী আঁচনিয়ে গো-পালকসকলক উপকৃত কৰিলেও প্ৰশিক্ষণপ্ৰাপ্ত মৈত্ৰী কৰ্মীসকলে বছৰ বছৰ ধৰি পেটত গামোচা বান্ধি কৰ্তব্য সম্পাদন কৰিব লগা হোৱা বিষয়টোৱে উদঙাই দিছে নিকা আৰু স্বচ্ছ প্ৰশাসনৰ কথা কোৱা চৰকাৰখনৰ আভ্যন্তৰীণ স্বৰূপ। সেয়ে এনেবোৰ মৈত্ৰী কৰ্মীৰ জীৱন-সম্পত্তিৰ কথা বিবেচনা কৰি বিভাগীয় কৰ্তৃপক্ষ আৰু চৰকাৰে নিয়মীয়াকৈ পাৰিতোষিক প্ৰদান কৰিবলৈ সদৌ অসম মৈত্ৰী কৰ্মী সন্থাৰ সভাপতি প্ৰাণজিৎ চুতীয়া, সম্পাদক দ্বীপনজ্যোতি দাসে দাবী জনাইছে।



*তেজপুৰত কৰ্কট কেন্দ্ৰ উদ্বোধনী অনুষ্ঠান, বৃহস্পতিবাৰে।*

# জলজীৱন আঁচনি শীঘ্ৰে ৰূপায়ণৰ নিৰ্দেশ

## ■ বৰপেটাত জল জীৱন মিছনৰ কাম-কাজৰ পৰ্যালোচনা

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৮ এপ্ৰিল ঃ** ৰাজ্যৰ অতিৰিক্ত মুখ্য সচিব ছায়েদাইন আব্বাছীয়ে পৰহি অবিভক্ত বৰপেটা জিলাত ৰূপায়িত হৈ থকা জল জীৱন মিছনৰ কাম-কাজৰ পৰ্যালোচনাৰ বাবে বৰপেটাত উপস্থিত হয়। দিনৰ ১১ বজাত বৰপেটাত উপস্থিত হোৱা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দায়িত্বত থকা জ্যেষ্ঠ ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়াজনে জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন বৈঠকত মিলিত হৈ বৰপেটা আৰু বজালী জিলাত ৰূপায়িত হৈ থকা জল জীৱন মিছনৰ আঁচনিসমূহৰ সম্পৰ্কত পৰ্যালোচনা চলায়। তেওঁ আঁচনিসমূহৰ দ্ৰুত আৰু কাৰ্যকৰী ৰূপায়ণত থকা প্ৰতিবন্ধকতাসমূহৰ বিষয়ে সকলো পক্ষৰে মতামতৰ আধাৰত আলোচনা কৰি ইয়াৰ সমাধানৰ পথ-নিৰ্দেশনাও দাঙি ধৰে। তেওঁ কয় যে সকলো আঁচনিৰ ৰূপায়ণ বিধি অনুযায়ী হ'ব লাগিব, ঠিকাদাৰৰ সুবিধা অনুযায়ী কৰিলে নহ'ব। পথৰ কাষত পৰ্যাপ্ত গভীৰতাত পানীৰ নলবোৰ পোতাৰ নিৰ্দেশ দি তেওঁ কয় যে পাছত পথ বহল হ'লে লোকনিৰ্মাণ (পথ) বিভাগে নলবোৰ স্থানান্তৰ কৰাৰ দায়িত্ব পালন কৰিব লাগিব। তেওঁ লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী আৰু শক্তি বিভাগৰ বিষয়াসকলক সু-সমন্বয়ৰ মাজেৰে কাম কৰিবলৈ আহ্বান জনায়। বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালে আঁত ধৰা সভাত বজালী জিলাৰ উপায়ুক্ত কাবেৰী বৰকটকী শৰ্মাৰ উপৰি দুয়োখন জিলাৰ জনস্বাস্থ্য কাৰিকৰী, লোক নিৰ্মাণ (পথ) আৰু অসম শক্তি বিতৰণ প্ৰতিষ্ঠানৰ বিষয়া আৰু চক্ৰ বিষয়াসকল উপস্থিত থাকে। পাছত তেওঁ এই কামত নিয়োজিত ঠিকাদাৰসকলৰ স'তেও আলোচনাত মিলিত হৈ তেওঁলোকৰ সমস্যাৰ বিষয়েও জনাৰ চেষ্টা কৰে। তেওঁ স্পষ্ট কৰি দিয়ে যে কোনো অজুহাততে কামৰ মান আৰু সময়সীমাৰ স'তে আপোচ কৰা নহ'ব।

# জালাহৰ বাট-পথ যাতায়াতৰ বাবে সুচল কৰাৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ২৮ এপ্ৰিল ঃ** বাগ্‌সা জিলাৰ জালাহৰ বেচৰকাৰী সংস্থা 'সৃষ্টি'ৰ সম্পাদক কুমাৰ অনুপমে এক বিবৃতিযোগে জনাইছে যে জিলাখনৰ মুছলপুৰ মহকুমাৰ অন্তৰ্গত জালাহঘাট হ'ল সমগ্ৰ জালাহ অঞ্চলৰ প্ৰাণকেন্দ্ৰ আৰু এক বাণিজ্যিকস্থলী। কিন্তু জালাহঘাটত নলাৰ ব্যৱস্থাপনা সঠিক নোহোৱা বাবে ৰাইজৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, ৰোগী তথা বিভিন্ন অঞ্চলৰ পৰা অহা জনতাই দীৰ্ঘদিন ধৰি জীয়াতু ভুগী আহিব লগা হৈছে। এনেদৰে আক্ষেপ প্ৰকাশ কৰি 'সৃষ্টি'ৰ সম্পাদকে উল্লেখ কৰে যে বাৰিষাৰ আৰম্ভণিতেই এজাক বৰষুণতে বিভিন্ন ঠাইত পানী জমা হোৱা দেখা যায় আৰু ৰাস্তাৰ গাঁতত পৰি বহুলোক দুৰ্ঘটনাত পতিত হৈ আহিছে। বিবৃতিটোত বিভাগীয় কৰ্তৃপক্ষৰ হেমাহিৰ বাবে পানীৰ পাইপ মেৰামতিৰ বাবে খন্দা গাঁতবোৰ ভালকৈ পুতি নিদিয়াত এইবোৰত কে'বাটাও দুৰ্ঘটনা সংঘটিত হৈছে বুলি অভিযোগ কৰা হয়। পৰিৱৰ্তনৰ শ্ল'গানেৰে শাসনলৈ অহা চৰকাৰে এই ক্ষেত্ৰত উচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি অন্যতম বেচৰকাৰী সংস্থা 'সৃষ্টি'য়ে দাবী জনায়। সদাব্যস্ত জালাহঘাটত পকী নলাৰ সুব্যৱস্থা কৰি বাট-পথসমূহৰ যাতায়াতৰ বাবে সুচল কৰি কৰি তুলিবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত 'সৃষ্টি'ৰ সম্পাদক অনুপম কুমাৰে আহ্বান জনায়।

# আন্তৰ্জাতিক শ্ৰমিক দিৱসৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৮ এপ্ৰিল ঃ** অহা এক মে'ত বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে কামৰূপ জিলাৰ পশ্চিম বড়িগোগ মৌজাৰ বকুলতলত আন্তৰ্জাতিক শ্ৰমিক দিৱসৰ আয়োজন কৰিছে। নিখিল ভাৰত কৃষক সভা আৰু সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ পশ্চিম বড়িগোগ আঞ্চলিক সমিতিৰ উদ্যোগত দিনৰ এক বজাত আয়োজিত মুকলি সভাত বক্তাৰূপে অংশগ্ৰহণ কৰিব সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ অসম ৰাজ্যিক সভাপতি বদন ভূএগ। অনুষ্ঠানত সকলো কৃষক শ্ৰমিক তথা ৰাইজৰ উপস্থিত শ্ৰদ্ধাৰে কামনা কৰিছে দুয়ো সংগঠনৰ সম্পাদক ক্ৰমে খগেন চন্দ্ৰ দাস আৰু জয়কান্ত কলিতাই।



*মৰিগাঁৱত ধুমুহাত বিধ্বস্ত গৃহ, বৃহস্পতিবাৰে।*

# বহলপুৰৰ শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয়ত 'কিষাণ ভাগীদাৰী প্ৰাথমিকতা হামাৰী'

**অগ্ৰদূত বাৰ্তা**

**বহলপুৰ, ২৮ এপ্ৰিল ঃ** বহলপুৰস্থিত ধুবুৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত পৰহি দিনজোৱা বিস্তৃত কাৰ্যসূচীৰে বহলপুৰৰ শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয় চৌহদত 'আজাদী কা অমৃত মহোৎসৱ' কাৰ্যসূচীৰ অধীনত 'কিষাণ ভাগীদাৰী প্ৰাথমিকতা হামাৰী' শীৰ্ষক এক কৃষক অধিকাৰ সম্পৰ্কীয় অনুষ্ঠান সম্পন্ন হয়। ধুবুৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী তথা জ্যেষ্ঠ কৃষি বিজ্ঞানী ড° ফকৰউদ্দিন আলীয়ে আদৰণি ভাষণ আগবঢ়োৱা কৃষিভিত্তিক কাৰ্যসূচী উদ্বোধন কৰে পূব বিলাসীপাৰাৰ বিধায়ক ছামচুল হুদাই। অনুষ্ঠানত চাপৰৰ চক্ৰ বিষয়া কবিতা ডেকা, ধুবুৰীৰ জিলা কৃষি বিষয়া মৃগেন স্বৰ্গীয়াৰী, ধুবুৰীৰ মহকুমা কৃষি বিষয়া নিৰ্মল ঘোষ, সহকাৰী জিলা কৃষি বিষয়া দীপাংকৰ দাস, বহলপুৰৰ শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয়ৰ সহযোগী বিজ্ঞান গুৰু ড° ৰণজিৎ কুমাৰ শৰ্মা, কৃষি বিশেষজ্ঞ দিব্যঋষি ভট্টাচাৰ্য আদিয়ে ভাষণ প্ৰদান কৰি কৃষিবিদ্যা, কৃষি বিপণন, কৃষি পদ্ধতি সম্পৰ্কে তথ্যগধুৰ বক্তব্য আগবঢ়ায়। কৃষি বিজ্ঞান কেন্দ্ৰৰ কৃষি বিজ্ঞানী, শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয়ৰ অধ্যাপক আৰু স্থানীয় কৃষকৰ মাজত অন্তৰংগতাৰে আৰু সৌহাৰ্দ্যপূৰ্ণভাৱে সম্পন্ন হোৱা অনুষ্ঠানৰ সামৰণিত শলাগৰ শৰাই আগবঢ়ায় ধুবুৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ সহকাৰী প্ৰকল্প বিজ্ঞানী ৰিমজিম শিখা বৰাই।

# কাজলগাঁও কৃষি বিজ্ঞান কেন্দ্ৰত কৃষক মেলা

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২৮ এপ্ৰিল ঃ** কাজলগাঁওস্থিত চিৰাং জিলা কৃষি বিজ্ঞান কেন্দ্ৰত কৃষক মেলা পৰহি অনুষ্ঠিত হয়। স্বাধীনতা ৭৫ বছৰ উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি 'কিষাণ ভাগীদাৰী প্ৰাথমিকতা হামাৰী' অভিযানৰ অংশ হিচাপে কাজলগাঁওস্থিত কৃষি বিজ্ঞান কেন্দ্ৰ চৌহদত জিলা কৃষক মেলা অনুষ্ঠিত হয়। এই জিলা কৃষি মেলাত কাজলগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উপৰি জিলা কৃষি বিভাগ, ৰেচম বিভাগ, হস্ততাঁত বস্ত্ৰশিল্প বিভাগ, পশুপালন বিভাগৰ লগতে বিভিন্ন আত্মসহায়ক গোট নিজ নিজ বিপণীৰ স'তে অংশগ্ৰহণ কৰা এই 'জিলা কৃষক মেলা'ৰ উদ্বোধন কৰে ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৰা নাৰ্জাৰী আৰু বিটিচিৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে। এই জিলা কৃষক মেলা উপলক্ষে কৃষি বিজ্ঞান কেন্দ্ৰৰ সভাগৃহত এখন সজাগতামূলক সভা অনুষ্ঠিত হয় জিলাখনৰ কৃষকসকলক লৈ। য'ত বিশেষকৈ কৃষি খণ্ডৰ উন্নয়ন বৃদ্ধিৰ বাবে আৱিষ্কৃত হোৱা নতুন নতুন সজুলি তথা পদ্ধতিৰ বিষয়ে কৃষকসকলৰ মাজত সজাগতা সৃষ্টি কৰা হয়। সভাত জিলাখনৰ কাজলগাঁও আৰু বিজনী মহকুমাৰ প্ৰায় দুই শতাধিক কৃষি কৰ্মৰ স'তে জড়িত লোক উপস্থিত থাকে।

# ৰূপহী মহাবিদ্যালয়ত যোগ প্ৰশিক্ষণ কৰ্মশালা আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২৮ এপ্ৰিল ঃ** নগাঁও জিলাৰ ৰূপহী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা (এনএছএছ) কোষৰ উদ্যোগত আৰু অসম যোগ সংস্থাৰ সহযোগত আজিৰে পৰা ১৫ দিনীয়া যোগ প্ৰশিক্ষণ কৰ্মশালা আৰম্ভ হৈছে। ৰূপহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিএন পাটনায়কে মুকলি কৰা কৰ্মশালাখনৰ আৰম্ভণি অনুষ্ঠানত অসম যোগ সংস্থাৰ সাধাৰণ সম্পাদক তথা যোগ গুৰু প্ৰভাত চন্দ্ৰ বৰা, মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° ফাৰদুচি বেগম, সহযোগী অধ্যাপক নুৰ মহম্মদ, সহযোগী অধ্যাপক ক্ৰমে ড° ৰিয়াজুল হক, ইকবাল হুছেইন, আনোৱাৰ ছিদ্দিক, ৰেকিবুদ্দিন আহমেদ হাজৰিকা, এনএছএছৰ সহকাৰী আঁচনি বিষয়া তথা যোগৰ সমন্বয়ক সৃজনী হাজৰিকা, যোগ সংস্থাৰ বিষয়ববীয়া মঞ্জুলা লস্কৰ, ৰ'জি দেৱী ফুকন, লিলি সন্দিকৈ, বিজু শইকীয়া, বিচিত্ৰ ৰঞ্জন বৰা, বিচিত্ৰা ভূএগ আৰু জয়াৰাণী ডেকা আদি উপস্থিত থাকে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে ভাগ লোৱা কৰ্মশালাত কালি যোগাসন প্ৰদৰ্শন কৰাৰ উপৰি যোগ প্ৰট'কল প্ৰশিক্ষণ প্ৰদান কৰা হয়।

# সোণালী জয়ন্তীৰ পূৰ্ণাংগ সভাৰ আয়োজন

**ছয়গাঁও, ২৮ এপ্ৰিল ঃ** কামৰূপ জিলাৰ পলাশবাৰী বিধান সভা সমষ্টিৰ তিনি নম্বৰ আমত'লা গাঁৱৰ ৰঙালী বিহু অহা বেলি ২০২৩ ত উক্ত গাঁৱৰ বিহুখনে ৫০ বছৰত ভৰি দিয়া উপলক্ষে সোণালী জয়ন্তী বৰ্ষত উপনীত হৈছে। সেইবাবে অহা পহিলা মে'ৰ পুৱা ১০ বজাত বিশ্বৰত্ন ডঃ ভূপেন হাজৰিকা মঞ্চৰ বাকৰিত সোণালী জয়ন্তীৰ পূৰ্ণাংগ সমিতি গঠন কৰাৰ উদ্যেশ্যে এখন ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছে। তিনি নম্বৰ আমত'লা গাঁও উন্নয়ন সমিতিৰ নেতৃত্বত অনুষ্ঠিত হ'ব লগা উক্ত সভাতসমূহ ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# মৰাণত কৃতী শিক্ষক-সমাজ সংগঠক ৰামজী চাহুৰ ওপজা দিন পালন

**অগ্ৰদূত বাৰ্তা**

**মৰাণ ২৮ এপ্ৰিল ঃ** ডিব্ৰুগড় জিলা মৰাণ কুশল নগৰৰ নিবাসী সমাজ সংগঠক, অৱসৰ প্ৰাপ্ত কৃতী শিক্ষক ৰামজী চাহুৰ ৭২ সংখ্যক ওপজা দিনটো কালি সন্ধিয়া চাহুৰ নিজা বাসভৱন চৌহদত সদৌ অসম চাহু বৈশ্য সন্মিলনৰ মৰাণ শাখাই পালন কৰে। এই উপলক্ষে মৰাণ শাখা চাহু বৈশ্য সন্মিলনৰ সভাপতি ওঁম প্ৰকাশ চাহুৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা খনৰ উদ্দেশ্য ব্যাখ্যা কৰে সদৌ অসম চাহু বৈশ্য সন্মিলনৰ সাধাৰণ সম্পাদক তিলক চাহুৱে। উক্ত সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহন কৰে মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাজিব বৰা, মৰাণৰ জ্যেষ্ঠ সাংবাদিক তথা মৰাণ মহকুমা সাংবাদিক মঞ্চৰ কাৰ্যকৰী সভাপতি বাছা বৰা, সদৌ অসম চাহু বৈশ্য সন্মিলনৰ কাৰ্যকৰী সভাপতি জনকৰাম চাহুৱে। চাহুৰ সান্নিধ্য লাভ কৰা মৰাণৰ চাহু বৈশ্য সন্মিলনৰ বিষয়ববীয়া শত্ৰুঘ্ন চাহু, ৰঞ্জিত চাহু, অভিনব চাহু, নয়নমণি বৰা চাহু, কৃষ্ণ চাহুকে ধৰি কে'বাজনো লোকে চাহুৰ কৰ্মৰাজি জীৱনৰ সম্পৰ্কে আলোকপাত কৰে।

# মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত কৃষক মেলা

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ২৮ এপ্ৰিল ঃ** 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি আৰম্ভ হৈ থকা 'কিষাণ ভাগিদাৰী প্ৰাথমিকতা হামাৰি অভিযান'ৰ অংশ হিচাপে পৰহি মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰই ঝাৰগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ কাৰ্যালয়ত এখন কৃষক মেলা অনুষ্ঠিত কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা তিনি শতাধিক পুৰুষ-মহিলা কৃষকে অংশগ্ৰহণ কৰা কৃষক মেলাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই। উপায়ুক্তই কৃষকৰ আয় দুগুণ কৰিবলৈ কৃষি বিজ্ঞান কেন্দ্ৰই যি উন্নত কাৰ্যপদ্ধতি গ্ৰহণ কৰিছে সেই সুবিধা গ্ৰহণ কৰিবলৈ কৃষকসকলৰ প্ৰতি আহ্বান জনায়। জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী ড° ৰিজুস্মিতা শৰ্মা ডেকাই আদৰণি ভাষণ প্ৰদান কৰা মেলাত জিলা কৃষি বিষয়া ইন্দ্ৰমোহন তালুকদাৰ, জিলা মীন বিষয়া ভাস্কৰজ্যোতি নাথ, জিলা পশুপালন বিষয়া ড° নীলোৎপল কাকতি, অসম পশু চিকিৎসা মহাবিদ্যালয়ৰ সহযোগী সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° অতুল বৰগোহাঁই, ৰহাৰ মীন মহাবিদ্যালয়ৰ বিজ্ঞান গুৰু, জিলা ভূমি সংৰক্ষণ বিষয়া দ্বীপজ্যোতি শৰ্মাকে আদি কৰি জিলাখনৰ কে'বাটাও বিভাগৰ মুৰব্বী বিষয়াসকলে অংশগ্ৰহণ কৰা মেলাত কৃষি বিষয়াৰ বিভিন্ন উন্নত প্ৰযুক্তিৰ প্ৰদৰ্শন কৰা হয়।

অসম কৃষি বিশ্ববিদ্যালয়ৰ গ্ৰাম্য উদ্যান শস্যৰ কৰ্ম অভিজ্ঞতা আঁচনিৰ ২০২২ৰ ছাত্ৰ-ছাত্ৰীসকলে অসমৰ জাতীয় সংগীত আৰু সমবেত সংগীতেৰে কাৰ্যসূচী আৰম্ভ কৰা কৃষক মেলাত ১৮জনে নিৰ্বাচিত কৃষকক কৃষি বিজ্ঞান কেন্দ্ৰৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপৰি কৃষক মেলা সামৰণিৰ পূৰ্বে কৃষি বিজ্ঞানী আৰু কৃষকসকলৰ মাজত এক মত বিনিময় অনুষ্ঠানো অনুষ্ঠিত হয়।

# নলবাৰীত নাট্যশিল্পী ৰজনী বৰ্মনক ৰাজহুৱা স্মৰণ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৮ এপ্ৰিল ঃ** নলবাৰী জিলাৰ অৰৰাত পৰহি বিয়লি বিশিষ্ট নাট্যশিল্পী, সমাজকৰ্মী ৰজনী বৰ্মনৰ আদ্যশ্ৰাদ্ধ উপলক্ষে ৰাজহুৱাভাৱে স্মৰণ কৰা হয়। সাহিত্যসেৱী উমেশ বৰ্মনৰ সভাপতিত্বত আৰু অৱসৰপ্ৰাপ্ত শিক্ষক সুৰেন্দ্ৰ নাথ বৰ্মনে আঁত ধৰা স্মৃতিচাৰণ সভাত শিক্ষাবিদ চক্ৰধৰ কলিতাই কয় যে ৰজনী বৰ্মন এজন মাটিৰ মানুহ আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ত কৰ্মৰত আছিল যদিও গাঁৱৰ চহা জীৱনৰ মাটিৰ গোন্ধ থকা ব্যক্তি হিচাপে গুৱাহাটীৰ পৰা নিজৰ কৰ্তব্য পালন কৰিও গাঁৱলৈ ঢপলিয়াই আহিছিল। কাৰণ গাঁৱত নাটকৰ আখৰা চলাব লাগিব। সাংস্কৃতিক মনৰ মানুহজনে নাটকৰ নামত জীৱনটো সপিছিল বুলি দোহাৰে। অনুষ্ঠানত নলবাৰী পূৰ্ব ভাৰতীৰ সচিব প্ৰমোদ তালুকদাৰ, নাট্যশিল্পী যাদৱ চন্দ্ৰ ডেকা,দধিৰাম ডেকা, সেউজীৰ সম্পাদক বসন্ত মজুমদাৰ, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক সত্যৰাম কলিতা, সমাজকৰ্মী সমীন্দ্ৰ নাথ মহন্ত, সংগীত শিল্পী খগেন মহন্ত, কবি ভাস্কৰ শৰ্মা আদিয়ে প্ৰয়াত নাট্যশিল্পী বৰ্মনক স্মৰণ কৰি তেওঁৰ জীৱন দৰ্শন সন্দৰ্ভত ব্যাখ্যা কৰে। তদুপৰি আদিতে পত্নী কিৰণ বৰ্মন, পুত্ৰ গৌতম বৰ্মন, ৰাতুল বৰ্মনে বন্তি প্ৰজ্বলন কৰি স্মৰণ কৰে। অনুষ্ঠানত প্ৰতুল কলিতাৰ সম্পাদনা, মৰমী কলিতাৰ সহযোগী সম্পাদনাত প্ৰকাশ কৰি উলিওৱা 'স্মৃতি-মাল্য' নামৰ সোঁৱৰণী স্মৃতিগ্ৰন্থখন উন্মোচন কৰি বিশিষ্ট নাট্যকাৰ, কবি সমৰেন্দ্ৰ বৰ্মনে কয় যে মৃদুভাষী, সুকণ্ঠৰ অধিকাৰী ৰজনী বৰ্মন অন্য এক নটসূৰ্য ফণী শৰ্মা আছিল। আমাৰ হৃদয়ত নাট্যস্তম্ভ হিচাপে পৰিচিত বৰ্মনে অভিনেতা হিচাপে সফল আৰু সমাজলৈ অৱদান থকা বিশিষ্ট লোক আছিল বুলি উল্লেখ কৰে।

# 'কৃষকৰ অংশীদাৰিত্ব আমাৰ প্ৰাথমিকতা' শীৰ্ষক কৃষক মেলা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৮ এপ্ৰিল ঃ** 'কৃষকসকল আমাৰ সম্পদ। এই কৃষকসকলক সঠিক বাটে আগুৱাই নিয়াৰ দায়িত্ব আমাৰ আৰু এইসকলক উপযুক্ত এখন বজাৰ দিয়াৰ দায়িত্বও আমাৰ।' এই মন্তব্য শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ। পৰহি নপামস্থিত কৃষি বিজ্ঞান কেন্দ্ৰত স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰণালয়ে ২৫ এপ্ৰিলৰ পৰা ৩০ এপ্ৰিললৈ কৃষকৰ কল্যাণৰ বাবে 'কৃষকৰ অংশীদাৰিত্ব আমাৰ প্ৰাথমিকতা'ৰ অভিযানৰ অধীনত শোণিতপুৰ জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত কৃষক মেলাত অংশগ্ৰহণ কৰি উপায়ুক্তজনে আৰু কয়, 'বৰ্তমান চৰকাৰে কৃষকৰ আৰ্থিক উন্নয়নৰ লগতে সমস্যাসমূহ সমাধানৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা বুলি কয়। উপায়ুক্তজনে বৰ্তমান ৰাজ্য চৰকাৰে ভাৰতীয় খাদ্য নিগম আৰু খাদ্য আৰু অসামৰিক যোগান বিভাগৰ জৰিয়তে কৃষকৰ পৰা উচিত মূল্যত ধান ক্ৰয় কৰাৰ বিষয়ে সদৰী কৰি উপায়ুক্তজনে বৰ্তমান চৰকাৰে মাছৰ উৎপাদন বৃদ্ধিৰ বাবে অমৃত সৰোবৰ আঁচনিৰ অধীনত প্ৰতিখন জিলাত এক হেক্টৰ মাটি কালিৰ ৭৫ টা সমুহীয়া ফিছাৰী খন্দাৰ প্ৰকল্প গ্ৰহণ কৰাৰ কথা সদৰী কৰে। আনহাতে, কালি কৃষি বিজ্ঞান কেন্দ্ৰত অনুষ্ঠিত কৃষক মেলাৰ পাছতেই কৃষকসকলৰ বিভিন্ন সমস্যা সমাধানৰ বাবে জ্যেষ্ঠ কৃষি বিজ্ঞানীৰ লগত কৃষকসকলৰ মাজত মত বিনিময় হয়। অনুষ্ঠানত দুগৰাকী মহিলা কৃষকসহ তিনিগৰাকী প্ৰগতিশীল কৃষক ক্ৰমে পুঠিমাৰীৰ দীপক দাস, পৰম্পৰাগত খাদ্য উৎপাদন কৰা প্ৰণতি বৰা আৰু মহিলা শক্তি কেন্দ্ৰৰ পপী মাৰাকক নপাম কৃষি বিজ্ঞান কেন্দ্ৰৰ পৰা মানপত্ৰ, মেমণ্ট আৰু গামোচাৰে সন্মানিত কৰা হয়। শতাধিক কৃষকে অংশগ্ৰহণ কৰা উদ্বোধনী অনুষ্ঠান আৰু কাৰিকৰী কৰ্মশালাত বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ সহযোগী ডিন অধ্যাপক ড° ৰনেন বৰ্মন, অধ্যাপক নিৰ্মল মজুমদাৰ আৰু অধ্যাপক দিগম্বৰ শৰ্মা, জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ বি বৰ্মন আৰু বসন্ত বৰমুদৈয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। কৃষি বিজ্ঞান কেন্দ্ৰ ভাৰপ্ৰাপ্ত বিষয়া ড° আৰিফা মমতাজ বেগমে উদ্দেশ্য ব্যাখ্যা কৰা সভাখন কৃষি বিজ্ঞানী ড° নমিতা দত্তই আঁত ধৰে। কৃষি বিশ্ববিদ্যালয়ৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰীসকলে সমবেত গীত পৰিবেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ৩০ এপ্ৰিললৈকে কৃষক মেলাৰ আৰু এক প্ৰদৰ্শনী অনুষ্ঠিত কৰা হৈছে। আনহাতে, উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে দিল্লীত কেন্দ্ৰীয় কৃষি মন্ত্ৰীয়ে ভাৰ্চুৱেলী মুকলি কৰা অনুষ্ঠান উপভোগ কৰে।

# মঙলদৈ মহাবিদ্যালয়ত নাকৰ মূল্যায়ন প্ৰস্তুতিৰ ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৮ এপ্ৰিল ঃ** মহাবিদ্যালয়সমূহকে ধৰি দেশৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানমূহৰ শৈক্ষিক মান নিৰূপণকাৰী উচ্চ ক্ষমতাসম্পন্ন স্বতন্ত্ৰ ৰাষ্ট্ৰীয় সংস্থা নাকৰ দ্বাৰা মান নিৰ্ধাৰণৰ পূৰ্বে এই উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ কৰ্তৃপক্ষই গ্ৰহণ কৰিবলগীয়া প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰাৰ অৰ্থে মঙলদৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান মূল্যায়ন কোষৰ উদ্যোগত পৰহি এক ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হয়।

দৰং জিলাৰ লগতে চুবুৰীয়া ওদালগুৰিৰ বহুকেইখন মহাবিদ্যালয় আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ প্ৰায় ৯০গৰাকী অধ্যাপক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে গুৱাহাটীৰ এছ বি দেওৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধৰ্মেন্দ্ৰ নাথ আৰু দৰঙৰ পণ্ডিত দীনদয়াল উপাধ্যায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লক্ষী প্ৰসাদ হাজৰিকাই। সমল ব্যক্তি ড° নাথে স্বঅধ্যয়ন প্ৰতিবেদন, বছৰেকীয়া মান নিৰ্ধাৰণ প্ৰতিবেদন, মান নিশ্চিতকৰণ, শিক্ষানুষ্ঠান তথ্য আদি বিষয়ত আলোকপাত কৰাৰ লগতে আনজন সমল ব্যক্তি ড° হাজৰিকাই 'গ্ৰীণ অডিটিং' সম্পৰ্কে ব্যাখ্যা কৰে। সহকাৰী অধ্যাপক ড° বৰ্ণালী ডেকাই আঁত ধৰা এই দিনজোৱা কৰ্মশালাখন মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ৰমণী চহৰীয়া, আভ্যন্তৰীণ মান মূল্যায়ন কোষৰ সমন্বয়ক পৰেশ কুমাৰ শৰ্মাৰ উপস্থিতিত উদ্বোধন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কমলাকান্ত বৰাই।

# মৰিগাঁৱৰ বাৰপূজীয়াত ছহিদৰ প্ৰতিমূৰ্তিৰ সন্মুখতেই সুৰাৰ বিপণী

## ■ বাৰপূজীয়াত দল-সংগঠনৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২৮ এপ্ৰিল ঃ** স্বাধীনতা আন্দোলনৰ ৰক্তৰে ৰক্তিত মৰিগাঁও জিলাৰ বাৰপূজীয়াৰ '৪২ৰ আন্দোলনৰ তিনিগৰাকী বীৰ ছহিদ তিলক ডেকা, হেমৰাম পাতৰ আৰু গুণাভিৰাম বৰদলৈৰ জন্মস্থান বাৰপূজীয়াত শেহতীয়াকৈ আবকাৰী বিভাগে দুখনকৈ বিদেশী সুৰাৰ দোকান স্থাপনৰ বাবে অনুজ্ঞাপত্ৰ প্ৰদান কৰা হঠকাৰী কাণ্ডক কেন্দ্ৰ কৰি সমগ্ৰ বাৰপূজীয়া অঞ্চলত ব্যাপক প্ৰতিক্ৰিয়াৰ লগতে ৰাইজৰ চকু কপালত উঠিছে। স্বাধীনতাৰ বীৰ ছহিদৰ জন্মস্থানত আবকাৰী বিভাগে বিভাগীয় নীতি-নিয়ম উলংঘা কৰি কেনেদৰে বিদেশী সুৰাৰ অনুমতি প্ৰদান কৰিলে সেই লৈ এতিয়া সমগ্ৰ অঞ্চলটোত তীব্ৰ জোকাৰণি সৃষ্টি কৰিছে। অতি আশ্চৰ্যজনক বিষয় যে যোৱা ১৩ এপ্ৰিলত জিলাখনক বাৰপূজীয়া তিনিআলিত আবকাৰী বিভাগে অনুমতি দিয়া জে 'এম ৱাইন বাৰ' নামৰ এখন বিদেশী সুৰাৰ দোকান স্থাপন কৰে। এই ৱাইন বাৰখন স্থাপনক লৈ সৰ্বত্ৰে প্ৰতিক্ৰিয়া চলি থকাৰ মাজতেই বাৰপূজীয়াত 'এছ এছ ৱাইন বাৰ' নামৰ আন এখন বিদেশী সুৰাৰ দোকান স্থাপনৰ অনুমতি পুনৰ প্ৰদান কৰে। অতি তাৎপৰ্যপূৰ্ণ বিষয় যে যি স্থানত উক্ত ৱাইন বাৰখন স্থাপন কৰে, তাৰ সন্মুখতেই '৪২ৰ ছহিদ তিলক ডেকাৰ প্ৰতিমূৰ্তি থকাৰ লগতে সেই স্থানত ৰাস মন্দিৰ আৰু কপিলী উন্নয়ন খণ্ডৰ আৱাসিক অঞ্চল সংৰক্ষিত হৈ আছে। আবকাৰী বিভাগে এই কোনো ধৰণৰ নিয়ম-নীতি সমুলঞ্চে উলংঘা কৰি কি ৰহস্যজনক কাৰণত বিদেশী সুৰাৰ ব্যৱসায় কৰিবলৈ অনুমতি দিলে সেয়াও আন এক ৰহস্যৰ বিষয়ৰূপে চৰ্চিত হৈছে। বাৰপূজীয়া অঞ্চলৰ ছাত্ৰ সন্থা, কৃষক মুক্তি সংগ্ৰাম সমিতি, বাৰপূজীয়া নাগৰিক সমাজ আদি বহুকেইটা দল-সংগঠনে এই অবৈধ কাৰ্যৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছতো অসম চৰকাৰৰ আবকাৰী বিভাগে দুখনকৈ বিদেশী সুৰাৰ দোকান স্থাপনৰ বাবে অনুমতি প্ৰকাশ কৰে। এনে কাৰ্যই উঠি অহা নতুন প্ৰজন্মক ধ্বংসৰ গৰাহলৈ নিব বুলিও সংগঠনকেইটাই প্ৰতিক্ৰিয়া প্ৰদান কৰে।

ইপিনে, ছহিদ তিলক ডেকা, হেমৰাম পাতৰ আৰু গুণাভিৰাম বৰদলৈৰ জন্মভূমিত এনে বিদেশী সুৰাৰ দোকান স্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰি জাতীয় বীৰ কেইজনক চূড়ান্তভাৱে অপমান কৰিছে বুলিও অঞ্চলটোৰ ৰাইজে প্ৰতিক্ৰিয়া প্ৰদান কৰাৰ লগতে এই সুৰাৰ দোকানৰ অনুমতি বাতিল কৰিবৰ বাবেও দাবী তুলিছে।

# বড়মপুৰত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ মঞ্জুৰি পত্ৰ বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ২৮ এপ্ৰিল ঃ** নগাঁও জিলাৰ বড়মপুৰ উন্নয়ন খণ্ডৰ অধীনৰ বিভিন্ন অঞ্চলৰ হিতাধিকাৰীসকলৰ মাজত কালি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনৰ বিভিন্ন অঞ্চলৰ হিতাধিকাৰীসকলৰ মাজত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনৰ গৃহ সম্পূৰ্ণ হোৱাৰ প্ৰমাণপত্ৰ আৰু ২০২১-২২ৰ নতুনকৈ গৃহ আৱণ্টন পোৱা মঞ্জুৰি পত্ৰ বিতৰণ কৰা হয়। এই উপলক্ষে বড়মপুৰ উন্নয়ন খণ্ডৰ সভাগৃহত এখন বিশেষ গাঁও সভাত প্ৰমাণপত্ৰ আৰু মঞ্জুৰি পত্ৰসমূহ বিতৰণ কৰে বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। সভাত ভাষণ প্ৰদান কৰি বিধায়কজনে এই চৰকাৰী আঁচনিৰ জৰিয়তে দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকসকল উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে। ইফালে, সমষ্টিটোৰ অন্তৰ্গত ডিফলু গাঁও পঞ্চায়ত আৰু ডিমৰুগুৰি গাঁও পঞ্চায়ত অঞ্চলৰ হিতাধিকাৰীসকলৰ মাজতো ২০২১-২২ বৰ্ষৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনৰ গৃহ আৱণ্টনৰ মঞ্জুৰি পত্ৰসমূহ এখন সজাগতা সভাৰ জৰিয়তে বিতৰণ কৰে বিধায়ক গোস্বামীয়ে।

■ বাদুলিপাৰত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ সংস্থাৰ কাণ্ড ■ দুৰ্ঘটনা হোৱাৰ আশংকা ৰাইজৰ

# ঘাইপথৰ কাষত খান্দিলে দ' খাৱৈ

**খুমটাই, ২৮ এপ্ৰিল ঃ** যি সময়ত চৰকাৰে যানবাহনৰ দুৰ্ঘটনা ৰোধৰ বাবে বিভিন্ন পন্থা অৱলম্বন কৰিছে তেনে সময়তে গোলাঘাট জিলাৰ বাদুলিপাৰত ঘাইপথ নিৰ্মাণ সংস্থাই দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা থকা কে'বাটাও স্থানত খান্দিছে মৰণফান্দ সদৃশ দ' গাঁত। ফলত সচেতন ৰাইজৰ চকু কপালত উঠিছে। উল্লেখ যে জিলাখনৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বনগাঁও, বাদুলিপাৰ, ৰঙামাটি আদি অঞ্চলৰ ৩৭ নম্বৰ ঘাইপথৰ কাষতে চাহ বাগিচাৰ সমতল ভূমিত প্ৰায় আঠ ফুট দ', প্ৰায় ২৫ ফুট বহল, প্ৰায় সাতশ ফুট দীঘলকৈ ঘাইপথটোৰ কাষে কাষে কে'বাটাও স্থানত এইদৰে দ' খাৱৈ খান্দি তাৰ মাটি ঘাইপথ নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰিছে। ইফালে, ঘাইপথৰ নিচেই কাষতে গৰা সদৃশকৈ খন্দা দ' খাৱৈত পৰি কে'বাখনো যানবাহন ইতিমধ্যেই দুৰ্ঘটনা পতিত হোৱাৰ লগতে বহুজন গুৰুত্বভাৱে আহত হৈ চিকিৎসাধীন হ'ব লগা হৈছে। কিন্তু এইসমূহ দেখি শুনিও কোনো গুৰুত্ব প্ৰদান কৰা নাই হিন্দুস্তান কনষ্ট্ৰাকছন অৱ কোম্পানী নামৰ ঘাইপথ নিৰ্মাণ সংস্থাটোৱে। ইফালে, স্থানীয় সচেতন ৰাইজ, বিভিন্ন দল-সংগঠনে উক্ত বিষয়টো খুমটাই ৰাজহ চক্ৰৰ কাৰ্যালয়ত অৱগত কৰাৰ লগতে বিভিন্ন সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পাছতো আজি পৰ্যন্ত তিলমানো গুৰুত্ব দিয়া নাই পথ নিৰ্মাণকাৰী সংস্থাটোৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে। বৰ্তমান সময়ত উক্ত দ' খাৱৈসমূহত দুই এজাক বৰষুণতে পানী জমা হোৱাৰ লগতে বাৰিষা সময়ত উক্ত খাৱৈসমূহত পানী জমা হ'লে ঘাইপথৰ কাষতে নৈ সদৃশ পৰিৱেশ সৃষ্টি হোৱাৰ লগতে বিগত বৰ্ষৰ শিৱসাগৰৰ দিখৌ নৈ হোৱাৰ দুৰ্ঘটনাৰ দৰে ভয়ংকৰ দুৰ্ঘটনা হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। ইফালে, গোলাঘাট জিলাৰ অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদৰ সম্পাদক ৰেৱ হাজৰিকাৰ নেতৃত্বত এটি সঁজাতি দলে উক্ত দ খাৱৈসমূহ পৰিদৰ্শন কৰি ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী সংস্থাৰ এইছ চিচিৰ এনে কাণ্ডক সমালোচনা কৰাৰ লগতে শীঘ্ৰেই উক্ত গাঁতসমূহ পুতি অথবা পথটো বিপদ সংকেত চিহ্ন আঁৰি দিবলৈ আহ্বান জনোৱাৰ উপৰি গোলাঘাট জিলা প্ৰশাসনক উক্ত সংস্থাটোৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়।

ইফালে, যুৱ ছাত্ৰ পৰিষদৰ সম্পাদকজনে এনেধৰণে ঘাইপথৰ কাষত নৈ সদৃশ কৰি নিৰ্মাণ কৰা এছিয়া মহাদেশৰ ভিতৰত অসমৰ বাদুলিপাৰতেই প্ৰথম হ'ব বুলি উল্লেখ কৰাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ স্থিতি স্পষ্ট কৰিবলৈ দাবী জনায়। অন্যথা ৰাইজৰ লগতে বিভিন্ন সংগঠন একত্ৰিত হৈ পথ নিৰ্মাণকাৰী সংস্থা আৰু এনএইছআইডিচিএলৰ বিৰুদ্ধে গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ হুংকাৰ দিয়ে অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদৰ সম্পাদক ৰেৱ হাজৰিকাই।



# ভৱানীপুৰত উপস্থিত সমাজ কল্যাণৰ উপ-সঞ্চালকৰ আৱাসিক বিদ্যালয় পৰিদৰ্শন

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ২৮ এপ্ৰিল ঃ** কালি অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ উপ-সঞ্চালক স্মৃতিৰেখা দত্ত বৰাই বৰপেটা জিলা সমাজ কল্যাণ বিভাগৰ সঞ্চালক নীলেশ্বৰ ৰয়ৰ স'তে ভৱানীপুৰৰ কহৰাৰ ৩১ নম্বৰ ঘাইপথৰ সমীপতে অৱস্থিত 'কহৰা তৰুণ সংঘ'ত আহি উপস্থিত হয়। তেওঁ সংশ্লিষ্ট সংঘটোৰ স'তে সংঘ চৌহদত স্থাপিত বিশেষ উদ্দেশ্যেৰে স্থাপন কৰা আবাসিক বিদ্যালয়খন পৰিদৰ্শন কৰে। উল্লেখ্য যে ২০০৯তে অঞ্চলটোৰ বিভিন্ন প্ৰান্তত বাটে-পথে অনাই-বনাই ঘূৰি ফুৰা মানসিক ভাৰসাম্যহীন আৰু গৃহহীন লোকসকলক উপযুক্ত ব্যৱস্থা আৰু পৰিচৰ্যাৰে এগৰাকী সুস্থ, সক্ষম নাগৰিক হিচাপে গঢ়ি তোলাৰ লক্ষ্যেৰে উক্ত বিদ্যালয়খন স্থাপন কৰা হৈছিল। উক্ত দিনৰে পৰা সংঘটোৱে সমাজ অবহেলিত ঘাইকৈ বিশেষভাৱে সক্ষম লোকসকলক সক্ষম কৰি তোলাৰ উদ্দেশ্যে উল্লেখনীয় সেৱা আগবঢ়াই আহিছে। বিদ্যালয়খনত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ বিশেষভাৱে সক্ষম কে'বাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে বিশেষভাৱে প্ৰশিক্ষিত শিক্ষকৰ তত্বাৱধানত ইতিমধ্যে শিক্ষা গ্ৰহণ কৰি আছে। উদ্যোক্তাসকলৰ আবেদন মৰ্মে সঞ্চালকগৰাকীয়ে বিদ্যালয়খন পৰিচালনাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পুঁজিৰ যোগান ধৰিব বুলি আশ্বাস দিয়ে। উল্লেখ্য যে বিদ্যালয়খনৰ পৰিচালনা কমিটীয়ে বিদ্যালয়খন পৰিচালনাৰ ক্ষেত্ৰত অৰ্থাভাৱ এক অন্যতম কাৰণ হিচাপে জানিবলৈ দিয়ে। এই ক্ষেত্ৰত চৰকাৰী অনুমোদিত পুঁজি পৰ্যাপ্ত নোহোৱা কথাটোলৈ তেওঁলোকে আঙুলিয়াই দিয়ে। অনেক ক্ষেত্ৰতে তেওঁলোকে নিজৰ গাঁঠিৰ ধন ভাঙি বিদ্যালয়খন চলাই থকাৰ সদৰী কৰে।

## সৃজনগ্ৰামত আক্ৰাছুৰ উদ্যোগত বিষুৱাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৮ এপ্ৰিল ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম আৰু চক্ৰভৌম আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থা তথা মহিলা সমিতিৰ উদ্যোগত অহা দুই মে'ত বিষুৱা উৎসৱৰ দ্বিতীয়া পৰ্যায়ৰ কাৰ্যসূচী সৃজনগ্ৰাম ইউনাইটেড হাইস্কুল খেল পথাৰত অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ গোকুল বৰ্মনে উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী ময়ুৰী শইকীয়া, জীত কোচ, ৰাজবংশী গীতৰ জনপ্ৰিয় শিল্পী দেবযানী শীল, জান ভাস্কৰ আৰু হাৰ্যতাকে ধৰি কে'বাগৰাকী শিল্পীয়ে অংশ ল'ব। অনুষ্ঠান পৰিচালনাৰ বাবে ৰাজেশ্বৰ ৰায়ক সভাপতি, গিৰীন কিশোৰ ৰায়ক সাধাৰণ সম্পাদক হিচাপে লৈ গঠন কৰা সমিতিখনৰ সমান্তৰালভাৱে আক্ৰাছুৰ দুয়োখন আঞ্চলিক সমিতিৰ সভাপতি, সম্পাদক ক্ৰমে বিজু ফুকন ৰায়, সৌৰভ ৰাজবংশী, কান্তেশ্বৰ ৰায় আৰু জনছন ৰায়, সাংস্কৃতিক বিভাগৰ সম্পাদক কল্যাণ কিশোৰ ৰায়, ধনঞ্জয় ৰায়ে বিষুৱা উৎসৱৰ কাৰ্যসূচী সুকলমে পৰিচালনা কৰাৰ বাবে স্থানীয় ৰাইজৰ সহযোগিতা কামনা কৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ অংশৰূপে ১৪ এপ্ৰিলত সংগঠনটোৱে সৃজনগ্ৰামৰ বৰঘোলাস্থিত আইনৈৰ পাৰত গৰু গা ধুওৱা পৰ্ব যথা ৰীতি-নীতি অনুসৰি সমাপ্ত কৰে।

## মুৰুলী সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত নাট সমাৰোহ

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২৮ এপ্ৰিল ঃ** যোৰহাট জিলাৰ পশ্চিম যোৰহাটৰ অন্যতম অনুষ্ঠান মুৰুলী সাংস্কৃতিক গোষ্ঠীয়ে তৃতীয় বৰ্ষৰ বাবে অহা চাৰি মে'ৰ পৰা তিনিদিনীয়াকৈ নাট্য সমাৰোহ আয়োজন কৰিছে। অপেছাদাৰী একাংশ ন-পুৰণি শিল্পীৰ সমাবেশেৰে অহা চাৰি মে'ত প্ৰদীপ হাজৰিকাৰ পৰিচালনাত নাট্যকাৰ মহেশ কলিতাৰ 'ভাড়া ঘৰৰ বোৱাৰী' পাঁচ মে'ত নাট্যকাৰ অৱতাৰ সিঙৰ 'ফুল চন্দন তুলসী' আৰু ছয় মে'ত তৰণী কুমাৰ শৰ্মাৰ পৰিচালনাত নাট্যকাৰ সেৱাব্ৰত বৰুৱাৰ 'দখল' নাটক মঞ্চস্থ কৰিব। দহোটিয়াৰ নলীন চন্দ্ৰ হাজৰিকা সোঁৱৰণী ৰংগমঞ্চত সন্ধিয়া পাঁচ বজাৰ পৰা হ'ব লগা নাট সমাৰোহত ৰাইজৰ উপস্থিতি মুৰুলী সাংস্কৃতিক গোষ্ঠীৰ সভাপতি অৰবিন্দ দাস আৰু সম্পাদক মলয় পল্লৱ বৰাই কামনা কৰিছে।

## গোসাঁইগাঁৱত উলাহ-মালহেৰে ৰঙালী বিহু উদযাপন

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৮ এপ্ৰিল ঃ** ক'ভিড সৃষ্ট পৰিবেশৰ বাবে বিগত দুবছৰ বিহু অনুষ্ঠিত কৰাৰ পৰা বিৰত থকাৰ পাছত এইবেলি গোসাঁইগাঁও কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত ৰঙালী বিহু সন্মিলনৰ যোৱা ২৬ এপ্ৰিলত সামৰণি পৰে। স্থানীয় কমল নাথ ক্লাৱ কাম লাইব্ৰেৰীৰ বাকৰিত প্ৰথম দিনা পুৱা ন বজাত গোসাঁইগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অমৰজ্যোতি বাইলুঙে বিহুতলিৰ মুখ্যদ্বাৰৰ মুকলি কৰাৰ পাছত পতাকা উত্তোলন কৰে গোগাঁইগাঁও শাখা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি মানিক চন্দ্ৰ ডেকাই। ইয়াৰ পাছতে কমল নাথ ক্লাৱ কাম লাইব্ৰেৰীৰ সভাপতি পুতুল চন্দ্ৰ দাসে সমিতিৰ কৰ্মী ক্ৰমে লংকেশ্বৰ চৌধুৰী, গীতিমা দাস আৰু মদন দাসক স্মৰণ কৰা হয়। ইপিনে বিহুতলি উন্মোচন কৰে উদ্‌যাপন সমিতিৰ উপদেষ্টা তথা চিকিৎসক ডাঃ মধুসুধন কলিতাই। পুৱা ১১ বজাৰ পৰা আৰম্ভ হোৱা সাহিত্য কলা প্ৰতিযোগিতা মুকলি কৰে বিষয় শিক্ষক মৃণাল কলিতাই। অন্তিম দিনা দিনৰ ১১ বজাত আৰম্ভ হোৱা বাৰে ৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে চেৰফাংগুৰিৰ জনতা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা বিভাৰাণী চৌধুৰীয়ে। বিয়লি পাঁচ বজাৰ পৰা আৰম্ভ হোৱা বঁটা বিতৰণ অনুষ্ঠান উদ্বোধন কৰে জ্যেষ্ঠ প্ৰৱক্তা ড° লাবণ্য লহকৰে। মহাবিদ্যালয়ত তদানীন্তন কৰ্মৰত জ্যেষ্ঠ প্ৰৱক্তা ব্ৰজেন মালাকৰৰ স্মৃতিত প্ৰদান কৰা বঁটা বিতৰণী অনুষ্ঠানত আমন্ত্ৰিত অতিথিদ্বয় ক্ৰমে সমগ্ৰ শিক্ষাৰ জিলা বিষয়া জাহাংগীৰ হুছেইন আৰু গোসাঁইগাঁও প্ৰেছ ক্লাবৰ সভাপতি হাফিজুৰ ৰহমান উপস্থিত থাকি পুৰস্কাৰ বিজেতা সকলক বঁটা আৰু মানপত্ৰ প্ৰদান কৰে। সন্ধিয়া আয়োজিত সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰে জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেচাৰে। আনহাতে বন্তি প্ৰজ্বলন কৰে জিলা বিজেপিৰ সংখ্যালঘু কোষৰ সভাপতি জেঠমল মালুৱে। বিটিচি ১৩ নম্বৰ শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ সজল সিংহক বিশেষভাৱে সম্বৰ্ধনা জনায়। আনহাতে, উদ্‌যাপন সমিতিৰ সভাপতি তথা বঙাইগাঁও মহাবিদ্যালয়ৰ নৱনিযুক্ত অধ্যক্ষ ড° দীনেশ দাসক উদযাপন সমিতি তথা কমলনাথ ক্লাবৰ তৰফৰ পৰা শৰাই, জাপি আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত বিধায়ক জিৰণ বসুমতাৰী আৰু পৌৰপতি প্ৰফুল্ল ইছলাৰীও উপস্থিত থাকে।

## ব্ৰজেন চৌধুৰীৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ২৮ এপ্ৰিল ঃ** কামৰূপ জিলাৰ অন্তৰ্গত পুঠিমাৰীৰ আঠাৰা (বৰাতোলা) গাঁৱৰ যুৱক চৌধুৰী (৩৬)ৰ মৃত্যুত শোকৰ ছাঁ পৰে অঞ্চলটোত। প্ৰাপ্ত বাতৰি মতে, যোৱা ২০ এপ্ৰিলত নিজ গৃহৰ পৰা কমলপুৰস্থিত নিজৰ কৰ্তব্যস্থলীলৈ দুচকীয়া বাহন চলাই যোৱা পথত গাড়ীসহ যুৱকজনক পথৰ ওপৰত পৰি থকা প্ৰত্যক্ষ কৰে একাংশ লোকে। ততাতৈয়াকৈ চিকিৎসালয়লৈ নি ভৰ্তি কৰে আৰু কালি পুৱা চিকিৎসাধীন অৱস্থাত তেওঁৰ মৃত্যু হয়।

## জুৰীয়াৰ দাগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এম্বুলেঞ্চ প্ৰদান

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ২৮ এপ্ৰিল ঃ** কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে কালি জুৰীয়াৰ দাগাঁও ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত নিজৰ সাংসদ উন্নয়ন পুঁজিৰ ধনেৰে এখন এম্বুলেঞ্চ প্ৰদান কৰে। এই এম্বুলেঞ্চৰ দ্বাৰা সমগ্ৰ জুৰীয়াবাসী ৰাইজ যথেষ্ট উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে সাংসদ গগৈয়ে। উল্লেখ্য যে দাগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত তিনিবছৰ ধৰি কোনো এম্বুলেঞ্চৰ সুবিধা নাছিল। কংগ্ৰেছৰ শেহতীয়া স্থিতিৰ প্ৰসংগত তেওঁ কয় যে পুৰণি নেতাসকলে দল ত্যাগ কৰিলে নতুন প্ৰজন্মৰ নেতা-কৰ্মী আগবাঢ়ি অহাৰ ক্ষেত্ৰত সহায় হ'ব। লগতে বিজেপি চৰকাৰৰ কাম-কাজক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰাৰ লগতে চৰকাৰক সমালোচনা কৰে।

## ৫৮ সংখ্যক সৰুপথাৰ কেন্দ্ৰীয় ৰঙালী বিহুৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**সৰুপথাৰ, ২৮ এপ্ৰিল ঃ** সৰুপথাৰত বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত ৫৮ সংখ্যক সৰুপথাৰ কেন্দ্ৰীয় ৰঙালী বিহু যোৱা ২৫ এপ্ৰিলত সামৰণি পৰে। বিগত দুটা বছৰে মহামাৰী কৰ'নাৰ বাবে অনুষ্টুপীয়াকৈ উদযাপন কৰিবলগীয়া হৈছিল বাবেই এইবাৰ ৰাইজৰ মাজত দুগুণ উৎসাহ। কাৰণ বিহু অসমীয়াৰ প্ৰাণ, জাতিৰ স্বাভিমানৰ প্ৰতীক। প্ৰথমদিনা পুৱাৰ ভাগত পতাকা উত্তোলন, স্মৃতি তৰ্পণেৰে অনুষ্ঠানৰ আৰম্ভ হয়। মহিলাসকলৰ মাজত অনুষ্ঠিত হয় টেকেলি ভঙা আৰু সংগীত চকী প্ৰতিযোগিতা। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হয় কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতা। পৰৱৰ্তী সময়ত মঞ্চ উন্মোচন কৰিলে ৫৮ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহুৰ মুখপত্ৰ 'হাঁচতি'। পাছত সৰু বিহুৱতী, হুঁচৰি আৰু জেং বিহু প্ৰতিযোগিতা আৰু স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰি প্ৰথম দিনাৰ কাৰ্যসূচীৰ অন্ত পৰে। প্ৰথমেই উলিওৱা হয় এক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা। সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ পৰা সৰুপথাৰ ৰাজহুৱা খেল পথাৰলৈ উলিওৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাই অলপ সময়ৰ বাবে হ'লেও সমগ্ৰ সৰুপথাৰ নগৰবাসীক স্তব্ধ কৰি দিয়ে। হিলদল ভাঙি ওলাই আহে জাতি-জনগোষ্ঠীয় লোক। সকলোৱে নিজ জাতীয় সাজপাৰ পৰিধান কৰি নিজৰ নিজৰ কলা-সংস্কৃতি প্ৰদৰ্শন কৰে। বহু বছৰৰ পাছত সৰুপথাৰবাসী ৰাইজে দেখিবলৈ সক্ষম হ'ল প্ৰকৃতাৰ্থত বাৰেৰহণীয়া এক সাংস্কৃতিক শোভাযাত্ৰা। কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি দ্বিপেন বৰাই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, গোলাঘাট দেৱৰাজ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দিনেশ গগৈ, সৰুপথাৰৰ প্ৰখ্যাত চলচ্চিত্ৰ পৰিচালক ৰবীন চেতিয়া, ধনশিৰি মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি অতিৰিক্ত উপায়ুক্ত দিনছেংফা বৰুৱা, সীমান্ত দণ্ডাধীশ প্ৰাঞ্জিল গগৈ, সৰুপথাৰ সমষ্টিৰ নিৰ্বাচনী বিষয়া কিষাণজ্যোতি ডেকা, মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞা, সৰুপথাৰ থানাৰ আৰক্ষী বিষয়া জিতুমণি ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক নৰেন চুতীয়া আৰু উদ্‌যাপন সমিতিৰ উপদেষ্টা সূৰ্য গগৈক সম্বৰ্ধনা জনোৱাৰ লগতে কেন্দ্ৰীয় ৰঙালী বিহুৰ মুখপত্ৰ হাঁচতি প্ৰদান কৰা হয়।

## চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বাৰ্ষিক অধিবেশন



**চেলেংহাট, ২৮ এপ্ৰিল ঃ** যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ অন্তৰ্গত চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি বিদ্যালয়খনৰ বাৰ্ষিক অধিবেশন আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। পুৱা ন বজাত পতাকা উত্তোলন কৰি আৰম্ভ হোৱা অনুষ্ঠানটোত পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ শিক্ষক তথা ছাত্ৰ একতা সভাৰ সভাপতি তৰুণ তামুলীয়ে। তাৰ পাছতে স্মৃতি তৰ্পণ কৰে বিদ্যালয় খনৰ অধ্যক্ষ দিগন্ত কুমাৰ শইকীয়াই। আনহাতে বৃক্ষৰোপন কৰে জ্যেষ্ঠ শিক্ষয়িত্ৰী নৱনিতা গগৈয়ে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী ৰঞ্জুলা দাসে। তাৰ পাছতে কাকজান মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক দেৱকান্ত বৰুৱাৰ সভাপতিত্বত এক মুকলি সভা অনুষ্ঠিত হয় য'ত অৱসৰ প্ৰাপ্ত অধ্যক্ষ শিক্ষাবিদ জানুৰাম কূৰ্মী, সন্ধ্যাৰাণী বৰুৱা, জীৱন বৰা, মাধৱ গগৈ, মনিকা বৰাৰ লগতে শিক্ষাৰ লগত জড়িত বহুতো গণ্যমান্য ব্যক্তি আৰু অভিভাৱক-অভিভাৱিকাসকল উপস্থিত থাকে।

## মাজুলীৰ নামকাটনি গাঁৱত বজ্ৰ পৰি নাৰিকল গছ ভস্মীভূত

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৮ এপ্ৰিল ঃ** কালি নিশা আঠ বজাত অহা বতাহ-বৰষুণৰ মাজতে কমলাবাৰীৰ সমীপৱৰ্তী নামকাটনি গাঁৱৰ বুদাই কাকতি নামৰ লোকজনৰ ঘৰৰ সমীপতে থকা এজোপা নাৰিকল গছত ব্ৰজপাত পৰি দাও দাওকৈ জ্বলি তাৰ ফিৰিঙতি ঘৰৰ ফালে উফৰি যাবলৈ ধৰাত পৰিয়াল কেইটাৰ হুৱাদুৱা লাগে। অৱশ্যে উক্ত ঘটনাত কোনো লোক হতাহত হোৱা নাই।

## প্ৰধানমন্ত্ৰীৰ সপ্তাহজোৰা ফচল বীমা যোজনা পাঠশালা অনুষ্ঠান শীৰ্ষক আলোচনা

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ২৮ এপ্ৰিল ঃ** সমগ্ৰ ভাৰত বৰ্ষতে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা ২৪ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, 'কৃষাণ ভাগিদাৰী প্ৰাথমিকতা হামাৰী' শীৰ্ষক বিশেষ অনুষ্ঠান সমগ্ৰ ৰাজ্যখনৰ লগতে কালি পুৱা ১১ বজাৰ পৰা ৫০ নম্বৰ দক্ষিণ-পূব নামনি চৰাইবাহী গাঁও পঞ্চায়তত অৰুণোদয় কেন্দ্ৰৰ যোগেদি সম্প্ৰচাৰ কৰা হয়। উল্লেখ্য যে প্ৰথমখন আলোচনাত কেন্দ্ৰীয় চৰকাৰৰ কৃষি মন্ত্ৰালয়ৰ কৃষিমন্ত্ৰীৰ দ্বাৰা প্ৰত্যক্ষ সম্প্ৰচাৰ হোৱাৰ লগতে দ্বিতীয়খন আলোচনাত অসম চৰকাৰৰ ৰাজ্যিক পৰ্যায়ৰ কৃষি মন্ত্ৰালয়ৰ মন্ত্ৰীৰ দ্বাৰা সম্পূৰ্ণ সম্প্ৰচাৰ হয়। উক্ত অনুষ্ঠানত গাঁও পঞ্চায়তৰ সকলো বিষয়ববীয়াৰ লগতে অৰুণোদয় কেন্দ্ৰৰ সকলো সঞ্চালক-সঞ্চালিকাসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত সপ্তাহজোৰা কৃষি ফচল যোজনাৰ কাৰ্যসূচীৰ লগতে অৰুণোদয় কেন্দ্ৰৰ সকলোবিলাক সেৱাৰ বিষয়ে প্ৰচাৰ কৰাৰ লগতে কৃষকসকলৰ বীমা, পিএম কিষাণ কেৱাইচি, অৰু পিএমবি আদিৰ সন্দৰ্ভত বিষয়ভাৱে আলোকপাত কৰে।

## শিক্ষাৰ্থীৰে মত বিনিময় খুমটাইত বিদ্যালয় পৰিদৰ্শন উপায়ুক্তৰ

**খুমটাই, ২৮ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ খুমটাই সমষ্টিত যোৱা ২৬ এপ্ৰিলত এখন বিদ্যালয় পৰিদৰ্শন কৰি উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই শিক্ষাৰ্থীসকলৰ লগত মতবিনিময় কৰে। উল্লেখ্য যে উপায়ুক্তই খুমটাই সমষ্টিৰ চিনাতলী বালিকা প্ৰাথমিক বিদ্যালয়খন পৰিদৰ্শন কৰি শিক্ষাদান ব্যৱস্থাৰ বুজ লয়। বিদ্যালয়খন পৰিদৰ্শন কৰি উপায়ুক্তই শ্ৰেণী কোঠাত ছাত্ৰ-ছাত্ৰীৰ লগত মত বিনিময় কৰে। তদুপৰি উপায়ুক্তই চিনাতলী ৰাজ্যিক চিকিৎসালয়খনো পৰিদৰ্শন কৰে।



গোৱালপাৰাত বন্যহস্তীয়ে বিধ্বস্ত কৰা এটি গৃহ।

## আই শাঁখাতিত অৰণ্য সুৰক্ষা সমিতিৰ বিহু সম্পন্ন

বিশেষ সংবাদদাতা

**বিলাসীপাৰা, ২৮ এপ্ৰিল ঃ** অৰণ্য সুৰক্ষা সমিতিৰ অসমৰ আহ্বানত আৰু প্ৰেৰণা মঞ্চ অসমৰ সহাযোগত যোৱা ২৫ এপ্ৰিলত আই শাঁখাতি মন্দিৰ বাকৰিৰ এজোপা আঁহতৰ তলত অনুষ্ঠিত গছ বিহুত উজনি-নামনিৰ ৬০ ৰো অধিক নাচনীয়ে বিহু নাচি এক অনন্য পৰিৱেশৰ সূচনা কৰে। আই শাঁখাতি মন্দিৰ সমিতিৰ কাৰ্যকৰী সভাপতি অশ্বিনী দাসে গছলৈ বিহুৱান আগবঢ়াই এই বিহুৰ উদ্বোধন কৰে। ইয়াৰ পাছতে বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰি কোকৰাঝাৰ জিলাৰ শিক্ষা বিষয়া জাহাংগীৰ হুছেইনে কয় যে অৰণ্য সুৰক্ষা সমিতিৰ অসমে সূচনা কৰা গছবিহুৱে প্ৰকৃতি সুৰক্ষাৰ ক্ষেত্ৰত নতুন চেতনাৰ জাগৰণ তুলিছে। ইয়াৰ পাছতে ঘোণাসুঁতি পৰীয়া বিহুৱা, শিক্ষা বিষয়া মনোজ কুমাৰ ফুকনৰ বিহুৱা দলে বিহু হুঁচৰি পৰিবেশন কৰে। অনুষ্ঠানত 'প্ৰকৃতি আৰু বিহু' শীৰ্ষক আলোচনাচক্ৰত অংশগ্ৰহণ কৰি বিলাসীপাৰা মহকুমা আৰক্ষী বিষয়া বিৰিঞ্চি বৰাই গছবিহুৱে অসমৰ বিহুৰ ঐতিহ্যমণ্ডিত ৰূপ সংৰক্ষণ কৰাত মহৎ ভূমিকা গ্ৰহণ কৰা বুলি উল্লেখ কৰে।

# কৰ্মসংস্থাপন বিচাৰি গৈ বহিঃৰাজ্যত মৃত্যুৰ স'তে যুঁজিছে জৱাকিমে

■ মেৰাপানীৰ এটা দৰিদ্ৰ পৰিয়ালৰ কৰুণ গাথা

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ২৮ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত সীমান্ত পঞ্চায়তৰ নাগপুৰ গাঁৱৰ অতি দৰিদ্ৰ পৰিয়ালৰ জৱাকিম ধান নামৰ লোকজনে কৰ্মসংস্থাপন বিচাৰি গৈ কেৰালাত জীৱন-মৃত্যুৰে যুঁজিব লগাত পৰিছে। পৰিয়ালৰ দৰিদ্ৰতা নিৰ্মূলৰ উদ্দেশ্যে কাম বিচাৰি কেৰালালৈ যোৱা লোকজনে সম্প্ৰতি মানসিক ভাৰসাম্য হেৰুৱাই কেৰালাৰে এখন ব্যক্তিগত চিকিৎসালয়ত ছট্‌ফটাই আছে। জৱাকিম ধান নামৰ লোকজনৰ চিকিৎসাৰ বাবে অৰ্থসাহায্য বিচাৰি এতিয়া দুজন সহযোগীয়ে জনোৱা কাতৰ আহ্বান ছ'চিয়েল মাধ্যমযোগেও ভাইৰেল হৈ পৰিছে। যোৱা ২২ এপ্ৰিলত মেৰাপানীৰ নাগপুৰ গাঁৱৰ জৱাকিম ধান কৰ্মৰ সন্ধানত এজন সহযোগীৰ স'তে সুদূৰ কেৰালালৈ বুলি ৰাওনা হৈছিল। কিন্তু কেৰালাত উপস্থিত হৈ কোনো কৰ্মসংস্থাপন নাপায় চিন্তা আৰু উদ্বিগ্নতাত মানসিক ভাৰসাম্য হেৰুৱাই পেলায় ধানে। উপায়ন্তৰ হৈ অসমৰে দুজন শ্ৰমিকে লোকজনক কেৰালাৰ ইদুকী জিলাৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰে। কিন্তু প্ৰয়োজনীয় অৰ্থ নথকাৰ বাবে এতিয়া বিনা চিকিৎসায়ে চিকিৎসালয়ৰ বিচনাত ছট্‌ফটাই আছে জৱাকিম ধানে। সেয়েহে দুই সহযোগী শ্ৰমিকে এতিয়া ছ'চিয়েল মিডিয়াযোগে জৱাকিম ধানৰ চিকিৎসাৰ বাবে অসমবাসী তথা ৰাজ্য চৰকাৰৰ পৰা সহায়ৰ আহ্বান জনাইছে। ইফালে, ঘৰৰ মূল মানুহজনৰ বহিঃৰাজ্যত এনে দুৰৱস্থাৰ খবৰ লাভ কৰি হাহাকাৰ লাগিছে মেৰাপানীৰ নাগপুৰৰ ঘৰখনত। পত্নী আৰু তিনি কণমানি সন্তানেও জৱাকিমৰ চিকিৎসা তথা ঘৰলৈ ওভতাই অনাৰ ক্ষেত্ৰত কোনো সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাই। দিন হাজিৰা কৰি কোনোমতে চলি থকা পত্নীয়ে এইক্ষেত্ৰত হৃদয়বান ব্যক্তি তথা অসম চৰকাৰৰ পৰা সহায় ভিক্ষা কৰিছে। ধানৰ পত্নীয়ে অতি দুখৰে কয় যে কৰ্মসংস্থাপন বিচাৰি কেৰালালৈ যাবৰ বাবে ওচৰৰ এঘৰ মানুহৰ পৰা ধাৰলৈ টকা আনি দিছিল। এতিয়া তেওঁলোকৰ পৰিয়ালে খাবলৈকে একো নাই, কেনেকৈ স্বামীক কেৰালাৰ পৰা আনিব তাক লৈ চিন্তিত হৈ পৰিছে। স্বামী গৈ সংস্থাপন নৌপাওঁতেই মৃত্যুৰ স'তে যুঁজিব লগা হোৱাত পৰিয়ালটোলৈ অন্ধকাৰ নমাই অনা বুলি কৈ হুক-হুকাই কান্দি কণমানি সন্তান কেইটাকে সাৱটি ধৰে। ৰাইজৰ লগতে চৰকাৰক তেওঁৰ স্বামীক জীৱন্তে উদ্ধাৰ কৰি আনিবলৈ কাতৰ আহ্বান জনাইছে।



## নগৰবাহীত সমূহীয়া ঈদ-উল-ফিটৰ নামাজৰ আয়োজন

বিশেষ সংবাদদাতা

**মঙলদৈ, ২৮ এপ্ৰিল ঃ** মঙলদৈ নিকটৱৰ্তী নগৰবাহীত স্থানীয় নগৰবাহী কৰিমীয়া ঈদগাহ ময়দানত সমাগত তিনি মে'ত ঈদ উল ফিটৰৰ সমূহীয়া নামাজৰ প্ৰস্তুতি চলিছে। নগৰবাহী কৰিমীয়া ঈদগাহ ময়দান পৰিচালনা সমিতিৰ সম্পাদক নুৰমহম্মদ আলীয়ে জনোৱা মতে সেইদিনা ঈদৰ নামাজ আৰম্ভ হ'ব। মঙলদৈ আলা হজৰত একাডেমীৰ অধ্যক্ষ মৌলানা আব্দুল হক ৰেজৱীয়ে ইমামতি কৰিবলগীয়া সমূহীয়া নামাজত বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে ঈদগাহ পৰিচালনা সমিতিয়ে।

## অভয়াপুৰীত 'অংশীদাৰিত্ব আমাৰ প্ৰাথমিক দায়িত্ব' শীৰ্ষক অনুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৮ এপ্ৰিল ঃ** কৃষি বিজ্ঞান কেন্দ্ৰ, বঙাইগাঁৱৰ উদ্যোগত অভয়াপুৰীত স্বাধীনতাৰ অমৃত মহোৎসৱৰ অন্তৰ্গত অভিযানৰ অংশৰূপে পৰহি'অংশীদাৰিত্ব আমাৰ প্ৰাথমিক দায়িত্ব' শীৰ্ষক এক অনুষ্ঠানৰ আয়োজন কৰে। অভয়াপুৰী কলা পৰিষদ ভৱনত আয়োজিত অনুষ্ঠানত জিলাখনৰ তিনি শতাধিক বিভিন্ন স্তৰৰ কৃষকে অংশগ্ৰহণ কৰে। এই উপলক্ষে অনুষ্ঠিত প্ৰদৰ্শনী মেলাত বাজিতপাৰা ৰামধেনু আত্মসহায়ক গোট, খগৰপুৰ ডায়মণ্ড মাছৰুম ফাৰ্ম, চিটকাগাঁৱৰ দাস জৈৱিক ফাৰ্ম আদি বিভিন্ন স্বেচ্ছাসেৱী সংগঠনে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ প্ৰদৰ্শন কৰে। ইয়াৰ পাছতে অনুষ্ঠিত সভাত জিলাৰ উপায়ুক্ত নৱদ্বীপ পাঠক, অতিৰিক্ত উপায়ুক্ত নৱজ্যোতি ওজা, উত্তৰ শালমাৰা মহকুমাৰ কাৰ্যবাহী দণ্ডাধীশ তন্ময় ঘোষকে ধৰি বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। সভাৰ পূৰ্বে উদ্দেশ্য ব্যাখ্যাত কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য কৃষি বিজ্ঞানী চিন্ময় শৰ্মাই বৰ্তমান সময়ত ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য কৃষি ভূমিসমূহত ব্যৱহাৰ কৰাৰ ফলত মাটিৰ প্ৰকৃত গুণাগুণ হ্ৰাস পোৱাত জটিলতা সৃষ্টি কৰা বুলি উল্লেখ কৰি জৈৱিক সাৰ ব্যৱহাৰ কৰাৰ ফলত জলভাগ প্ৰদূষিত হোৱা বুলি উল্লেখ কৰি অনুষ্ঠানত বিভিন্ন চৰকাৰী আঁচনিসমূহৰ ব্যাখ্যা আগবঢ়ায়।

**পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকৰ দুৰ্দশা**

# ২৪ বছৰে প্ৰাদেশিকীকৰণ নহ'ল বাণিজ্য শাখাৰ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৮ এপ্ৰিল ঃ** নলবাৰী জিলাৰ পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় ১৯১১তে স্থাপিত হৈছিল। প্ৰথমতে মজলীয়াৰ পৰা উচ্চ মাধ্যমিক আৰু পৰবৰ্তী সময়ত উচ্চতৰ মাধ্যমিকলৈ উন্নত হয় বিদ্যালয়খন। প্ৰথমতে বিদ্যালয়খনে বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিকলৈ উন্নিত হৈছিল যদিও পৰবৰ্তী সময়ত ৰাইজৰ প্ৰবল ইচ্ছাত ক্ৰমে কলা আৰু বাণিজ্য শাখাকো সংযোগ কৰে। কিন্তু ১৯৯৮তে প্ৰতিষ্ঠা কৰা বাণিজ্য শাখাৰ এজনো শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰদেশিকীকৰণ নোহোৱাত শিক্ষক কৰ্মচাৰীসকলৰ মাজত হতাশাই বিৰাজ কৰিছে। উল্লেখ্য যে বাণিজ্য শাখালৈ বিগত ২০০০ত অসম চৰকাৰৰ শিক্ষা বিভাগে উপযুক্ততাৰ প্ৰমাণ পত্ৰ দিছিল আৰু ২০০৫ত পাইছিল চৰকাৰী অনুমতি। ইয়াৰ উপৰি বিগত ২০১০-১১-১২লৈ তিনিবছৰ এইসকল শিক্ষকে পাইছিল চৰকাৰী সাহায্য। তাৰ পাছৰে পৰা আজি পৰ্যন্ত এটি ফুটা কড়িও পোৱা নাই দুৰ্ভগীয়া শিক্ষক-কৰ্মচাৰীসকলে। তদুপৰি ২০১৫ত চৰকাৰী বাছনি সমিতিত উপযুক্ত বুলি নিৰ্বাচিত হৈছিল বিদ্যালয়খন। উল্লেখ্য যে চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াত উক্ত বিদ্যালয়ৰ নাম অন্তৰ্ভুক্তও আছিল, কিন্তু দুৰ্ভাগ্যজনকভাৱে দুই ফেব্ৰুৱাৰীত নিযুক্তি দিয়াৰ সময়ত উক্ত বিদ্যালয় বাদ পৰাত হতাশাত ভুগিছে শিক্ষকসকল। বিদ্যালয়ৰ অধ্যক্ষ মনোৰঞ্জন বৰুৱাই কয় যে ইউজাৰ ডাইজ কোডত নাম অন্তৰ্ভুক্ত থকাৰ পাছতো ডাইজ কোডত নাম নোহোৱাৰ অভিযোগত বাদ পৰিল বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকল। উল্লেখ্য যে বিদ্যালয়খনৰ বাণিজ্য শাখাটো প্ৰতিষ্ঠা কালৰ পৰা দীপক কুমাৰ দাস আৰু দেবেন্দ্ৰ কলিতা, ২০০৭ৰ পৰা অপূৰ্ব কুমাৰ শৰ্মা, ২০১০ৰ পৰা ডলি ডেকা, জয়মতী কলিতা আৰু নিজৰা ডেকাৰ লগতে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী দীপাংকৰ বৈশ্য কৰ্মৰত হৈ আছে। পৰিয়ালৰ চৰম আৰ্থিক দৈন্যকো মূৰপাতি লৈ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত গঢ়াত নিজক নিয়োজিত কৰিও চৰকাৰী স্বীকৃতি নোপোৱাত হতাশ হৈ পৰিছে । তদপুৰি অন্য কৰ্মসংস্থাপনৰ চিন্তা কৰিব পৰাকৈ বয়সেও সহায় নকৰে এই কেইগৰাকী শিক্ষক-কৰ্মচাৰীক। উল্লেখ্য যে ২০০০ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ধাৰাবাহিকভাৱে এশ শতাংশই উত্তীৰ্ণ হৈ অঞ্চলত গৌৰৱ কঢ়িয়াই আনিছিল বিদ্যালয়খনে। যাৰ বাবে এতিয়া বিদ্যালয়খনৰ বাণিজ্য শাখাত ছাত্ৰ-ছাত্ৰী নামভৰ্তিৰ বাবে আগ্ৰহ বাঢ়িছে।

শতবৰ্ষ অতিক্ৰম কৰা বিদ্যালয়খনত সাংসদ দিলীপ শইকীয়া আৰু মুখ্যমন্ত্ৰীৰ মাতৃ মৃণালিনী দেৱীয়ে অধ্যয়ন কৰিছিল। তদুপৰি দুয়োগৰাকীৰ পিতৃ উক্ত বিদ্যালয়ত শিক্ষকতা কৰি অৱসৰ লৈছিল। বিদ্যালয়ৰ অধ্যক্ষ তথা এজন শিক্ষকে উল্লেখ কৰা মতে নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই পদকেইটা প্ৰাদেশীকৃত কৰাৰ বাবে আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে। তদুপৰি সাংসদ শইকীয়াইও চৰকাৰৰ ওচৰত উপস্থাপন কৰা বুলি সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰিছে। বিদ্যালয়খনৰ বঞ্চিত শিক্ষকসকলে চৰকাৰলৈ কাতৰ আহ্বান জনাই কয় যে চৰকাৰে তেওঁলোকৰ চাকৰি শীঘ্ৰে প্ৰাদেশীকৃত কৰক।

## বন্যহস্তীৰ উপদ্ৰৱ, দোকানগৃহ লণ্ড-ভণ্ড

**মাটিয়া, ২৮ এপ্ৰিল ঃ** মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত তথা দৰংগিৰী-নন্দেশ্বৰ পথৰ কাষত থকা সাৰাপাৰাৰ ধৰ্মেশ্বৰ নাথৰ দোকানত যোৱা নিশা বন্যহস্তীয়ে লণ্ডভণ্ড কৰে। নিশা এক বজাত বনৰীয়া হাতীৰ জাক এটাই ৰাস্তা পাৰ হৈ যোৱাৰ সময়তে নাথৰ দোকান গৃহটো লণ্ডভণ্ড কৰে। ফলত দোকান গৃহটোৰ ভিতৰত থকা ৩০ হেজাৰ টকাৰ সা-সামগ্ৰীৰ ক্ষতিসাধন হয়। উল্লেখ্য যে হাতীৰ কৰিডৰ হিচাপে চিহ্নিত উক্ত অঞ্চলটোত প্ৰায়ে উপদ্ৰৱ চলাই আহিছে বনৰীয়া হাতীয়ে।

## মাজুলীত একেখন ৰভাত সমূহীয়া বিবাহ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২৮ এপ্ৰিল ঃ** ব্ৰহ্মপুত্ৰৰ খহনীয়াত ক্ষতিগ্ৰস্ত অনুসূচিত জাতিৰ বসতিপ্ৰধান অঞ্চলত কালি এক ব্যতিক্ৰমী বিবাহ কাৰ্য সম্পন্ন হয়। একেখন ৰভাৰ তলতে বিবাহ কাৰ্য সম্পন্ন কৰে ৩০ যোৰা দৰা-কইনাই। ২৫-৩০ বছৰৰ পৰা ৫০-৬০ বছৰীয়া লোকেও দৰা-কইনা সাজি ধৰ্মীয় নিয়মানুযায়ী সমজুৱা বিবাহৰ অংশীদাৰ হয়। ইয়াৰ বহু সংখ্যক পূৰ্বে ঘৰ-সংসাৰ পাতিছিল যদিও অভাৱ-অনাটনৰ বাবে সমাজৰ পৰম্পৰা ৰক্ষা কৰিব পৰা নাছিল। আৰ্থিক অনাটনে জুৰুলা কৰা অঞ্চলৰ যুৱকসকলৰ প্ৰচেষ্টাত এনে বাস্তৱসন্মত কাৰ্যসূচী সম্ভৱ হয়। আনহাতে, গাঁওখনৰ লগতে সমীপৱৰ্তী গাঁৱৰ দৰা-কইনাই এই বিবাহত অংশগ্ৰহণ কৰে। নিয়ম অনুসৰি হোম যজ্ঞ, জোৰোণ, অতিথি আপ্যায়ন আদি সকলো খৰচ ৰাইজৰ দান-বৰঙণিৰে সম্পন্ন কৰা হয়। মাজুলীত প্ৰথমবাৰৰ বাবে এনে বিবাহ সম্পন্ন হয়।

## ৰাষ্ট্ৰীয় পৰ্যায়ৰ সৌন্দৰ্য প্ৰতিযোগিতাত স্থান দখল বৰ্ণালীৰ



**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৮ এপ্ৰিল ঃ** দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ সৌন্দৰ্য প্ৰতিযোগিতাত বিজয়ীৰ মুকুট লাভ কৰি মৰাণলৈ গৌৰৱ কঢ়িয়াই আনিলে মৰাণৰ বতামৰাৰ নিবাসী বৰ্ণালী গগৈয়ে। দিল্লীৰ অকশ্বৰা থিয়েটাৰত ১৮ এপ্ৰিলত অনুষ্ঠিত সৌন্দৰ্য প্ৰতিযোগিতাত বিজয়ী মুকুত লাভ কৰিবলৈ সক্ষম হয় গগৈয়ে। এই সৌন্দৰ্য প্ৰতিযোগিতা বাংলাদেশ, হাৰিয়ানা, দাৰ্জিলিং আদি ঠাইৰ প্ৰায় ৪০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। এইসকল প্ৰতিযোগীক চেৰ পেলাই দুটা সন্তানৰ মাতৃ হৈও মৰাণৰ গগৈয়ে বিজয়ী মুকুট লাভ কৰিবলৈ সক্ষম হোৱাত আনন্দিত হৈছে সমগ্ৰ ৰাজ্যবাসীৰ লগতে মৰাণৰ ৰাইজ। ইয়াৰ পূৰ্বেও গগৈয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত সৌন্দৰ্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি স্থান দখল কৰিবলৈ সক্ষম হৈছিল।

## সোণোৱাল কছাৰী লেচেৰী নাচ কৰ্মশালা



**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ২৮ এপ্ৰিল ঃ** টেঙাখাত দিহিংভেলি ছ'চাইটিৰ উদ্যোগত যোৱা ২৩ এপ্ৰিলৰ পৰা ১৫ দিনীয়াকৈ বৃহত্তৰ টেঙাখাত অঞ্চলৰ বিভিন্ন সোণোৱাল অধ্যুষিত গাঁৱত সোণোৱাল কছাৰীসকলৰ লোক নৃত্য লেচেৰী বিহু কৰ্মশালা অনুষ্ঠিত হয়। দিহিংভেলি ছ'চাইটিৰ সভাপতি জীৱন শইকীয়া, সম্পাদক মৃকুল দাস আৰু সদস্য মালক্ষ্মী বৰা শইকীয়াৰ তৎপৰতাত টেঙাখাত সৰস্বতী দেৱী বাগ্ৰদিয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণ লেচেৰী বিহু কৰ্মশালাৰ আৰম্ভণি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সোণোৱাল কছাৰী সাহিত্য সভাৰ প্ৰাক্তন প্ৰতিষ্ঠাপক সভাপতি গুণেশ্বৰ সোণোৱালে বন্তি প্ৰজ্বলন কৰি কৰ্মাশাল আৰম্ভ কৰে। ফিটা কাটি কৰ্মশালাস্থলী উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক যতীন সোণোৱালে। আনহাতে, বৃক্ষৰোপণ আৰম্ভ কৰে আৰ ডি বিদ্যাপীঠৰ অধ্যক্ষ দিগন্ত হাজৰিকাই। সোণোৱাল কছাৰী সাহিত্য সভাৰ সভাপতিৰ সভাপতিত্বত অনুষ্ঠিত সভাত সোণোৱাল কছাৰীসকলৰ বিভিন্ন নৃত্য, গীত আৰু পৰম্পৰা সন্দৰ্ভত কে'বাগৰাকী বিশিষ্ট লোকে বক্তব্য আগবঢ়ায়। লেচেৰী বিহু কৰ্মশালাৰ প্ৰশিক্ষক পুৰৱী শইকীয়া আৰু কল্যাণী সোণোৱালক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানসমূহৰ আঁত ধৰে ছ'চাইটিৰ সদস্য উৎপল বৰশইকীয়াই আৰু সহযোগ কৰে মৃদুল দাস আৰু মালক্ষ্মী বৰা শইকীয়াই। আনহাতে, মাংগলিক কাৰ্য সমাপন কৰে পাণধোৱা গায়ন-বায়ন দলে। তদুপৰি ৰাইজৰ সঁহাৰিত যোমতাল হাতীবন্ধা গাঁৱত এদিনীয়াকৈ লেচেৰী বিহু কৰ্মশালা অনুষ্ঠিত কৰা হয়। কৰ্মশালাৰ সামৰণি পেলাই টেঙাখাত উন্নয়ন খণ্ডৰ সন্মুখত থকা সুধাকণ্ঠ ড° ভূপেন হাজৰিকা ৰংগমঞ্চত অহা সাত মে'ৰ পৰা দুদিনীয়াকৈ লেচেৰী বিহু প্ৰদৰ্শন কৰা হ'ব।

## দলগাঁৱত গাঞ্জাসহ দুজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ২৮ এপ্ৰিল ঃ** আজি দলগাঁও আৰক্ষীয়ে পাঁচ কিলোগ্ৰাম গাঞ্জাসহ দুজন গাঞ্জা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে দলগাঁৱৰ বিভিন্ন অঞ্চলত গাঞ্জা বিক্ৰী কৰি আহিছিল যুৱক দুজনে। দৈপাম আৰক্ষী চকীৰ অন্তৰ্গত বালিগাঁৱত ই ৰিক্সাত গাঞ্জা আনি থাকোতে চালকসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। যুৱক দুজন লোকমান আলী (বালিগাঁও) আৰু আমিনুল হক (বেছিমাৰী)।

## গুৰুফেলাত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সজাগতা সভা অনুষ্ঠিত

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ২৮ এপ্ৰিল ঃ** স্বাধীনতাৰ আজাদী কা অমৃত মহোৎসৱৰ অংশৰূপে গোসাঁইগাঁও মহকুমাৰ কচুগাঁও উন্নয়ন খণ্ডস্থিত প্ৰেক্ষাগৃহত কৃষি বিভাগ আৰু কৃষি বীমা কোম্পানীৰ যৌথ উদ্যোগত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ ওপৰত সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত কৃষকসকলক ফচল বীমা যোজনাৰ লগতে কিষাণ ক্ৰেডিট কাৰ্ডৰ সুবিধাসমূহৰ বিষয়ে বিস্তাৰিত আলোচনা কৰা হয়। সভাত মহকুমা কৃষি বিষয়া অসীম কুমাৰ শইকীয়া, কচুগাঁও খণ্ড উন্নয়ন বিষয়া ছানছুমা বসুমতাৰী, কৃষি উন্নয়ন বিষয়া ধনঞ্জয় মুছাহাৰী, ফচল বীমা যোজনাৰ জিলা পৰ্যবেক্ষক ক্ৰমে জগন্নাথ দাস আৰু নৰজিত চন্দ্ৰ বৰ্মন, নাবাৰ্ডৰ ৰতন মণি শাৰণ বেংক বিষয়া অৰবিন্দ কুমাৰ, কোকৰাঝাৰ জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়া পাৰ্থজ্যোতি বৰা, গাৰ্ডেনপুৰ ভিচিডিচিৰ সভাপতি দানছাৰাং বসুমতাৰীৰ লগতে আন আন বিষয়ববীয়া কৰ্মকৰ্তাৰ লগতে প্ৰায় শতাধিক কৃষক উপস্থিত থাকে।

## ডিমাকুছিত বন্যহস্তীৰ তাণ্ডৱ ঃ বাসগৃহৰ ক্ষতিসাধন

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২৮ এপ্ৰিল ঃ** বিগত বহুদিন ধৰি ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰ অঞ্চলসমূহত তীব্ৰৰূপ ধাৰণ কৰি আহিছে হাতী-মানুহৰ সংঘাতে। ওদালগুৰি জিলাৰ এই অঞ্চলসমূহৰ ৰাইজ কেতিয়াও যেন পৰিত্ৰাণ নাপাব হাতী মানুহৰ ভয়াৱহ সমস্যা সংঘাত ৰোধৰ পৰা। প্ৰতি নিশাই নিদ্ৰাহৰণ কৰি আহিছে এই অঞ্চলবাসী ৰাইজে। বিগত বৰ্ষৰ পৰা বৰ্তমানলৈকে জিলাখনৰ বিভিন্ন অঞ্চলত ৩০ জনৰো অধিক নিৰীহ লোকে প্ৰাণ হেৰুওৱাৰ বিপৰীতে সাতটা বন্যহস্তীৰো মৃত্যু হয়। ডিমাকুছি, ৰজাগড়, নালাপাৰা, বগৰীতল, বামুণজুলী, ঔৰংগাজুলি, কালিখোলা, টেংকিবস্তী, ভোলাটাৰকে ধৰি ভেৰগাঁৱত হাতীৰ উপদ্ৰৱ দিনক দিনে বৃদ্ধি পাইছে। খাদ্যৰ সন্ধানত বৰনদী অভয়াৰণ্য আৰু নৰ্নৈ ৰেঞ্জৰ পৰা ওলাই অহা বৃহৎ বন্যহস্তীৰ জাকৰ পৰা ফালৰি কাটি কেইটামান বন্যহস্তীয়ে যোৱা নিশা নৰ্নৈ চেৰফাং সমষ্টিৰ ঔৰংগাজুলিৰ চাহ বাগিচাত বৃহৎ বন্যহস্তীৰ জাক এটাই প্ৰৱেশ কৰি বহুকেইটা পৰিয়ালৰ ঘৰ-দুৱাৰ ধ্বংস কৰে। কেৱল ঘৰ-দুৱাৰ ধ্বংসই নহয় এফালৰ পৰা খেতি-বাতি, তামোলৰ বাৰী খাই নষ্ট কৰি তহিলং কৰি পেলায় বন্যহস্তীয়ে।

## তিনিচুকীয়া 'কিষাণ ভাগিদাৰী প্ৰাথমিকতা হামাৰি' অভিযান

**ডুমডুমা, ২৮ এপ্ৰিল ঃ** 'কিষাণ ভাগিদাৰী প্ৰাথমিকতা হামাৰি' শীৰ্ষক অভিযান তিনিচুকীয়া জিলাত পূৰ্ণ গতিত চলিছে। কেন্দ্ৰীয় চৰকাৰৰ 'কিষাণ ভাগিদাৰী প্ৰাথমিকতা হামাৰি' শীৰ্ষক অভিযান অনুষ্ঠিত হৈছে। এই অভিযানৰ মূল লক্ষ্য হিচাপে প্ৰধানমন্ত্ৰী কৃষি সন্মান যোজনা আৰু প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনৰ প্ৰতিগৰাকী কৃষকক কিষাণ ক্ৰেডিট কাৰ্ড প্ৰদান কৰা। তদুপৰি চলিত আঁচনিৰ লগতে বিভিন্ন সামাজিক সুৰক্ষা আঁচনি যেনে প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, অটল পেঞ্চন যোজনা আদি আঁচনি অধীনত যাতে সকলো যোগ্য কৃষকক সাঙুৰি ল'ব পাৰে সেয়া সুনিশ্চিত কৰাটোও এই অভিযানৰ উদ্দেশ্য। তিনিচুকীয়া জিলাৰ প্ৰতিখন গাঁও পঞ্চায়তত যোৱা ২৪ এপ্ৰিলৰ পৰা ক্ৰমে বিশেষ গাঁওসভা আয়োজন কৰা হৈছে। এই ক্ষেত্ৰত তিনিচুকীয়া জিলাৰ কৃষি বিভাগৰ অতিৰিক্ত উপায়ুক্ত ছৰফ্ৰাজ হকে তদাৰক কৰিছে। বেংকৰ ক্ষেত্ৰত তিনিচুকীয়া জিলাৰ প্ৰমুখ্য বেংক প্ৰবন্ধক প্ৰলয় কুমাৰ ভৌমিক, নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰবন্ধক বৰুণ বিশ্বাসে তদাৰক কৰিছে। চি এছ চি সেৱা জিলা প্ৰবন্ধক অভিষেক ফুকনে তদাৰক কৰিছে।

## অসম কবি সমাজৰ নিমাইজান শাখা গঠন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৮ এপ্ৰিল ঃ** অসম কবি সমাজৰ অন্তৰ্গত শিৱসাগৰ জিলা সমিতিয়ে নিমাইজান যুৱক সংঘৰ প্ৰেক্ষাগৃহত 'গীত-কবিতাৰে ব'হাগৰ এদিন' শীৰ্ষক মনোজ্ঞ অনুষ্ঠানেৰে কবি সমাজৰ নিমাইজান শাখা গঠন কৰে। ফটিক গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত থাকে শিৱসাগৰ জিলা কবি সমাজ সমিতিৰ সভাপতি প্ৰভাত চন্দ্ৰ দুৱৰা, সম্পাদক ৰৌচন আলী, উপ-সভাপতি ৰিদিপ বৰুৱা আৰু পত্ৰিকা সম্পাদক পৰেশ হাতীমূৰীয়া। উক্ত সভাত জোনমণি কোঁৱৰ, ভাস্বতী গগৈ আৰু বৃন্দাবন গগৈয়ে একোটাকৈ সুমধুৰ গীত পৰিবেশন কৰি অনুষ্ঠানটি সজীৱ কৰি তোলে। আনহাতে, জিলা সমিতিৰ বিষয়ববীয়াসকলে কবি সমাজৰ লক্ষ্য-উদ্দেশ্য আৰু আমাৰ কৰণীয় সম্পৰ্কত মতামত আগবঢ়ায়। সভাখনত জয়ন্ত ৰঞ্জন গগৈক সভাপতি, জ্যোতি শেনচোৱা, ধ্ৰুৱজ্যোতি বৰগোহাঁই, ৰঞ্জু কোঁৱৰ গগৈক উপ-সভাপতি, মানস জ্যোতি মহনক সম্পাদক, অভিলেখ গগৈ, চয়নিকা গগৈক সহকাৰী সম্পাদক, ভাস্বতী গগৈ, পূৰবী গগৈক সাংগঠনিক সম্পাদক, সমন্বয় গগৈ, বৰষাৰাণী গগৈক পত্ৰিকা সম্পাদক, বৃন্দাবন গগৈ, পাৰ্বী গগৈক প্ৰচাৰ সম্পাদক, ঠানুৰাম বৰগোহাঁইক কোষাধ্যক্ষ, টুটুমণি গগৈ, মন্দিকা বৰগোহাঁহ ৰূপে লৈ নিমাইজান শাখা সমিতি গঠন কৰা হয়।

**চৰাইদেউৰ যুৱকৰ ফটো প্ৰকাশত প্ৰতিক্ৰিয়া**

## আলফা (স্বাধীন) শিবিৰত অসম আৰক্ষীৰ চোৰাংচোৱা

**অগ্ৰদূত বাৰ্তা**

**সোণাৰি, ২৮ এপ্ৰিল ঃ** আলফা (স্বাধীন) শেহতীয়াকৈ সঞ্জীৱ শৰ্মা নামৰ সদস্যজনক অসম আৰক্ষীৰ চোৰাংচোৱা বুলি চিহ্নিত কৰি যুৱকজনৰ চাঞ্চল্যকৰ স্বীকাৰোক্তি সংবাদ মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰাই নহয়, আন ১১ জনকৈ যুৱকে চোৰাংচোৱাগিৰি কৰাৰ তথ্য সদৰী কৰিছে। মূলতঃ অসম আৰক্ষীৰ হৈ চোৰাংচোৱাগিৰ কৰা যুৱকে আলফাৰ ভিতৰত বা বাহিৰত থাকি আলফা ধ্বংসত নমা বুলি আলফাৰ কেন্দ্ৰীয় নেতৃবৃন্দই দাবী কৰিছে। উল্লেখ্য যে সঞ্জীৱ শৰ্মাৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ ১১ জন যুৱকক আৰক্ষীৰ চোৰাংচোৱা বুলি আলফা (স্বাধীন) -এ ফটোসহ চিনাক্ত কৰিছে। ইফালে, সংবাদ মাধ্যমত এই সন্দৰ্ভত বাতৰি প্ৰকাশ হোৱাৰ পাছতেই চৰাইদেউ জিলাৰ হেমন্ত ৰাজপুত (২৩) নামৰ এজন যুৱকৰ জীৱনলৈ সংশয় নামি আহিছে। যুৱকজনৰ ঘৰ সাপেখাতি আৰক্ষী থানাৰ অন্তৰ্গত কানু-ভোগবাৰী গাঁৱত। হেমন্ত ৰাজপুতে অৰুণাচল প্ৰদেশৰ কানুবাৰী পাঁচআলিত কম্পিউটাৰ, জেৰক্সৰ দোকান খুলি জীৱন-নিৰ্বাহ কৰিছিল। ইফালে, ঘটনাৰ সন্দৰ্ভত হেমন্তই সংবাদ মাধ্যমৰ আগত কয় যে আলফা কিম্বা আৰক্ষীৰ স'তে তেওঁৰ কোনো যোগসূত্ৰ নাই। আলফা (স্বাধীন) ই বাতৰিটোত প্ৰকাশ কৰা ফটোখন তেওঁৰ ফেচবুক একাউণ্টৰ পৰা লোৱা বুলি হেমন্তই কয়। সম্প্ৰতি সাপেখাতি আৰক্ষী থানাক সমগ্ৰ ঘটনাটো অৱগত কৰিছে হেমন্তই।

## বীৰ ছহিদৰ নামত পথ মুকলি বিধায়ক ৰূপক শৰ্মাৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৮ এপ্ৰিল ঃ** আজাদী কা অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি আজি নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত বেবেজীয়া ডিমৌ-বাংথাই গাঁও পঞ্চায়তৰ অন্তৰ্গত গাঁৱত নতুনকৈ নিৰ্মাণ এটি পথ এজন বীৰ ছহিদৰ নামেৰে নামকৰণ কৰা হয়। ১৯৭১ত ভাৰত-পাক যুদ্ধত প্ৰাণ আহুতি দিয়া বীৰ সৈনিক তথা বাংথাই গাঁৱৰ সুসন্তান ছহিদ ভবেন্দ্ৰ বৰদলৈৰ নামেৰে নামকৰণ কৰা পথটো আজি মুকলি কৰে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। পথটো মুকলি কৰি বিধায়ক শৰ্মাই ছহিদৰ ত্যাগৰ কথা সোঁৱৰি প্ৰয়াত বীৰ ছহিদ ভবেন্দ্ৰ বৰদলৈক শ্ৰদ্ধাৰে স্মৰণ কৰে। এই অনুষ্ঠানত ডিমৌ-বাংথাই গাঁও পঞ্চায়তৰ সভাপতি দিগন্ত কুমাৰ নাথ, আঞ্চলিক পঞ্চায়তৰ সদস্য তপন বৰদলৈ প্ৰমুখ্যে স্থানীয় গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

## পহিলা মে'ত যোৰহাট জিলা কৰ্মচাৰী পৰিষদৰ মধ্যকালীন অধিবেশন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৮ এপ্ৰিল ঃ** যোৰহাট জিলা কৰ্মচাৰী পৰিষদৰ মধ্যকালীন অধিবেশন বাহনা আঞ্চলিকৰ উদ্যোগত অহা পহিলা মে'ত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি পুৱা হৰিশ কুমাৰ শইকীয়াই জিলা আৰু অৰন বৰঠাকুৰে বাহনা আঞ্চলিকৰ পতাকা উত্তোলন কৰাৰ পাছতে গছপুলি ৰোপণ কৰিব পৰিষদৰ প্ৰাক্তন ৰাজ্যিক সভাপতি প্ৰদীপ কুমাৰ বৰাই আৰু ছহিদ তৰ্পণ কৰিব সমাজকৰ্মী কমল দত্তই। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰূপে বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰসন্ন কুমাৰ দত্ত, পৰিষদৰ প্ৰাক্তন ৰাজ্যিক সভাপতি তনুকৃষ্ণ গোস্বামীয়ে অংশগ্ৰহণ কৰিব। সভাত পৰিষদৰ ৰাজ্যিকৰ উপ-সভাপতি নৃপেন ভূঞা, সদৌ অসম মধ্য ইংৰাজী শিক্ষক সন্থাৰ সভাপতি ৰঞ্জিত কুমাৰ বৰা, জিলা মজলীয়া শিক্ষক সন্থাৰ সম্পাদক জীৱ বৰা, কেন্দ্ৰীয় মহাবিদ্যালয়ৰ উপাধ্যক্ষ গণেশ চন্দ্ৰ বৰা, এথলেটিকছ প্ৰশিক্ষক মোহন চন্দ্ৰ বৰা, জিলা সন্মিলিত শিক্ষক সন্মিলনৰ সভাপতি প্ৰণৱ বৰুৱা, হাইস্কুল আৰু মধ্য ইংৰাজী শিক্ষক সন্থাৰ ৰাতুল গগৈ, বিপুল হাজৰিকাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব।

## লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত ব'হাগী উৎসৱ

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৮ এপ্ৰিল ঃ** লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে ব'হাগী উৎসৱ অনুষ্ঠিত হয়। মহাবিদ্যালয় চৌহদত আজি পুৱা আভ্যন্তৰীণ নিৰাপত্তা আৰু পৰিষ্কৰণ কোষৰ দ্বাৰা আয়োজিত এক চাফাই কাৰ্যসূচী উদ্বোধন কৰে অধ্যক্ষ লোহিত হাজৰিকাই। উল্লেখ্য যে মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ প্ৰয়াত ৰবীন বৰদলৈৰ সোঁৱৰণত পৰিয়ালে আগবঢ়োৱা তোৰণৰ আধাৰশিলা স্থাপন কৰা হয়। আধাৰশিলা অনুষ্ঠানত নেতৃত্ব দিয়ে প্ৰয়াত নবীন বৰদলৈ, পত্নী উৰ্মিলা শইকীয়া বৰদলৈৰ পুত্ৰ ডাঃ দেৱাশীষ বৰদলৈ, জীয়ৰী তথা লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপিকা বহ্নিশিখা বৰদলৈ প্ৰমুখ্যে পৰিয়ালৰ অন্যান্য লোকে অনুষ্ঠানটোত লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ হুঁচৰি দলে বিহু নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানটোত অভিনেত্ৰী প্ৰস্তুতি পৰাশৰে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে।

## বিহপুৰীয়া সন্মিলিত যুৱ সমাজৰ ব'হাগী উৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২৮ এপ্ৰিল ঃ** বিহপুীয়া নগৰৰ মাজমজিয়াত অহা দুই আৰু তিনি মে'ত ৪৮ সংখ্যক বিহপুৰীয়া কেন্দ্ৰীয় ব'হাগী উৎসৱৰ আয়োজন কৰা হৈছে। বিহপুৰীয়াৰ ৰ'দালি সংঘ আৰু বিহপুৰীয়া সন্মিলিত যুৱ সমাজৰ উদ্যোগত বৃহত্তৰ বিহপুৰীয়াবাসীৰ সহযোগত অনুষ্ঠিতব্য উৎসৱৰ স'তে সংগতি ৰাখি জীৱন ফুকনক সভাপতি, জয়ন্ত হাজৰিকাক কাৰ্যকৰী সভাপতি, পূৰ্ণ বৰা, জিতেন বৰুৱা, ৰাজেন শইকীয়া, মদন হাজৰিকাক উপ-সভাপতি, ৰূপক বৰা, দীপাংকৰ বৰাক যুটীয়া সাধাৰণ সম্পাদকৰূপে লৈ এখন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচীৰ প্ৰথম দিনা পুৱা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, বিহুৰ পতাকা উত্তোলন, ছহিদ তৰ্পণ, মুকলি চাহ মেল, ১১ বজাৰ পৰা মৌ বিহুৱা, মৌ বিহুৱতী, সৰু বিহুৱতী, মুকলি বিহু, দলীয় বিহু, বিহুৱতীৰ প্ৰাৰম্ভিক প্ৰতিযোগিতাসমূহ আৰম্ভ হ'ব। আনহাতে, সন্ধিয়া বন্তি প্ৰজ্বলনেৰে প্ৰথম দিনৰ কাৰ্যসূচী সামৰণি পৰিব। দ্বিতীয় দিনা দিনৰ এক বজাৰ পৰা বিহুৱতীৰ চূড়ান্ত প্ৰতিযোগিতা আৰু চাৰি বজাৰ পৰা বঁটা বিতৰণী আৰু মুকলি সভা আৰম্ভ হ'ব। বিহপুৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া জয়প্ৰকাশ মহন্তই উদ্বোধন কৰিব লগা সভাখনত সভাপতিত্ব কৰিব উদ্‌যাপন সমিতিৰ সভাপতি জীৱন ফুকনে।

## নগাঁৱত দুৰ্ধৰ্ষ ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৮ এপ্ৰিল ঃ** নগাঁৱৰ আৰক্ষীয়ে যোৱা নিশা এজন দুৰ্ধৰ্ষ ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। নগাঁৱৰ হয়বৰগাঁও আৰক্ষী চকীৰ আৰক্ষীয়ে চলোৱা অভিযানৰ সময়ত ড্ৰাগছ মাফিয়া মেহদি আলম (২১) ক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে মেহদিৰ এমবি পথ, নাৰ্চ কলনীৰ ভাড়াঘৰত পৰা দুটা চাবোন বাকচত হেৰ'ইন, ৩৫ টা হেৰ'ইন ভৰ্তি কণ্টেইনাৰ, ৯২ টা খালী কণ্টেইনাৰ, ১৭ খন এটিএম কাৰ্ড আৰু নগদ ২৪৮০ টকা জব্দ কৰে। জব্দ কৰা হেৰ'ইনখিনিৰ ওজন ১৮.৪২ গ্ৰাম। ধৃত ড্ৰাগছ মাফিয়াজনৰ ঘৰ জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত জামুগুৰিত। ধৃত আলমে নগাঁও চহৰৰ ভাড়াঘৰত থাকি দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই আছিল।

## টিহুৰ ক্ষেত্ৰাপাৰাত ৰাইজে কৰায়ত্ত কৰিলে তিনি গৰুচোৰক

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৮ এপ্ৰিল ঃ** আজি টিহু থানাৰ অন্তৰ্গত ক্ষেত্ৰাপাৰাত ষাঁড়গৰু চোৰক কৰায়ত্ত কৰে। টিহুৰ ক্ষেত্ৰাপাৰাৰ খনীন কলিতা নামৰ যুৱকজনে কেইদিনমান পূৰ্বে পথাৰৰ পৰা এটা ষাড়গৰু কৌশলেৰে নি বৰপেটাৰ কমলবাৰীৰ গিয়াচ আলী আৰু জিয়াৰ আলী নামৰ গৰু ব্যৱসায়ী দুগৰাকীক নিৰাপদ স্থানত লগ ধৰি ৪০ হেজাৰ টকাত বিক্ৰী কৰে। এই সন্দৰ্ভত ৰাইজৰ মাজত চৰ্চা চলাৰ সময়তে আজি সমীপৱৰ্তী মাখিবাহাত গিয়াচ আলী আৰু জিয়াৰ আলীক ক্ষেত্ৰাপাৰা ৰাইজৰ একাংশই প্ৰত্যক্ষ কৰি ষাড়গৰুটোৰ সন্দৰ্ভত সোধ-পোছ কৰাত খনীনে গৰুটো বিক্ৰী কৰা বুলি সদৰী কৰে। লগে লগে ৰাইজৰ মাজত হুৱা-দুৱা লাগি খনীনক মাতি আমি ৰাইজে জেৰা কৰাত ষাড়টো বিক্ৰী কৰা বুলি স্বীকাৰ কৰে। পাছত ৰাইজে টিহু আৰক্ষীক অৱগত কৰাত টিহু আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ চোৰ তিনিটাক আটক কৰি থানালৈ দিয়ে। ইপিনে, অঞ্চলটোত দীৰ্ঘদিন ধৰি গোহালিৰ পৰা গৰু, ছাগলী আদি চুৰ হৈ থকা বুলি অভিযোগ কৰি এই সন্দৰ্ভত উচিত তদন্ত কৰি দোষীক উপযুক্ত শাস্তি দিয়াৰ বাবে আৰক্ষীৰ ওচৰত দাবী উত্থাপন কৰে ৰাইজে।

**দীৰ্ঘদিন ধৰি খান্দি থোৱা গাঁতে সৃষ্টি কৰিছে বিপদ**

# মৰিয়নিত নগৰীয়া পানী যোগানৰ মৰণফান্দ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৮ এপ্ৰিল ঃ** মৰিয়নি নগৰৰ মাজমজিয়াত নগৰীয়া পানী যোগান বিভাগে খান্দি থোৱা এটা গাঁতে সম্প্ৰতি বিপজ্জনক পৰিস্থিতিৰ সৃষ্টি কৰিছে। নগৰৰ যোৰহাট মৰিয়নি পথৰ দাঁতিত গাঁত খান্দি দীৰ্ঘদিন ধৰি তেনেকৈ ৰাখিছে। যোৰহাট মৰিয়নি পথৰ পৰা ষ্টেডিয়াম পথ সংযোগী পথৰ সংযোগ থলীতেই এই গাঁতটো খন্দা হৈছিল। উল্লেখ্য যে ষ্টেডিয়ামৰ লগতে উক্ত পথেদি মৰিয়নি ৰাজ্যিক ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু বহুকেইখন বিদ্যালয়লৈ যোৱা হয়। সেই পথৰ সংযোগথলীতেই বিপজ্জনকভাৱে গাঁতটো খান্দি থোৱা অৱস্থাত আছে। মৰিয়নিত অৱস্থিত নগৰ পানীযোগান আৰু পয় প্ৰণালী বিভাগৰ পানী যোৱা



পাইপ মেৰামতি কৰিবৰ বাবেই এই গাঁতটো খন্দা হৈছিল। কিন্তু বিগত এমাহেই গাঁতটো তেনেদৰেই পেলাই থোৱা হৈছে। উন্মুক্ত হৈ থকা যথেষ্ট দ' আৰু বহল এই গাঁতটোত পৰি ইতিমধ্যে একাধিক লোক আহত হৈছে। ইফালে, দিনৰ ভাগত নগৰ পানী যোগান বিভাগে ঘৰে ঘৰে পানী যোগানৰ সময়ত পাইপেৰে পানী ওলাই গোটেই অঞ্চলটো পানীৰে উপচি পৰাৰ লগতে কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে। ফলত পথাচাৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে। বিশেষকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল অধিক সমস্যাৰ সন্মুখীন হৈছে। তদুপৰি পথৰ দাঁতিৰ ব্লক আঁতৰাই দিয়াৰ ফলত পথৰ দাঁতিৰ ক্ষতিসাধন হৈছে। নগৰ পানী যোগান বিভাগৰ এনে কান্দৰ বাবেই এতিয়া জীয়াতু ভুগিছে ৰাইজে। কিন্তু এইক্ষেত্ৰত গুৰুত্ব দিবলৈ কাৰো যেন আহৰি নাই। নতুনকৈ দায়িত্ব লোৱা মৰিয়নি পৌৰসভায়ো এইক্ষেত্ৰত কোনো ব্যৱস্থা লোৱা নাই। প্ৰশাসনৰো নাই কোনো গুৰুত্ব। সম্প্ৰতি মৰণফান্দলৈ পৰ্যবসিত হোৱা এই গাঁতটো শীঘ্ৰেই পুতি পেলোৱাৰ ব্যৱস্থা কৰিবলৈ প্ৰশাসন, নগৰীয়া পানী যোগান বিভাগ আৰু পৌৰসভাক সচেতন ৰাইজে আহ্বান জনাইছে।








এছিয়ান বেডমিণ্টনৰ কোৱাৰ্টাৰত ভাৰতৰ সিন্ধু।

## চেম্পিয়নছ লীগ ফুটবলৰ দ্বিতীয়খন ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচ

# ভিল্লাৰিয়ালৰ বিৰুদ্ধে লিভাৰপুলৰ জয়

**লণ্ডন, ২৮ এপ্ৰিল ঃ** চলিত চেম্পিয়নছ লীগ ফুটবলৰ যোৱানিশা অনুষ্ঠিত হোৱা দ্বিতীয়খন ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত লিভাৰপুলে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ভিল্লা ৰিয়ালক। উল্লেখ্য যে খেলৰ প্ৰথমাৰ্ধ গ'লশূন্যৰূপে সমাপ্ত হোৱাৰ পাছত ৫৩ মিনিটত ভিল্লাৰিয়ালে এটা আত্মঘাতি গ'ল হজম কৰে। আনহাতে, দুই মিনিট পাছতে মানে গ'ল কৰি লিভাৰপুলক ২-০ গ'লৰ অগ্ৰগতি দিয়াৰ লগতে ইংলণ্ড ক্লাবটোৰ জয়ো নিশ্চিত কৰে। লিভাৰপুল আৰু ভিল্লাৰিয়ালৰ মাজৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচখন অহা চাৰি মে'ত অনুষ্ঠিত হ'ব। উল্লেখ্য যে ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত লিভাৰপুলে বেনফিকাৰ লগত ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলে যদিও ইংলিছ ক্লাবটো ছেমিফাইনেল লৈ উত্তৰণ হয়। কাৰণ কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত লিভাৰপুলে বেনফিকাক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল। সেয়ে সামগ্ৰীকভাবে লিভাৰপুলে ৬-৪ গ'লৰ ব্যৱধানত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, চমক সৃষ্টি কৰি স্পেনিছ ক্লাব ভিল্লাৰিয়ালে জাৰ্মানীৰ ক্লাব বেয়াৰ্ণ মিউনিখক পৰাস্ত কৰি চলিত চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত স্পনিছ ক্লাব ভিল্লাৰিয়ালে ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলে জাৰ্মানীৰ ক্লাব বেয়াৰ্ণ মিউনিখৰ লগত। কিন্তু সামগ্ৰিকভাবে ভিল্লাৰিয়ালে বেয়াৰ্ণ মিউনিখক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চলিত চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। এই পৰাজয়ৰ পাছতে চেম্পিয়নছ লীগ ফুটবলৰ পৰা বিদায় লয় বেয়াৰ্ণ মিউনিখে। উল্লেখ্য যে ইয়াৰপূৰ্বে হোৱা কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত স্পেনিছ ক্লাব ভিল্লাৰিয়ালে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল জাৰ্মানীৰ ক্লাব বেয়াৰ্ণ মিউনিখক।



# ধাৰাবাহিক ব্যৰ্থতাৰ পাছতো মুম্বাই ইণ্ডিয়ানছৰ শীৰ্ষস্থান

**মুম্বাই, ২৮ এপ্ৰিল ঃ** চলিত আই পি এলত ব্যৰ্থতাৰ ইতিহাস গঢ়াৰ পাছতো মুম্বাই ইণ্ডিয়ানছ দল শীৰ্ষত আছে। উল্লেখ্য যে ৰোহিত শৰ্মাৰ দলে একেৰাহে আঠখন মেচত পৰাস্ত হৈ সৰ্বকালৰ লজ্জাজনক অভিলেখ গঢ়িছে। কিন্তু ইয়াৰ মাজতে মুম্বাইলৈ আহিছে এটা ভাল খবৰ। ২০২২ ৰ আইপিএলৰ আটাইতকৈ মূল্যৱান দল হিচাপে মুম্বাই ইণ্ডিয়ানছক স্বীকৃতি দিছে ফৰ্বচে। মুম্বাই ইণ্ডিয়ানছ ফ্ৰেঞ্চাইজীৰ ব্ৰেণ্ড মূল্য ১.৩ বিলিয়ন আমেৰিকান ডলাৰ। দ্বিতীয় স্থানত থকা চেন্নাই ছুপাৰকিংছৰ ফ্ৰেঞ্চাইজীৰ ব্ৰেণ্ড মূল্য ১.১৫ বিলিয়ন আমেৰিকান ডলাৰ। মুম্বাই আৰু চেন্নাইৰ পাছতে তালিকাখনৰ পিছত আছে কলকাতা নাইটৰাইডাৰ্ছ ( ১.১ বিলিয়ন আমেৰিকান ডলাৰ), লক্ষ্ণৌ ছুপাৰ জায়ান্টছ (১.০৭৫ বিলিয়ন আমেৰিকান ডলাৰ), দিল্লী কেপিটেলছ (১.০৩৫ বিলিয়ন আমেৰিকান ডলাৰ), ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু (১.০২৫ বিলিয়ন আমেৰিকান ডলাৰ), ৰাজস্থান ৰয়েলছ (১ বিলিয়ন আমেৰিকান ডলাৰ), ছানৰাইজাৰ্ছ হায়দৰাবাদ (৯৭০ নিযুত আমেৰিকান ডলাৰ), পাঞ্জাৱ কিংছ (৯২৫ নিযুত আমেৰিকান ডলাৰ) আৰু গুজৰাট টাইটানছ (৮০ নিযুত আমেৰিকান ডলাৰ)। ফৰ্বছৰ মতে, আইপিএল বিনিয়োগকাৰীসকলৰ বাবে এখন স্বৰ্গ হৈ পৰিছে। ২০০৯ ত আইপিএলৰ মূল্যাংকন ৰাজহুৱা কৰা হৈছিল। প্ৰতিটো দলৰ মূল্যাংকন আছিল গড়ে ৬৭ মিলিয়ন আমেৰিকান ডলাৰ। বৰ্তমানৰ ১০ টা দলৰ লীগত প্ৰতিটো দলৰ বৰ্তমানৰ মূল্যাংকন হৈছে ১.০৪ বিলিয়ন ডলাৰ। প্ৰতি বছৰে এই মূল্যাংকন ২৪ শতাংশকৈ বৃদ্ধি হৈছে।

# ফুটবল প্ৰশিক্ষকৰ পাঠ্যক্ৰম

**গুৱাহাটী, ২৮ এপ্ৰিল ঃ** অইল ইণ্ডিয়া লিমিটেড'ৰ 'চি এচ আৰ' আঁচনি 'অইল লক্ষ্য' উদ্যোগত আৰু অসম ফুটবল সন্থাৰ সহযোগত যোৱা ২৬ এপ্ৰিলৰ পৰা দুলীয়াজান নেহেৰু ময়দানত চলি আছে 'এ আই এফ এফ' 'চি' চাৰ্টিফিকেট কৰ্চৰ শিবিৰ। পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা এই শিবিৰ সামৰণি পৰিব অহা ২৯ এপ্ৰিলত। ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেও আৰু শিৱসাগৰ জিলাৰ অইল অধ্যুষিত আৰু গ্ৰাম্য অঞ্চলৰ ২৪ জন প্ৰশিক্ষকে অংশগ্ৰহণ কৰিব লগীয়া বিনামূলীয়া উক্ত চাৰি দিনীয়া কৰ্চটোত মুখ্য ইনষ্ট্ৰাক্টৰ হিচাপে মণিপুৰৰ গ্যান ময়ন আৰু সহযোগী ইনষ্ট্ৰাক্টৰ হিচাপে আছে গোৱাৰ সূৰ্য প্ৰকাশ। এই কৰ্চৰ যোগেদি প্ৰশিক্ষকসকলে বিশেষকৈ তৃণমূল পৰ্যায়ৰ খেলুৱৈসকলক সঠিক ভাবে পৰিচালিত কৰা উপৰি তেওঁলোকক উৎকৃষ্ট মানৰ প্ৰশিক্ষণ দিয়াৰ পদ্ধতি প্ৰণালী সমূহ আয়ত্ব কৰিবলৈ সক্ষম হ'ব।



গুৱাহাটীত হোৱা হাফ মাৰাথন, ৱাকাথন আৰু চাইক্লিঙত অংশ লোৱা সীমান্ত চেতনা মঞ্চৰ দল।

## আঠখন মেচৰ সাতখনতে জয় অৰ্জন কৰি ইতিহাস গঢ়াৰ দিশে এখোজ

# জয়যাত্ৰাৰে শীৰ্ষস্থানত গুজৰাট টাইটান



**মুম্বাই, ২৮ এপ্ৰিল ঃ** গুজৰাট টাইটান দলে চলিত আই পি এলত নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি পইণ্ট তালিকাত নিজৰ শীৰ্ষস্থান অক্ষুন্ন ৰাখিছে। যোৱানিশাৰ মেচত গুজৰাট টাইটানে (১৯৯-৫ ৰাণ) পাঁচ উইকেটত পৰাস্ত কৰে ছানৰাইজাৰ্ছ হায়দৰবাদক (১৯৫-৬ ৰাণ)। উল্লেখ্য যে চলিত আই পি এলত এতিয়ালৈকে এখন মেচত পৰাস্ত হোৱা হাৰ্দিক পাণ্ডিয়া নেতৃত্বনাধীন গুজৰাট টাইটানে আঠখন মেচৰ সাতখনত জয়ী হৈ ১৪ পইণ্ট লাভ কৰিছে। উল্লেখ্য যে যোৱানিশাৰ জয়ৰে গুজৰাট টাইটান দলে প্ৰতিশোধো লয় ছানৰাইজাৰ্ছ হায়দৰবাদৰ বিৰুদ্ধে। ইয়াৰপূৰ্বে ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত হোৱা খেলত ছানৰাইজাৰ্ছ হায়দৰবাদৰ বিৰুদ্ধে আঠ উইকেটত পৰাস্ত হৈছিল গুজৰাট টাইটানছ দল। মেচখনত পোনতে বেটিং কৰা গুজৰাট টাইটানছ দলে সাত উইকেটত ১৬২ ৰাণ কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ১৯.১ অভাৰত দুই উইকেটত ১৬৮ ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে। চলিত আই পি এলত সেয়া গুজৰাট টাইটানছৰ প্ৰথম তথা একমাত্ৰ পৰাজয় আছিল। এই ব্যৰ্থতাৰ পাছতে দলে শীৰ্ষ চাৰিৰ পৰা অৱনমিত হৈছিল যদিও পুনৰ জয়ৰ ছন্দলৈ উভতি আহি শীৰ্ষত উপনীত হৈছে। অন্তিম মেচত গুজৰাট টাইটান দলে আঠ ৰাণত পৰাস্ত কৰিছিল কলকাতা নাইট ৰাইডাৰ্ছক। পোনতে বেটিং কৰি গুজৰাট টাইটান দলে ন উইকেটত কৰে ১৫৬ ৰাণ। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছ দলে নিৰ্ধাৰিত অভাৰত আঠ উইকেটত ১৪৮ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ইয়াৰপূৰ্বৰ মেচত গুজৰাট টাইটান দলে তিনি উইকেটত পৰাস্ত কৰিছিল চেন্নাই ছুপাৰ কিংছক। আনহাতে দলে পূৰ্বৰ মেচত ৩৭ ৰাণত পৰাস্ত কৰে ৰাজস্থান ৰয়েলছক। পোনতে বেটিং কৰা গুজৰাট টাইটান দলে চাৰি উইকেটত ১৯২ ৰাণ কৰাৰ প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছ দলে ন উইকেটত ১৫৫ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে।

# নাজিৰাত কুডু সন্থাৰ প্ৰশিক্ষণ শিবিৰ আৰম্ভ

**অগ্ৰদূত বাৰ্তা,**
**নাজিৰা, ২৮ এপ্ৰিল ঃ** সুদক্ষ খেলুৱৈ দেশৰ সম্পদ,জাতিৰ গৌৰৱ। অসম কুডু সন্থাই ২০১৯ ত ভাৰত চৰকাৰৰ মান্যতা লাভ কৰাৰ পাছত দুখনকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলত অংশগ্ৰহণ কৰি খেলুৱৈসকলে বিভিন্ন পৰ্যায়ত সোণ, ৰূপ, ব্ৰঞ্জসহ ১৬ টা পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল। কুডু খেলৰ জৰিয়তে সুস্থ দেহ,সুস্থ মনৰ সৃষ্টি কৰাৰ লগতে নৱপ্ৰজন্মৰ সুপ্ত প্ৰতিভাবিকাশৰ ক্ষেত্ৰত সুবিধা হোৱাকৈ অসম কুডু সন্থাৰ তত্বাৱধানত নাজিৰা নগৰৰ টকৌ আলিত অৱস্থিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাজিৰা জিলা শাখাৰ প্ৰেক্ষাগৃহত এটি কুডু প্ৰশিক্ষণ কেন্দ্ৰ শুভাৰম্ভ কৰা হৈছে। ইছ্যুক ল'ৰা-ছোৱালীয়ে কুডু প্ৰশিক্ষণ ল'ব বিচাৰিলে ৯৪৩৫০ ৫৮১০৮ অথবা ৬০০০৭২৯৯৮ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে আয়োজকে।

# ক্ৰমাগত পাঁচখন মেচৰ সফলতাৰ পাছত পৰাজয়ৰ সন্মুখীন ছানৰাইজাৰ্ছ হায়দৰাবাদ



**মুম্বাই, ২৮ এপ্ৰিল ঃ** ক্ৰমাগত পাঁচখন মেচত জয় অৰ্জন কৰাৰ পাছত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে চলিত আই পি এলত যোৱানিশা পৰাজয়ৰ সন্মুখীন হয়। গুজৰাট টাইটানে (১৯৯-৫ ৰাণ) পাঁচ উইকেটত পৰাস্ত কৰে ছানৰাইজাৰ্ছ হায়দৰবাদক (১৯৫-৬ ৰাণ)। উল্লেখ্য যে প্ৰথম দুখন মেচত পৰাস্ত হৈ অভিযান আৰম্ভ কৰা ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে পৰবৰ্তী পাঁচখন মেচত ক্ৰমাগত জয় অৰ্জন কৰিছিল। অন্তিম মেচত দলে বিধ্বস্ত কৰিছিল আৰ চি বিক। ইয়াৰপূৰ্বে এক পক্ষীয় মেচত ছানৰাইজাৰ্ছ হায়দৰাবাদে সহজে সাত উইকেটত পৰাস্ত কৰে পঞ্জাৱ কিংছ দলক। পোনতে বেটিং কৰা পঞ্জাৱ কিংছে ১৫১ ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৮.৫ অভাৰতে তিনিটা উইকেট হেৰুৱাই ১৫২ ৰাণ কৰি জয় অৰ্জন কৰে। আনহাতে, ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে সাত উইকেটত পৰাস্ত কৰিছিল কলকাতা নাইট ৰাইডাৰ্ছক। পোনতে বেটিং কৰি কলকাতা নাইট ৰাইডাৰ্ছ দলে আঠ উইকেটত ১৭৫ ৰাণ কৰে। প্ৰত্যুত্তৰত, ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৭.৫ অভাৰত তিনি উইকেট হেৰুৱাই ১৭৬ ৰাণ কৰি জয় অৰ্জন কৰে। ইয়াৰপূৰ্বৰ খেলত ছানৰাইজাৰ্ছ হায়দৰবাদৰ বিৰুদ্ধে আঠ উইকেটত পৰাস্ত হৈছিল গুজৰাট টাইটানছ দল। মেচখনত পোনতে বেটিং কৰা গুজৰাট টাইটানছ দলে সাত উইকেটত ১৬২ ৰাণ কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ১৯.১ অভাৰত দুই উইকেটত ১৬৮ ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে। আনহাতে, অন্য এখন মেচত চেন্নাই ছুপাৰ কিংছ দলক আঠ উইকেটত পৰাস্ত কৰিছিল ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে। মেচখনত পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে সাত উইকেটত ১৫৪ ৰাণ কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ১৭.৪ অভাৰত দুই উইকেটত ১৫৫ ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে।

# ক্লাব চেম্পিয়নশ্বিপলৈ এন আৰ এল একাডেমী



**গুৱাহাটী, ২৮ এপ্ৰিল ঃ** বোকাখাত জিলা ক্ৰীড়া সন্থাৰ 'এ' ডিভিজন লীগৰ চেম্পিয়ন হৈছে এন আৰ এল ফুটবল একাডেমী। উল্লেখ্য যে অসম ফুটবল সন্থাৰ সৌজন্যত তথা বোকাখাত জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হয় নগেন বৰা সোঁৱৰণি 'এ' ডিভিজন ফুটবল লীগ । লীগত অংশ লোৱা দলসমূহ হৈছে এন আৰ এল একাডেমী, ৰাধাবাৰী চাহ বাগিচা, পাম লাইন চাহ বাগিচা, উপৰ টেমেৰা ফুটবল ক্লাব, লখৌজান চাহ বাগিচা, বোকাখাত চাহ বাগিচা, বিহৰা ৰয়েল ফুটবল ক্লাব আৰু ড্ৰেগন ফুটবল ক্লাব । ফাইনেলৰ যুঁজত অৱতীৰ্ণ হয় লখৌজান চাহ বাগিচাৰ দল আৰু এন আৰ এল ফুটবল একাডেমী । মেচখনত ৪-১ গ'লৰ ব্যৱধানত জয়ী হয় এন আৰ এল ফুটবল একাডেমী। ফাইনেল মেচখন প্ৰত্যক্ষ কৰে প্ৰায় দুই সহস্ৰাধিক ৰাইজে। বিজয়ী দলক চেম্পিয়নৰ ট্ৰফী প্ৰদান কৰে ডাঃ পুলিন চন্দ্ৰ বৰকটকী, বোধৰাজ ছেত্ৰী আৰু পবিত্ৰ গগৈয়ে । ইফালে, ৰানাৰ্ছআপ দলক ট্ৰফী প্ৰদান কৰে বোকাখাত জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি উৎপল বৰদলৈ আৰু এন আৰ এল বিষয়া বিপুল ঠাকুৰীয়াই। লীগৰ ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে এন আৰ এল ফুটবল একাডেমীৰ কনক ব্ৰহ্মাই । লীগৰ শ্ৰেষ্ঠ খেলুৱৈ সন্মান অৰ্জন কৰিলে লখৌজান চাহ বাগিচা দলৰ বিশাল দেউৰীয়ে। উল্লেখ্য যে, চূড়ান্ত খেলৰ অন্তত বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকে বোকাখাত ক্ৰীড়া সন্থাৰ যুটীয়া সম্পাদক দ্বিপেন শইকীয়া, মনোজ বৰা, সহকাৰী সম্পাদক পৰশুৰাম কৰ্মকাৰ, সুনীল কালিন্দী, ইনড'ৰ গেমছৰ সম্পাদক জিতু বৰা, মহিলা ফুটবল বিভাগৰ সম্পাদক প্ৰকাশ ঘাটোৱাৰ আদি। এই লীগত বিজয়ী হোৱাৰ পাছতেই অসম ক্লাব চেম্পিয়নশ্বিপৰ বাবে যোগ্যতা অৰ্জন কৰিছে এন আৰ এল ফুটবল একাডেমীয়ে।

## অভিনৱ বৰা সোঁৱৰণী প্ৰাইজমানি প্ৰিমিয়াৰ ক্ৰিকেট লীগ আৰম্ভ

# উদ্বোধনী খেলত কামপুৰ লায়নছৰ জয়

**অগ্ৰদূত বাৰ্তা,**
**বেবেজীয়া, ২৮ এপ্ৰিল ঃ** নৱগঠিত নগাঁও ক্ৰিকেটাৰ্ছ ক্লাবৰ উদ্যোগত আজিৰে পৰা নগাঁৱৰ নুৰুল আমিন ষ্টেডিয়ামত প্ৰয়াত ক্ৰিকেট খেলুৱৈ তথা সংগঠক অভিনৱ বৰাৰ সোঁৱৰণত এখনি প্ৰীমিয়াৰ ক্ৰিকেট লীগ আৰম্ভ হৈছে। উদ্বোধনী খেলখনত কামপুৰ লায়নছ দলে পানীগাঁও পেন্থাৰ্ছক ৮১ ৰাণত পৰাজিত কৰে। খেলখনত কামপুৰ লায়নছে পোণতে বেট ধৰি ধীৰাজ গোস্বামীৰ অপৰাজিত ৬৪ ৰাণৰ অৱদানৰে নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেটৰ বিনিময়ত ১৬২ ৰাণ সংগ্ৰহ কৰে। বলিঙত পানীগাঁও পেন্থাৰ্ছৰহৈ দীপজ্যোতি শইকীয়াই দুটা,মাহিৎ আৰু বিৰাজ বৰাই এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত পানীগাঁও পেন্থাৰ্ছ দলটোৱে বেট ধৰি ১৮.২ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই মাত্ৰ ৮১ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত কামপুৰ লায়নছৰহৈ ধীৰাজ গোস্বামী,দেৱজিত বৰুৱা আৰু প্ৰানজিত বৰাই দুটাকৈ তথা চিৰঞ্জীৱ দাসে এটা উইকেট দখল কৰে। শৈলেন্দ্ৰ শৰ্মা আৰু ছাব্বিৰ আহমেদ আম্পায়াৰৰূপে থকা আজিৰ খেলত কামপুৰ লায়নছৰ ধীৰাজ গোস্বামীক মেন অৱ দ্যা মেচৰূপে বীৰেন চন্দ্ৰ গোস্বামী সোঁৱৰণী বঁটা সমাজসংগঠক নিতুমণি গোস্বামীয়ে প্ৰদান কৰে। ইপিনে,এই প্ৰতিযোগিতাখনি পুৱা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নগাঁও সদৰ সমষ্টিৰ বিধায়ক তথা নগাঁও ক্ৰীড়া সংস্থাৰ কাৰ্যবাহী সভাপতি ৰূপক শৰ্মাই। ক্ৰীড়া সংগঠক দেবাশীষ গোস্বামী আৰু মৃনাল হাজৰিকাই আঁত ধৰা শুভাৰম্ভণি অনুষ্ঠানত জিলা আৰক্ষী অধীক্ষক লীনা দ'লৈ আৰু কবিতা বৰুৱা বৰাকে ধৰি প্ৰাক্তন খেলুৱৈ প্ৰমুখ্যে জিলাখনৰ কেইবাগৰাকীও বিশিষ্ট সংগঠক উপস্থিত থাকে। উল্লেখ্য যে প্ৰতিযোগিতাখনত যোগদান কৰা বাৰটা দলক চাৰিটা গ্ৰুপত ভাগ কৰা হৈছে। গ্ৰুপ লীগৰ খেলত প্ৰতিটো গ্ৰুপৰ পৰা শীৰ্ষস্থান লাভ কৰা দল চাৰিটা ছেমিফাইনেল খেলত অৱতীৰ্ণ হ'ব। কাইলৈৰ পৰা প্ৰতিদিনে দুখনকৈ খেল অনুষ্ঠিত হ'ব। ইফালে, প্ৰতিযোগিতাখনৰ ছেমিফাইনেল খেল দুখন অহা ছয় মে'ত আৰু ফাইনেল খেল সাত মে'ত হ'ব বুলি আয়োজক সমিতিৰ সভাপতি অৰ্পণ দাস, সম্পাদক লোকজিৎ গোস্বামী আৰু কোষাধ্যক্ষ দেৱজ্যোতি গোস্বামীয়ে জানিবলৈ দিয়ে।



# দৰঙত গৱৰ্ণৰ কাপ ছোৱালী ভলীবলৰ শিবিৰ মুকলি



**অগ্ৰদূত বাৰ্তা,**
**মঙলদৈ, ২৮ এপ্ৰিল ঃ** গৱৰ্ণৰ কাপ মহিলা ভলীবল প্ৰতিযোগিতাৰ অংশ হিচাপে তিনিমহীয়া এটি মাণ্ডলিক ভলীবল প্ৰশিক্ষণ শিৱিৰ আজিৰে পৰা মঙলদৈৰ ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আৰম্ভ হৈছে । উল্লেখ্য যে ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ক কেন্দ্ৰ কৰি ক্ৰমে বৰঙাবাৰী হাইস্কুল, ৰাজঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়, নেওগপাৰা হাইস্কুল, কনকলতা হাইস্কুল, সৰু ঔতলা হাইস্কুল, বৰক'লা এম ই স্কুল, কনকলতা হাইস্কুল আৰু টেঙাবাৰী হাইস্কুল এই বিদ্যালয়সমূহক সামৰি এই প্ৰশিক্ষণ অনুস্থিত হৈছে । আজি এই শিৱিৰটো আনুষ্ঠানিকভাবে উদ্বোধন কৰে জিলা ক্ৰীড়া বিষয়া লুট্টু বসুমতাৰীয়ে । অধ্যক্ষ কমল প্ৰসাদ শৰ্মা আৰু বিষয় শিক্ষক হিতেশ হাজৰিকাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত বিশেষভাবে অংশগ্ৰহণ কৰে জিলা সমন্বয়ক তথা শাৰীৰিক নিৰ্দেশক মৃণাল কলিতা, বিশিষ্ট ক্ৰীড়া সংগঠক পুৰন্দৰ চমুৱা, জ্যেষ্ঠ শাৰীৰিক নিৰ্দেশক কুমুদ বৰা, বৰঙাবাৰী হাইস্কুলৰ প্ৰধান আনোৱাৰ হুছেইন প্ৰমুখ্যে । সভাত অতিথিবৰ্গৰ উপৰি শিবিৰটোৰ প্ৰশিক্ষক, সুদক্ষ মাষ্টাৰ এথলীট পুৰণ শৰ্মাক একোখনকৈ বিহুৱানেৰে সম্ভাষন জনাৱো হয় ।



# অচ্ছে দিন দি দিম

**ভাইয়ো** অউৰ বেহেনো, নমস্কাৰ ল'ব। লাউডস্পীকাৰৰ আগত থিয় হৈ মই যি লম্বা লম্বা এৰিলো, তাৰ যে এটা দাড়ি, এটা কমাও সঁচা নহয়, আপোনালোকৰ সেয়া বুজিবলৈ বাকী নাই চাগে। অৱশ্যে সঁচাতো আপোনালোকো নহয়। মোৰ মিটিঙত যে ইমান ভিৰ হৈছে, সেয়া সঁচা নহয় বুলি মই জানো। আপোনালোকেতো আৰু মোক ভাল পাই মোৰ মিটিঙলৈ অহা নাই। হয় ৰঙা চকু দেখুৱাই, নহ'লে ক'লা বাণ্ডিল দেখুৱাইহে আপোনালোকক আনি মোৰ সন্মুখত ভিৰ কৰাই দিয়া হৈছে। মিছা নকওঁ, আখামখনলৈ আহিলে মোৰ বৰ আফছোছ হয়। চাৰিওফালে ইমান চাহ বাগান! মই যদি গুজৰাটত পেইদা নহৈ আখামত পেইদা হ'লো হয়, তেতিয়া মই মাৰ্কেটিঙেই বেলেগ ষ্টাইলত কৰিব পাৰিলোহেঁতেন। মই ষ্টেছনে ষ্টেছনে চাহ বেচা বুলি ক'ব লগা হৈছে। আখামত পেইদা হ'লে তাৰ এক্সটেনছন কৰি ক'লোহেঁতেন যে মই চাহ বাগানত কাম কৰি বাগানৰ পৰা চাহপাত তুলি আনি তাৰে চাহ বনাই ষ্টেছনে ষ্টেছনে বেচি ফুৰিছিলো। তেতিয়া দেছবাচীয়ে আৰু বেছি ইচ্ ইচ্ আচ্ আচ্ কৰিলেহেঁতেন আৰু সেই ইচ্ ইচ্ আচ্ আচ্বোৰে ই ভি এমে ই ভি এমে কমল ফুলালেহেঁতেন। লক্ষ্য কৰিছো, আখামত নদ-নদী যিমান আছে, খাল-বিল যিমান আছে, সেই অনুপাতে ইয়াত কমল নুফুলে। লগতে মই এই খবৰো পাইছো যে আজি-কালি আখামত কমল ফুলিবলৈ বোকাপানী নালাগে। হাত বাউলী মাতিলেই হ'ল, লগালগ দৌৰি আহি ভৰিত ধৰি দিয়ে আৰু চকুৰ পচাৰতে কমল ফুলি ধেন্দাকাৰ দিয়ে। কমল ফুলা বুলি শুনিলে নেচাৰেলী হিয়াখন শাত পৰি যায়। কিন্তু বেজাৰো লাগে, যেতিয়া শুনো যে বেঙেনা-কোমোৰাৰ দৰে বাকী খেতিত ইউৰিয়া মাৰাৰ নিচিনাকৈ বেলেগ পাৰ্টিৰ পৰা অনা ইউৰিয়াৰেহে হেনো কমল ফুলাব লগা হৈছে। আমাৰ মানুহৰ হেনো নিজৰ হাতত কোনো সাৰ-পানী নাই। সৰ বেলেগ পাৰ্টিৰ পৰা আনিহে কমল ফুলাব লগা হৈছে। বেলেগৰ পৰা অনা ইউৰিয়া নাপালে হেনো আখামত লাউ-বেঙেনাৰ পৰা কমললৈ



একোৰে ফুলিব নোখোজে। অৱশ্যে আমাৰ বেলিকা কথাটো বেলেগ। আমাক দুটা জিনিছ ফুলাবলৈ একো সাৰ-পানী নালাগে। এখন হ'ল কপাল আৰু আনখন হ'ল জেপ। ২০১৪ৰ পৰা যি হাৰত কপাল ফুলিবলৈ লৈছে, মাজে মাজে ভয়েই লাগি যায় ফুলি অহা কপালখনে মুখমণ্ডল ঢাকিয়ে পেলায় নেকি? এনেকৈ প্ৰতিবাৰতে কেনেকৈ কপাল ফুলে, সেয়া মই নিজেও নাজানো। বহুতে কয়—মোৰ ফেচ-ভেলুৰ কাৰণে এইবোৰ হৈছে। কিছুমানে কয় নহয়, কেছ-ভেলুৰ কাৰণে হৈছে। প্ৰতিবাৰতে কম কেছ বিলোৱা হয় নেকি? কিন্তু মই পাৰ্ছনেলী ভাবো যে এয়া আচলতে শেষ ভেলু। বাকীবোৰ সৰতো শেষেই। গতিকে আমাৰ কপাল নুফুলাই কোনে ফুলাব? আৰু জেপবোৰ যে ফুলি আছে, তাত আপত্তি কৰিব লগা একো নাই। জেপবোৰ ফুলিলে কি হ'ল, ক'তো একো টকা খোৱাৰ নিউজতো ওলোৱা নাই। ক'ৰবাত ওলাওকচোন, ৰঙাঘৰৰ ১০টা চেম্বাৰ এতিয়াও খালী আছে।

ভাইয়ো অউৰ বেহেনো, আপোনালোকে হয়তো ভাবিছে যে আখামত ইমান তেল আছে অথচ আখামৰ পাব্লিকে ইমান টকাত তেল কিনি চলিব লগা হৈছে। আফছোছ নকৰিব। আপোনালোকক অতি সোনকালে মই অচ্ছে দিন দি আছো। অচ্ছে মানে আঃ আৰু ছেঃ! খাব নাপাই পেটৰ বিষত আটায়ে আঃ বুলি চিঞৰিব লাগিব আৰু আমাক কোনোবাই বেয়াকৈ ক'লে তাৰ মুখলৈ চাই ছেঃ বুলি ক'ব লাগিব। এই আঃ আৰু ছেঃ মিলিয়ে হ'ব মোৰ আচল অচ্ছে দিন।

ফ্ৰান্সৰ নিবাসী এক সন্ন্যাসিনীক সম্প্ৰতি বিশ্বৰ সবাতোকৈ প্ৰবীণতম জীৱিত ব্যক্তিৰূপে ঘোষণা কৰিলে 'গীণজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ড'-এ

# বিশ্বৰ প্ৰবীণতম ব্যক্তিত পৰিণত ফৰাচী সন্ন্যাসিনী



## স্পেনিছ ফ্লু-বিশ্বযুদ্ধ-ক'ভিডক জয় কৰি সৃষ্টি কৰিলে অভিলেখ

**নিউজ ব্যুৰ'**
**পেৰিছ, ২৮ এপ্ৰিল ঃ** ফ্ৰান্সৰ নিবাসী এক সন্ন্যাসিনীক সম্প্ৰতি বিশ্বৰ সবাতোকৈ প্ৰবীণতম জীৱিত ব্যক্তিৰূপে ঘোষণা কৰিলে 'গিনেছ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ড'-এ। এই সন্ন্যাসিনীৰ প্ৰকৃত বয়স হৈছে ১১৮ বছৰ ৭৪ দিন। ইতিমধ্যেই তেওঁ দেখি আহিছে বিশ্বত সংঘটিত বহুতো সন্ত্ৰাসৰ দিন।

ছিষ্টাৰ আন্দ্ৰে নামৰ এই সন্ন্যাসিনীৰ জন্ম ১৯০৪ৰ ১১ ফেব্ৰুৱাৰীত। সুদীৰ্ঘ ১১৮ বছৰীয়া জীৱনত তেওঁ দেখা পাইছে ক'ভিডৰ পূৰ্বে বিশ্বক ক্ষতিগ্ৰস্ত কৰা স্পেইনৰ অতিমাৰী স্পেনিছ ফ্লু আৰু দুখনকৈ বিশ্বযুদ্ধ। সম্প্ৰতি তেওঁ ক'ভিডতো আক্ৰান্ত হৈছিল। বিশ্ব অভিলেখত ছিষ্টাৰ আন্দ্ৰেৰ নাম লিপিবদ্ধ কৰা হৈছে প্ৰবীণতম জীৱিত ব্যক্তি, বৃদ্ধতম জীৱিত মহিলা, সবাতোকৈ বৃদ্ধ সন্ন্যাসিনী, বৃদ্ধতম ক'ভিডজয়ী আৰু ইউৰোপীয় তথা ফৰাচীসকলৰ ভিতৰত তৃতীয় প্ৰবীণতম (জীৱিত বা মৃত) ব্যক্তিৰূপে।

উল্লেখ্য যে আজীৱন আন্দ্ৰেই সেৱাৰ কামেই কৰি আহিছে। কম বয়সত এগৰাকী শিক্ষয়িত্ৰী আছিল তেওঁ। প্ৰথম বিশ্বযুদ্ধৰ সময়ত আন্দ্ৰেই শিশুক লালন-পালনৰ কাম কৰিছিল। মানুহৰ ঘৰত আয়াৰ চাকৰি কৰিছিল। পৰৱৰ্তী সময়ত দ্বিতীয় বিশ্বযুদ্ধৰ পাছত তেওঁ বৃদ্ধ আৰু অনাথসকলৰ বাবে কাম কৰিবলৈ আৰম্ভ কৰে। ১৯৪৪ৰ পৰা তেওঁৰ সন্ন্যাসিনীৰ জীৱন আৰম্ভ হয়। জন্মৰ প্ৰমাণপত্ৰত লুচিল ৰেণ্ডন নাম থকা মহিলাগৰাকীয়ে সন্ন্যাসিনী হোৱাৰ পাছতে ছিষ্টাৰ আন্দ্ৰে নামেৰে পৰিচিত হৈ পৰে। সম্প্ৰতি হুইল চেয়াৰতে আন্দ্ৰেৰ দিন অতিবাহিত হয়। গিনেছ বিশ্ব অভিলেখৰ কমিটীয়ে তেওঁৰ দীৰ্ঘ জীৱনৰ গোপন ৰহস্য কি বুলি প্ৰশ্ন কৰিছিল। ইয়াৰ উত্তৰত সন্ন্যাসিনীয়ে কয়, 'চকোলেট আৰু ৱাইন'। চকোলেট খাবলৈ বৰ ভাল পোৱা আন্দ্ৰেক প্ৰতিদিনে লাগে এগিলাচ ৱাইন। আন্দ্ৰেক কেন্দ্ৰ কৰি প্ৰস্তুত কৰা এটা ভিডিঅ'ও বিশ্ব অভিলেখ কৰ্তৃপক্ষই ইনষ্টাগ্ৰামত প'ষ্ট কৰিছে।

# বাগ্‌সাৰ থুৰীবাৰীত জলসংকট ঃ নদীৰ পানীৰে তৃষ্ণা আঁতৰাইছে ৰাইজে

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ২৮ এপ্ৰিল ঃ** বাগ্‌সা জিলাৰ চাপাগুৰি বিধানসভা সমষ্টিৰ ককলাবাৰী, বৰপাম, ৰাঙাপানী, অঞ্চলী আদি কে'বাখনো গাঁৱত পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনতে বিশুদ্ধ খোৱাপানী যোগানৰ প্ৰকল্প স্থাপন কৰা হৈছিল। এই পানী যোগান প্ৰকল্পসমূহৰ পৰা ৰাইজে এটুপি খোৱাপানীও পাবলৈ সক্ষম নহ'ল। আনকি হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিটিচি প্ৰশাসনৰ দিনতো এই পানী যোগান আঁচনিসমূহ অচল হৈয়ে থাকিল। বহুকেইখন আঁচনিৰ ঘৰ আৰু মেচিন আদি জহি-খহি গ'ল। বৰ্তমান চৰকাৰে জলজীৱন মিছনৰ অধীনত ৰাইজক বিশুদ্ধ খোৱাপানী যোগানৰ বিভিন্ন ঠাইত বৃহৎ বৃহৎ প্ৰকল্প স্থাপন কৰিছে; কিন্তু এই আঁচনিসমূহৰ সুফল ৰাইজে এতিয়ালৈ পাবলৈ সক্ষম হোৱা নাই। ইয়াৰ মাজতে বাগ্‌সা জিলাৰ চাপাগুৰি সমষ্টিৰ দুই নম্বৰ ককলাবাৰী (থুৰীবাৰী) গাঁৱৰ ৬০টা পৰিয়ালে আজিও পাহাৰৰ পৰা বৈ অহা পোতা নদীৰ পানী খাই জীয়াই থাকিব লগা অৱস্থাৰ সৃষ্টি হৈছে। উল্লেখ্য যে গাঁওখনৰ ৰাইজে প্ৰায় ২৫-৩০ ফুট তলত বিশাল প্ৰস্তৰ স্তৰ থকা বাবে টিউবৱেল বহুৱাব নোৱাৰে। কোনো গাঁওবাসীয়ে ২৫-৩০ ফুট তলত দমকল বহুৱাই ভূগৰ্ভৰ পানীৰ স্তৰ পাবলৈ সক্ষম হয় যদিও এই ভূগৰ্ভৰ পানীৰ স্তৰ জানুৱাৰীৰ পৰা জুনলৈ সম্পূৰ্ণ শুকাই যায়। ফলত এই সময়ছোৱাত গাঁওখনত জলসংকটে দেখা দিয়ে। ফলত এই সময়ছোৱাত পোতা নদীৰ পৰা পানী কঢ়িয়াই আনি ৰন্ধা-বঢ়া আৰু খোৱা-লোৱাৰ কামত ব্যৱহাৰ কৰিবলৈ বাধ্য হয়। ৰাইজৰ এই খোৱাপানীৰ সংকট আঁতৰ কৰা বাবে বিটিআৰ চুক্তিৰ ১০ বছৰ পূৰ্বে তেতিয়াৰ চৰকাৰে পানী যোগানৰ ব্যৱস্থা কৰাৰ ক্ষুদ্ৰ আঁচনি গ্ৰহণ কৰিছিল। কিন্তু এই আঁচনিৰ গাঁথনিবোৰ চৰকাৰৰ ৰাজহুৱা ধনৰ অপচয়ৰ নিদৰ্শন হৈ বছৰ বছৰ ধৰি পৰি থকাৰ বাহিৰে ৰাইজে এইবোৰৰ পৰা কোনো সুফল নাপালে। গাঁওখনৰ ৰাইজৰ এই দীৰ্ঘদিনীয়া খোৱাপানীৰ সমস্যা সমাধান কৰি সুচল খোৱাপানী যোগানৰ ব্যৱস্থা কৰি দিবলৈ অসম চৰকাৰ আৰু বিটিআৰ প্ৰশাসনক গাঁওবাসী ৰাইজে দাবী জনাইছে।



# চকোলেট খালেই শিশুৰ হ'ব পাৰে ছালম'নেল'ছিছ ৰোগ

## ক'ভিডৰ মাজতে পশ্চিমৰ দেশত নতুন ৰোগৰ প্ৰকোপ

**নিউজ ব্যুৰ'**
**লণ্ডন, ২৮ এপ্ৰিল ঃ** বিগত দুটা বছৰে সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰি আহিছে কৰ'না ভাইৰাছে। ইয়াৰ মাজতে এইবাৰ আতংকৰ কাৰণ হৈ পৰিছে এবিধ বেক্টেৰিয়া। এই বেক্টেৰিয়াৰ বাবে হোৱা ছলম'নেল'ছিছ ৰোগেই সম্প্ৰতি বিপদৰ আগজাননি দিছে ইউৰোপ আৰু আমেৰিকাত। বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ তৰফৰ পৰা জনাইছে যে ইতিমধ্যেই ১৫০জন এই ৰোগত আক্ৰান্ত হৈছে। শিশুসকলেই এই বেক্টেৰিয়াজনিত অন্ত্ৰৰ ৰোগত বেছিকৈ ভোগা বুলিও 'হু'ৰ তৰফৰ পৰা জনাইছে। 'হু'ৱে লগতে জনাইছে যে আক্ৰান্তসকলৰ ভিতৰত নটি শিশুৰ অৱস্থা সংকটজনক আৰু ইতিমধ্যেই তেওঁলোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। অৱশ্যে এই পৰ্যন্ত কোনো মৃত্যুৰ তথ্য পোহৰলৈ অহা নাই।

একাংশ বিশেষজ্ঞই দাবী কৰিছে যে বেলজিয়ামত তৈয়াৰী 'কিণ্ডাৰ' কোম্পানীৰ চকোলেটৰ পৰাই বিয়পি পৰিছে ভতিকাৰক বেক্টেৰিয়া ছালম'নেল্লা টাইফিমিউৰিয়াম। 'হু'ৰ তৰফৰ পৰা লগতে জনাইছে যে বিভিন্ন দেশৰ পৰা এই অভিযোগ অহাৰ পাছত 'কিণ্ডাৰ' কোম্পানীয়ে নিজৰ চকোলেট বজাৰৰ পৰা প্ৰত্যাহাৰ কৰি ঘূৰাই নিছে। সমগ্ৰ বিশ্বৰ প্ৰায় ১১৩খনৰো অধিক দেশলৈ বেলজিয়ামৰ পৰা এই চকোলেট ৰপ্তানি কৰা হয়। ইতিমধ্যেই ১১খন দেশত চকোলেটৰ ভিতৰত বেক্টেৰিয়াৰ জেনেটিক ছিকুৱেন্স ধৰা পৰিছে।

'হু'ৰ তথ্য প্ৰকাশৰ পাছতে ছালম'নেল'ছিছ ৰোগক কেন্দ্ৰ কৰি মানুহৰ উৎকণ্ঠা বৃদ্ধি পাইছে। প্ৰধানকৈ পশুৰ শৰীৰত এই ছালম'নেল্লা টাইফিমিউৰিয়াম বেক্টেৰিয়াৰ সন্ধান পোৱা যায়। খাদ্য আৰু পানীৰ মাধ্যমেৰে এই বেক্টেৰিয়া মানুহৰ শৰীৰত প্ৰৱেশ কৰে। মাংস, কণী বা দুগ্ধজাত খাদ্যৰ মাধ্যমেৰেই এই বেক্টেৰিয়া মানুহৰ শৰীৰলৈ সংক্ৰমিত হয়। পশু বা মানুহৰ মলৰ পৰাই এই ৰোগ বিয়পিব পাৰে। ছালম'নেল্লা ৰোগৰ উপসৰ্গৰ স'তে টাইফয়েডৰ উপসৰ্গৰ মিল পোৱা যায়। এই ৰোগত আক্ৰান্ত হ'লে বমি, পেটৰ বিষ, অলস ভাব, জ্বৰ, ডায়েৰিয়াৰ দৰে উপসৰ্গই দেখা দিয়ে।

খাদ্য বা পানীত এই বেক্টেৰিয়া ছয়ৰ পৰা ৭২ ঘণ্টা পৰ্যন্ত জীয়াই থাকিব পাৰে। এবাৰ সংক্ৰমিত হ'লে প্ৰায় সাত দিনলৈ এই উপসৰ্গসমূহ থাকিব পাৰে। শিশু আৰু বয়স্কসকলৰ ক্ষেত্ৰত এই বেক্টেৰিয়াৰ সংক্ৰমণত জলশুষ্কতাও হ'ব পাৰে। ৰোগৰ জটিলতা বৃদ্ধি পালে কোনোবা সময়ত ই প্ৰাণঘাতীও হৈ উঠিব পাৰে।

# ভাৰ্চুৱেল পদ্ধতিৰে লখিমপুৰত পঞ্চমটো কৰ্কট চিকিৎসা কেন্দ্ৰ মুকলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২৮ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ পৰা ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়তো ভাৰ্চুৱেল পদ্ধতিৰে নৱনিৰ্মিত কৰ্কট চিকিৎসা কেন্দ্ৰটো উদ্বোধন কৰে। অসম চৰকাৰ আৰু টাটা ট্ৰাষ্টৰ যৌথ উদ্যোগত তথা অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেছনৰ অধীনত ১৭ খন চিকিৎসালয়ৰ স'তে দক্ষিণ এছিয়াৰ একক সৰ্ববৃহৎ সুলভ কৰ্কট ৰোগজনিত সেৱাৰ নেটৱৰ্কৰ কৰ্কট চিকিৎসা কেন্দ্ৰটোত বুটাম টিপি মুকলি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, 'লখিমপুৰত কৰ্কট চিকিৎসা কেন্দ্ৰ প্ৰতিষ্ঠাই জিলাখনত স্বাস্থ্যৰ বিকাশৰ ক্ষেত্ৰত বহু যোজন আগবঢ়াই লৈ যাব। লখিমপুৰবাসীয়ে কৰ্কটৰ দৰে কঠিন ৰোগক জয়ী কৰাৰ বিৰল সুবিধা জিলাখনতে লাভ কৰিব। অনুষ্ঠানটো লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ লখিমপুৰ কৰ্কট কেন্দ্ৰৰ অধীক্ষক ডাঃ এছ এছ ঘোষ আৰু ভাৰপ্ৰাপ্ত জিলা উপায়ুক্ত মনোজ কুমাৰ বৰুৱা, স্থানীয় বিধায়ক মানৱ ডেকা উপস্থিত থাকি লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত কৰ্কট কেন্দ্ৰ প্ৰতিষ্ঠা লাভে জিলাখনৰ বাবে গৌৰৱৰ বিষয় বুলি মন্তব্য আগবঢ়ায়। উল্লেখ্য যে কেন্দ্ৰটোত অন্যান্য সা-সুবিধাসমূহৰ ভিতৰত কেম'থেৰাপী, ৰবটিক ছাৰ্জাৰী ব'ন মে'ৰ ট্ৰান্সপ্লাণ্ট, ডায়গ্ন'ষ্টিক এণ্ড এডভান্স ইমেজিং নিউক্লিয়াৰ মেডিচিন, ষ্টেম-চেল ৰিছাৰ্চ উপলব্ধ হ'ব। তদুপৰি সময়ে কৰ্কট ৰোগৰ সজাগতা শিবিৰ, ৰোগীৰ মানসিক বিকাশৰ বাবে বিভিন্ন ধৰণৰ সা-সুবিধাসমূহ উপলব্ধ হ'ব।

# পৰ্যটকৰ বাবে আংশিকভাৱে বন্ধ থাকিব মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশদ্বাৰ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৮ এপ্ৰিল ঃ** অহা পহিলা মে'ৰ পৰা পৰ্যটকৰ বাবে আংশিকভাৱে বন্ধ থাকিব মানাহ ৰাষ্ট্ৰীয় উদ্যান। প্ৰতিকূল বতৰৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰৰ ৰাস্তা-ঘাট বেয়া হৈ পৰাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰিছে মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই। এই অনুসৰি মে'ত ৰাষ্ট্ৰীয় উদ্যানখনত জীপ ছাফাৰিৰ ব্যৱস্থা খোলা থাকিব যদিও হাতী ছাফাৰি আৰু ৰিভাৰ ৰাফ্টিং অহা পৰ্যটন বৰ্ষলৈকে বন্ধ থাকিব। তদুপৰি ৰাষ্ট্ৰীয় উদ্যানখনত আগতীয়া বাৰিষাৰ বতৰৰ বাবে জীৱ-জন্তুৰ চলাচল বৃদ্ধি পোৱাত নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি কেইটামান বিশেষ



বিশেষ পথেৰে জীপ ছাফাৰিও বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আনহাতে, পহিলা মে'ৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনৰ মথনগুৰিত থকা বিভাগীয় অতিথিশালা আপাৰ বাংলো আৰু লৱাৰ বাংলাতে পৰ্যটক ৰখাৰ ব্যৱস্থাও বন্ধ কৰা হৈছে। এই সকলো দিশতে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ৰাইজৰ সহযোগিতা কামনা কৰিছে। এইফালে ৰাষ্ট্ৰীয় উদ্যানখনৰ গাতে লাগি থকা ৰিজ'ৰ্ট, ল'জসমূহ এই সময়ছোৱাতো খোলা থাকিব।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720



# যুদ্ধবিমান-ক্ষেপণাস্ত্ৰৰ আতংক, ধ্বংসৰ মাজতো স্তব্ধ হোৱা নাই শিল্পচৰ্চা

## গুদামৰ নাটকেই সাহস দিছে ইউক্ৰেইনৰ শৈশৱ হেৰুওৱা শিশুক

**নিউজ ব্যুৰ'**
**কিয়েভ, ২৮ এপ্ৰিল ঃ** পশ্চিম ইউক্ৰেইনৰ চহৰ লভিভ। ইউক্ৰেইনৰ অন্যান্য চহৰৰ দৰে লভিভতো কাণ পাতিলেই শুনা যায় যুঁজাৰু বিমান উৰি যোৱাৰ শব্দ। দেখা যায় ক্ষেপণাস্ত্ৰ, বোমাৰ ধ্বংসকাৰ্য। নিৰ্দিষ্ট সময়ৰ অন্তৰালত বাজি উঠে সতৰ্কতামূলক চাইৰেন। বিগত দুটা মাহত চহৰখনে দেখা পাইছে বিচ্ছেদৰ যন্ত্ৰণা, মৃত্যুৰ হাহাকাৰ, সম্পত্তি ধ্বংস বা ক্ষতিগ্ৰস্ত শৈশৱ আদি সকলো। অথচ ইমানৰ পাছতো লভিভ চহৰত বন্ধ হোৱা নাই শিল্পৰ চৰ্চা। বৰঞ্চ সেই চৰ্চাৰ মাজেদিয়ে প্ৰাণৰ সন্ধান কৰিছে চহৰখনে।

বুধবাৰে লভিভৰ এটা গুদামত চহৰৰ শিশুসকলে পৰিৱেশন কৰিলে এখন নাটক। এই নাটকৰ বিষয়বস্তু হ'ল 'পৰিয়ালৰ পৰা বিচ্ছেদ'। উক্ত গুদামটো প্ৰধানকৈ বোমাৰ পৰা ৰক্ষাৰ আশ্ৰয়স্থলৰূপে ব্যৱহাৰ কৰা হয়। এতিয়াই সেই গুদামেই হৈ পৰিছে নাটকৰ মঞ্চ। বুধবাৰে নিশা শিশুসকলে পৰিৱেশন কৰা নাটকখন ইউক্ৰেইনৰ এক ডজন লেখকৰ গল্পৰ ভিত্তিত ৰচনা কৰা। নাম 'মামা পো স্কাইপু', অৰ্থাৎ 'স্কাইপৰ মাধ্যমেৰে মা'। নাটকখন পৰিচালনা কৰে অ'লেহ অ'নেশ্বাক নামৰ এজন সৈনিকে। আঠটি শিশুৱে নাটকত অভিনয় কৰে। তেওঁলোকৰ ভিতৰত আছে অ'নেশ্বাকৰ কন্যা হান্নাও।



DIRECTORATE OF MUSEUMS
INDIGENOUS AND TRIBAL FAITH AND CULTURE DEPARTMENT
INVITATION

All are cordially invited to the special exhibition titled
"Māju: An Embodiment of Sacred Art"
organised on the occasion of 83rd Foundation Day Celebration of the Assam State Museum

Date: 26th April- 26th May 2022
Time: 10:00 am - 5:00 pm
Venue: ASSAM STATE MUSEUM, Ambari, Guwahati-1
RSVP: (+91) 9101338385, www.assamstatemuseum@gmail.com

Janasanyog/D/1284/22

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com